ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

सत्यमेव जयते

# OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION
UNDER SOVEREIGN DEMOCRATIC REPUBLICAN
CONSTITUTION OF INDIA

# BUDGET SESSION

# VOL. I

NO. 33

The 11th May, 1988

Price...............

BUDGET SESSION

VOL. I :: NO. 33

Dated, the 11th May, 1988


| | Pages |
|---|---|
| 1. Questions & Answars | 1 - 23 |
| 2. Short Notice Questions | 23 - 29 |
| 3. Unstared Questions & Answars | 27 - 39 |
| 4. Miscellaneous Descussion during Zero Hour | 40 - 41 |
| 5. Adjornment Motion | 41 - 43 |
| 6. Calling attention Notice | 44 - 46 |
| 7. Matter under Rule 301 | 46 - 48 |
| 8. Discussion under Rule 49 | 48 - 65 |
| 9. Private Members Motion | 65 - 78 |
| 10. Adjournment | 78 |
| 11. Annexure | 79 - 89 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, May 11, 1988

The House met at 9 A.M of the Clock in the Assembly Chamber, at Dispur with Mr. Speaker in the Chair.

### STARRED
### QUESTIONS AND ANSWERS
(To Which Oral answers were given)

বিষয় ঃ **পানেৰী সমষ্টিত ৰাস্তা উন্নত কৰাৰ ব্যৱস্থা .**

**শ্ৰীদুৰ্গা দাস বড়ো, য়ে সুধিছে ঃ**

*৬০১। মাননীয় গড.কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পানেৰী সমষ্টিৰ অন্তৰ্গত এটা ৰাস্তাৰ বাদে আন ৰাস্তাবোৰ যোবা বাৰিষাৰ সময়ত বন্ধ হৈ থকাটো সত্য নে ?

(খ) যদি সচাঁ বৰ্ত্তমান এই ৰাস্তাবোৰ উন্নত কৰাৰ কি ব্যৱস্থা লৈছে ?

(গ) টংলা দেৰৰ, টংলা ভেৰগাওঁ, টংলা ডিমাকুছি ভেৰগাওঁ - বামপাওঁ, ভেৰগাওঁ বৰঙ্গাজুলি মহলীয়াপাৰা বৰঙ্গাজুলি, খাগ্ৰাবাৰী পশ্চিম পটলা, ভেৰগাওঁ- খাগ্ৰাবাৰী, ভেৰগাওঁ - নাওকাটা আদি ৰাস্তা যোবা বাৰিষা বন্ধ থকাটো সচাঁনে ?

**শ্ৰীঅতুল বৰা, (গড.কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বাৰিষা সময়ত কেৱল এটা ৰাস্তাৰ বাহিৰে বাকী ৰাস্তাবোৰ বন্ধ হৈ থকা সচাঁ নহয় ।

(খ) বন্ধ হৈ থকা ৰাস্তাবোৰৰ পুঁজি মঞ্জুৰী সাপেক্ষে উন্নতিকৰণৰ কাম কৰি থকা হৈছে ।

(গ) ভেৰ গাওঁ - বৰঙ্গাজুলি (বৰঙ্গাজুলি খৈৰাবাৰী) আৰু ভেৰগাওঁ - খাগ্ৰাবাৰী (ভেৰগাওঁ দহলা) এই পথ দুটাৰ বাহিৰে বাকী ৰাস্তা৷ কেইটা যোবা বাৰিষাত বন্ধ হৈ থকাটো সত্য ।

**শ্ৰীদুৰ্গা দাস বড়ো ঃ** অধ্যক্ষ মহোদয়, আগতে কৈছে ৰাস্তা বন্ধ হৈ থকাটো নহয়। 'খ'ৰ প্ৰশ্নোত্তত কৈছে যদি পুঁজি পায় তেন্তে ৰাস্তাবোৰ ভাল কৰা হব। বেয়া হোৱা এটা ৰাস্তা বাদ দি বাকী গোটেই ৰাস্তাবিলাক বন্ধ হৈ থকাটো সঁচা কথা। খৰালি পথাৰৰ মাজেৰে পোন কৰি যোৱা যায়। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে বাৰিষা অহাৰ আগতে ৰাস্তাবিলাক মটৰেবল কৰাৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ** ২৭ টা ৰাস্তাৰ ভিতৰত ভাল হৈ থকা ৰাস্তা হ'ল ১২টা। গতিকে গোটেই কেইটা বাৰিষাৰ আগতে ভাল কৰিব পাৰিম বুলি কব নোৱাৰো। তেখেতে যিটো অনুৰোধ কৰিছে আটাইকেইটা ৰাস্তা ভাল কৰিম বুলি কব পাৰো।

তাৰাংকিত প্ৰশ্ন নং ৬০২, প্ৰশ্ন কৰ্ত্তা অনুপস্থিত।

Starred Q. No. 602 was not called for, However written replies deemed to have been laid on the table as follows :-

বিষয় ঃ **ভুৰাগাবঁক কৃষি মহকুমা কৰাৰ ব্যৱস্থা**

**শ্ৰীআব্দুল জলিল য়ে সুধিছে ঃ**

*৬০২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ মহকুমাৰ অন্তৰ্গত ভুৰাগাওঁ আৰু লাহৰিঘাট চক্ৰৰ অঞ্চলবোৰত যথেষ্ট মৰাপাট আৰু কুঁহিয়াৰ উৎপন্ন হোৱাটোৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত ১৯৮৮-৮৯ চনৰ ভিতৰত ৰাইজৰ আবেদন মৰ্ম্মে ভুৰাগাবঁক কৃষি মহকুমা কৰাৰ ব্যৱস্থা লৈছেনে ?

(গ) যদি লোৱা নাই, তেন্তে লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

**শ্ৰীপদ্মেশ্বৰ দলে, (কৃষি বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয় জানে।

(খ) আৰু (গ) বৰ্ত্তমানে এনে প্ৰস্তাৱ চৰকাৰৰ হাতত নাই। কৃষি উৎপাদনৰ বিভিন্ন দিশ আৰু প্ৰশাসনিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা বিত্তীয় সম্পদৰ ওপৰত নিৰ্ভৰ কৰি এনে মহকুমা আদি গঠনৰ সিদ্ধান্ত লোৱা হয়।

বিষয় ঃ **সৰু আৰু মধ্যম নগৰ উন্নয়ণ আঁচনিত অন্তৰ্ভুক্ত কৰা নগৰৰ সংখ্যা।**

**শ্ৰীদেৱেশ্বৰ বৰা য়ে সুধিছে ঃ**

*৬০৩। মাননীয় নগৰ আৰু গাওঁ উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে

(ক) অসমত কিমানখন নগৰ সমন্বিত সুৰু আৰু মধ্যম উন্নয়ণ (IDSMT) আঁচনিত অন্তৰ্ভুক্ত কৰিছে ?

(খ) গোলাঘাট নগৰ এই আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰিছেনে ?

(গ) যদি কৰিছে, ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা কেতিয়া গ্ৰহণ কৰিব ?

**শ্ৰীঅতুল বৰা,** (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সৰ্বমুঠ ৭খন (সাত খন)

(খ) গোলাঘাট নগৰক এই আচঁনিৰ অন্তৰ্ভুক্ত কৰাৰ কাৰণে চেষ্টা চলাই থকা হৈছে ।

(গ) অন্যান্য নগৰৰ সৈতে গোলাঘাট নগৰকো সন্নিবিষ্ট কৰি কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে পঠোৱা হৈছে । কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱাৰ লগে লগে আৱশ্যকীয় কাৰ্য্যকৰী ব্যৱস্থা লোৱা হ'ব ।

**শ্ৰীদেৱেশ্বৰ বৰা ঃ** অধ্যক্ষ মহোদয়, মই যোৱা বাজেট অধিৱেশনত একেটা প্ৰশ্ন কৰিছিলো আৰু উত্তৰ একেটাই দিছিল । আজি এবছৰে এনেকৈ আছে । গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ত ভাৰত চৰকাৰৰ আৰবান দেভেলপমেন্ট মন্ত্ৰীৰ লগত উল্লেখ কৰা বিষয়ত ব্যক্তিগত ভাৱে বিহিত ব্যৱস্থা লবনে ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ** আচলতে গোটেই বিষয়টো ভাৰত চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিছে । আগৰ বিধান সভাত ৬ষ্ঠ পৰিকল্পনাত ৫খন চহৰ লোৱা হৈছে বুলি কোৱা হৈছিল । ৭ম পৰিকল্পনাত ১২ খন দিয়া হৈছে । ইয়াৰ ভিতৰত গোলাঘাটখন পঠাইছো । আশা ৰাখিছো কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত সোনকালে দিয়াৰ কাৰণে ব্যৱস্থা কৰিব ।

**শ্ৰীকুলবাহাদুৰ চেত্ৰী ঃ** নগৰ কেইখনৰ নাম কবনে ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ** ডিব্ৰুগড়, যোৰহাট, শিলচৰ, তিনিচুকীয়া আদি । ৭ম পৰিকল্পনাত ১২ খন দিয়া হৈছে । তাৰ ভিতৰত ডিফু, বঙ্গাইগাওঁ, কৰিমগঞ্জ, কোকোৰাঝাৰ, উত্তৰ লক্ষীমপুৰ, মঙ্গলদৈ, ধুবুৰী, গোৱালপাৰা, নলবাৰী, গোলাঘাট । এই কেইখনৰ ভিতৰত ডিফু, কৰিমগঞ্জ লৈছে । গোলাঘাটৰ কাৰণে চেষ্টা কৰা হৈছে ।

**শ্ৰীকৰ্ণেন্দু ভট্টাচাৰ্য্য ঃ** শিলচরে আই, ডি, এস, এম টি স্কীম নেওয়া হৈয়েছে তা প্ৰায় ১ বৎসর হয়ে গেছে এবং এর জন্য ২৭ লক্ষ টাকাও খরচ হয়েছে । কিন্তু আজ পৰ্যন্ত এই স্কীম কেন কাৰ্য্যকরী করা হয় নি আমি মন্ত্ৰী মহোদয়ের নিকট থেকে জানতে চাই । কেন্দ্ৰীয় সরকার ১৭ লক্ষ টাকা দিয়েছে, ১৯৮৮ ইং থেকে সুদ নেওয়া হচ্ছে । তাহলে মালিনী বিলে এই স্কীম এখনো কেন কাৰ্যকরী করা হয় নি ? কেন টাউন এণ্ড কান্ট্ৰি প্লেনিং বিভাগ এখনো সেটেলমেন্ট দেন নি এবং সেটেলমেন্ট না দিয়ে কি ভাবে এই ২৭ লক্ষ টাকা খরচ করেছেন ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ তেখেত ডেভেলপমেন্ট অথৰিটিৰ চেয়াৰমেন আছিল। কি অসুবিধা হৈ আছে তেখেতে নিশ্চয় অনুভব কৰিব। সেই অসুবিধাখিনিৰ কাৰণে কাৰ্য্যকৰী হোৱা নাই।

Re : **Memorandum Of All Assam Hll Tribal Council.**

**Shri Haliram Terang asked :**

*604. Will the Minister, Welfare of Plains Tribes be pleased to state :

(a) Whether it is a fact that the All Assam Hills Tribal Council had submitted a Memorandum to the Chief Minister through a delegation on 9th September, 1987 and the same Memorandum has since been forwarded to the W.P.T. Department ?

(b) If so, What are the main demands of the said council ?

(c) When the demands will be implemented ?

**Shri Thaneswar Boro,** (Minister, Welfare of Plains Tribes etc.), replied :

(a) A delegation of the All Assam Hills Tribal council met the Chief Minister on 9th September, 1987 and a discussion was held on the Memorandum Dt. 20th May, 1987 submitted earlier. No fresh Memorandum was submitted on 9th September, 1987.

(b) The main demands in the Memorandum Dt. 20th May, 1987 are as follows :

(i) Power to issue Caste certificate.
(ii) Creation of a seperate Directorate.
(iii) Creation of Boards similar to ITDP etc. in all 13 Sub-Divisions.
(iv) Execution of 12% Reservation in services and posts.
(v) Preferencial treatment in settlement of land, contracts, permits, Fisheries etc.
(vi) Appointment of a seperate Minister for Hills Tribal Language and Culture.
(vii) Appointment of a Commission for extension of sixth schedule in Assam Plains.
(viii) Not to divide Assam.
(ix) Provide economic benefit under 20 point Programme.
(x) Enquiry to ascertain reasons for deprivation of facilities to the Hills Tribal People living in Plains.

(c) The matter is now under exmination of the government and necessary action for implementation will be initiated as

শ্ৰীহলিৰাম টেৰাং ঃ মাননীয় অধ্যক্ষ মহোদয়, দেটটো অসুদ্ধ হৈছে ৯ তাৰিখ কিন্তু লিখিত মেমোৰেনদামত আছে ২০-৫-৮৭ তাৰিখ । সেই সম্পৰ্কত বিভাগীয় কিছুমান সিদ্ধান্ত লৈছে আৰু সেইটো কেবিনেটত লবৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে, আৰু ইয়াৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হব বুলি জনাইছে । কিন্তু কেতিয়া লব, কেতিয়া কাৰ্য্যকৰী কৰিব অহা বিত্তীয় বছৰত কাৰ্য্যকৰী কৰা হব নেকি, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যিখিনি কাৰ্য্যকৰী কৰিব পাৰি এই বছৰতে কাৰ্য্যকৰী কৰিবলৈ চাম, কেইটামান পলিটিকেলত আছে আৰু কিছু সময় লব পাৰে তথাপিও এই বিষয়ে কি পাৰি চুড়ান্ত সিদ্ধান্ত লোৱা হব ।

**Re. National Highway Passing Through Mangaldoi Town.**

**Shri ABDUL JABBAR,** Asked :

* 605. Will the Minister, P.W.D. be pleased to state :

(a) Whether the Government has any plan to divert the National Highway passing through Mangaldoi town ?

(b) If yes, please furnish the plan if prepared already ?

**শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয় আছে ।

(খ) নক্সা গাঠি দিয়া হৈছে ।

**Re. K.P. Road And S.M.D. Road**

**Shri Digendra Purkayastha,** asked :

* 606. Will the Minister, P.W.D. be pleased to State :

(a) Is it a fact that the K.P. road and S.M.D. road under Silchar P.W.D. (roads Division remain suspended for any sort of vehicular traffic during the rainy season every year ?

(b) If so, will the Government take early steps to improve the road so that playing of vehicles are not disturbed during rainy season.

**শ্ৰীঅতুল বৰা, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৰাস্তা কেইটাৰ উচ্চতা কম হোৱাৰ বাবে অতিপাত বৰষুণত কেতিয়াবা কেতিয়াবা ৰাস্তা বন্ধ থকা কথা সঁচা ।

(খ) পৰ্য্যপ্ত পৰিমানৰ পুঁজি যোগাৰ হলেই উন্নয়ণৰ কাম হাতত লোৱা হ'ব ।

**আব্দুল জব্বৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, নেচনেল হাইওৱেটো মঙ্গলদৈ টাউনৰ উত্তৰ ফালে যাব নে দক্ষিন ফালে যাব, আৰু কেতিয়া কাম আৰম্ভ কৰা হব ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে

5A

INDEX MAP SHOWING DIVERSION ON NORTH & SOUTH.

11-5-88



চৰকাৰক জনোৱা হৈছিল। কোন ফালে নিব লাগে এইটো পৰীক্ষা কৰাৰ কাৰণে আমি জনোৱা হৈছিল। কথা হ'ল এতিয়া উত্তৰ ফালে যোৱাটোকে সিদ্ধান্ত লৈছে, কিন্তু ৰাইজে দাবী কৰিছে দক্ষিণফালে যাব লাগে। ৰাইজে যদি দাবীয়েই কৰি থাকে তেনেহলে 'ডাইভাৰচন' দেৰি হৈ যাব। কেতিয়া কাৰ্য্যকৰী কৰা হব কব নোৱাৰি।

**শ্ৰীচিলভিয়াচ কন্দপান** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ডাইভাৰচন প্ৰকৃততে গড়.কাপ্তানী বিভাগৰে সমস্যা নহয়, এইটো বান নিয়ন্ত্ৰণ বিভাগৰো সমস্যা। এই ডাইভাৰচন যদি কৰা হয় তেতিয়াহলে বহু টকাৰ আৱশ্যক হব। মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে দুয়োটা বিভাগে লগ হৈ, আলোচনা কৰি কিমান টকা প্ৰয়োজন হব, তেওঁলোকে ষ্টেট লেভেলতে কাৰ্য্যকৰী কৰিব পাৰি নেকি বিবেচনা কৰিবনে ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে কি ব্যবস্থা লোৱা হয় বা লব পাৰি দুয়োটা বিভাগৰ বিষয়া সকলক কোৱা হৈছে। দক্ষিন ফালে যদি বাননিয়ন্ত্ৰণ বিভাগে এটা বান্ধ দিয়ে তেতিয়াহলে সেইফালে নেচনেল হাইওৱে নহলেও হব। কিন্তু উক্ত বিভাগৰ মুৰব্বী বিষয়া সকলে সেইফালে বান্ধ দিয়াটোত অসুবিধা আছে বুলি জনাইছে। গতিকে দক্ষিণ ফালে বান্ধ দিয়াটো সম্ভৱ নহয় যেন অনুমান হয়।

**Shri Digendra Purkayastha** : Sir, I am repeating this particular question again and again in this Assembly and no remarkable improvement has been made so far. This roads are passing through the areas inhabited by 70,000 people. Over and above these include three GPs and this has become a headache of the local authorities of the PWD Department. So, may I request the Hon'ble Minister to place special fund for improvement of the said roads ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা ওখ কৰি বানপানীৰ পৰা ৰক্ষা কৰিবৰ কাৰণে আৰু বাৰিষা বন্ধ নোহোৱাকৈ ৰাখিবৰ হলে ১২ লাখ মান টকা লাগিব। মই প্ৰশ্নোত্তৰত সদায়েই কৈ আহিছো যে, দাবী সদায়েই বাঢ়ি গৈছে, দাবী বহুত আহিছে কিন্তু সেইদৰে 'এল'কেশ্বন' হোৱা নাই। তেখেতে এতিয়া 'স্পেচিয়েল ফাণ্ড' বুলি যিটো কথা কৈছে, সেইটো কৰ পৰা আহিব। এইখিনি কোনোবা এলেকাৰ পৰা আনি দিলেহে হব। সি যি কি নহওঁক মাননীয় সদস্যজনে কৈছে যেতিয়া সেইটো বিবেচনা কৰি চাম।

**আব্দুল জব্বৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মঙ্গলদৈ টাউনত এখন দলং আছে যিখন নেকি 'ওৱান ওৱেৰ' হৈয়ে আছে, এখন গাড়ী পাৰ হলে অন্যএখন গাড়ী আহিব নোৱাৰে, ৰৈ থাকিব লগীয়া হয়। গতিকে তেনেকুৱা অৱস্থাৰ যিখিনিলাক দলং আছে, পকী দলং আছে ডাইভাৰচন কৰাৰ আগতে এই বিলাকৰ সুবিধা কৰি দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ডাইভাৰচনৰ কথাহে আহিছে, দলংৰ একো কাম নকৰাই ভাল। অলটাৰনেটিভ কৰাটো সম্ভৱ নহয়।

**শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি বহু বছৰ মঙ্গলদৈ ৰাইজে ৰাস্তা নাই দলং নাই বুলি কৈ আহিছে। এতিয়া কথা হ'ল নেচনেল হাইওৱেটো উত্তৰ ফালেই হওক বা দক্ষিন ফালেই হওঁক এই বছৰতে কৰাৰ কাৰণে কিবা ব্যৱস্থা কৰিবনে ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত কেতিয়াবাই কৈ দিছো। ৰাইজৰ কথাৰ মতেই মই দিল্লীলৈ ২-৩ খন চিঠি দিছো। উত্তৰ নিগেটিভ হৈ আছে। কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ পালেই কাম আৰম্ভ কৰিব পৰা হব।

**শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে, কাৰিকৰী দিশৰ পৰাই উত্তৰ ফালে কৰিলে 'ফিজিবুল' হব বুলি কৈছে, তেন্তে কাম আৰম্ভ কৰি দিয়ক।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাইজৰ কথাও চিন্তা কৰিব লগীয়া হৈছে , উত্তৰ ফালে নেচনেল হাইওৱে গলে মঙ্গল টাউনখন সম্প্ৰসাৰণ কৰিব পাৰি, টাউন খন আহল বহল হয়। কিন্তু ৰাইজৰ ঘৰদুৱাৰ বহুতো ভাঙিব লগীয়া হব। দক্ষিন ফালে মথাউৰিটো গলে মোটামুটি এটা ৰাস্তাৰ কাম কৰিব। মঙ্গলদৈ টাউনখন সম্প্ৰসাৰণ কৰাত সহায় কৰিব। সেই ক্ষেত্ৰত ৰাইজৰ যুতি নাই বুলি কব খোজা নাই, কিন্তু দক্ষিন ফালে মথাউৰি দিয়াটোত কাৰিকৰী দিশত অনুপযুক্ত বুলি কোৱা হৈছে। এতিয়া কথা হ'ল, উত্তৰ ফালেই হওঁক বা দক্ষিণ ফালেই হওঁক যোৱা বছৰতেই কাম আৰম্ভ হ'ল হেতেন এই বিলাক খেলি-মেলি কাৰণতেই কামটো বন্ধ হৈ আছে।

---

Re. **Total Alocation Made For Pasmafap Scheme.**

**Shri Ramendra De,** asked.

* 607. Will the Minister, Agriculture be pleased to state :

(a) The total allocation made for the PASMAFAP Scheme for the State ?

(b) The allocation for Karimganj and the number of schemes taken ? (furnish name)

(c) Names of of the blocks under Karimganj in which such schemes were taken and the total area covered by these schemes ?

(a) The total allocation made for the State under the Centrally sponsored scheme on PASMAFAP is as follows :-

| Year | Central Share | State Share | Total |
|---|---|---|---|
| 1987-88 | Rs.176.88 lakhs | Rs.176.88 lakhs | Rs.353.76 lakhs |

(b) componentwise allocations for karimganj for the year 1987-88 are as follows :-

| Sl. No. | Component | Allocation for Karimganj |
|---|---|---|
| 1. | Minor Irrigation (Installation of Shallow tube well & Low Lift Pump) | Rs. 9.24 lakhs |
| 2. | Land Development | Rs. 2.62 lakhs. |
| 3. | Minikit distribution | Rs. 1.32 Lakhs. |

5 (five) numbers of land development schemes have been taken up, one in each development block.

The required information are furnished in the table below :-

| Sl. No. | Name of the block in which land development works were taken up in 1987-88. | Area identified in the year 1987-88. |
|---|---|---|
| 1. | Patherkandi Development Block | 74 Ha. |
| 2. | Ramkrishnanagar Development Block. | 40 Ha. |
| 3. | Badarpur Development Block | 65 Ha. |
| 4. | North Karimganj Development Block. | 87 Ha. |
| 5. | South Karimganj Development Block. | 928 Ha. |

**Shri Ramendra De** : Mr. Speaker, Sir, so far as I know the major portion of the allocation have been misused by the department itself and regarding Karimganj I ask a very simple question, whether the Government is in a position to furnish five names of mini-kit beneficiaries from each block ?

**Shri Padmeswar Doley (Minister)** : Kindly repeat.

**শ্রীরামেন্দ্র দে** ঃ পাসমাকাপ'র আওতায় কোন্ কোন্ ব্লকে ১৯৮৭-৮৮ ইংতে মিনি কিট্স দিয়েছেন ?

দ্বিতীয়তঃ শেলো টিউবওয়েল কোন কোন জি, পি'তে বসেছে ? সারা রাজ্যের অন্ততঃ ৫ টা ব্লকের নাম মন্ত্রী মহাশয় বলতে পারবেন কি ?

**শ্ৰীপদ্মেশ্বৰ দলে (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যি প্ৰশ্ন কৰিছে তাৰ 'ডিটেইলছ' এতিয়া মোৰ হাতত নাই। ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

**শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, পাছ টা ব্লকত পাছটা আচঁনি লোৱা বুলি কৈছে। কোনটো ঠাইত কি আচঁনি লৈছে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

**শ্ৰীপদ্মেশ্বৰ দলে (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা নিৰীক্ষা কৰি চাব লাগিব। মই 'ডিটেইলছ' অনা নাই। পিছত মই দিব পাৰিম।

(সদনত অলপ হুলুস্থুল হয় -- একো শুনা নাযায় )

---

Re : **Wooden Bridge at Dubapara Over River Jinary.**

**Shri Maziruddin Ahmed,** asked

* 608. Will the Minister, P.W.D. be pleased to State :

(a) Whether the government is aware that every year during the flood time both ends of the wooden bridge at Dubapara over river Jinary under Goalpara P.S. remaining submarged causing disruption of vehicular traffic and inconvenience to pedestrians ?

(b) If so, will the Government raise the road on both sides of the bridge within June next ?

**শ্ৰীঅতুল বৰা** ঃ গড.কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে

(ক) হয় চৰকাৰ অবগত।

(খ) আৱশ্যকীয় পৰিমানৰ পুঁজি যোগাৰ হলেই বিহিত ব্যৱস্থা হাতত লোৱা হব।

**শ্ৰীমছিৰুদ্দিন আহমেদ** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাৰিষাৰ সময়ত পুলটোন দুয়োপাৰে পানীত ডুব গৈ থাকে। এই ৰাস্তাইদি যথেষ্ট মানুহ আৰু গাড়ী মটৰ আদি অহা যোৱা কৰে। সেই ফালৰ পৰা মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে, টকা যিহেতু ইমান নেলাগিব, গতিকে এই বছৰৰ ভিতৰতে এই দলংখনৰ দুয়োকাষ ওখ কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো কৰিবৰ কাৰণে দলংখন আৰু ২৪ মিটাৰ দীঘলীয়া কৰিব লাগিব। তাৰ কাৰণে আনুমানিক খৰছ পৰিব প্ৰায় ৪ লাখ মান।

**শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, দলং ওখ কৰিব নালাগে, ৰাস্তাহে ওখ কৰাৰ প্ৰশ্ন আছে।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা ওখ কৰি দিলে পানীয়ে দলংখন ভাঙিব। উটাই লৈ যাব। গতিকেই দলংখন দীঘলীয়া কৰিব লাগিব। কাৰিকৰী দিশৰ পৰা দলংখন ২৪ মিটাৰ দীঘলীয়া কৰিব লাগিব। ইয়াৰ কাৰণে প্ৰায় ৪ লাখ মান টকা লাগিব। নকৰিলেও উপায় নাই, কিবা এটা কৰিব পাৰি নেকি চাম।

বিষয় ঃ **দলং সজাত মাটি অধিগ্ৰহণ**

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

*৬০৯। মাননীয় গড়.কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মাৰ্ঘেৰিটাৰ বুঢ়ীদিহিং দলং খন সাজোতে কোন কোন চাহ বাগিচাৰ মাটি আৰু কিমান ব্যক্তিগত মানুহৰ মাটি অধিগ্ৰহন কৰা হৈছিল ?

(খ) আজিলৈকে কিমানজন মানুহক আৰু চাহ বাগিছাক উক্ত অধিগ্ৰহন কৰা মাটি বাৰী কিমান শতাংশ ক্ষতিপূৰণ দিয়া হৈছে ?

**শ্ৰীঅতুল বৰা, (গড়.কাপ্তানী বিভাগৰ মন্ত্ৰী)** য়ে উত্তৰ দিছে ঃ

(ক) মাৰ্ঘেৰিটাৰ বুঢ়ীদিহিং দলংখন নিৰ্মান কৰোতে মাকুম চাহ বাগিছা আৰু ২৩ জন মানুহৰ ব্যক্তিগত মাটি অধিগ্ৰহন কৰা হয়। ইয়াৰ উপৰিও এঃ আৰঃ চিঃ নামৰ কোম্পানী এটাৰ পৰাও অধিগ্ৰহন কৰা হয়।

(খ) বৰ্ত্তমানলৈকে সকলোকে ৫০ শতাংশ ক্ষতিপূৰন দিয়া হৈছে।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২৩ টা পৰিয়ালক ২৫ শতাংশহে দিয়া হৈছে বাকী খিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা ৰাষ্ট্ৰীয় পথ। গতিকে ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিব। যিমান সোনকালে পাৰি কৰিবলৈ চেষ্টা কৰিম।

**শ্ৰীকুল বাহাদুৰ চেত্ৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৩ টা পৰিয়ালক ক্ষতিপুৰণ দিওঁতে ইমান দেৰি কিয় হৈছে ? সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰা হব।

বিষয় ঃ **কাজিৰঙাৰ জীৱ-জন্তু**

**শ্ৰীপদ্ম নাথ কৈৱীয়ে সুধিছে ঃ**

*৬১০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ১৯৮৭ চনৰ বানপানীত কাজিৰঙা অভয়াৰণ্যৰ পৰা কিমান জীৱ-জন্তু পানীত উটি গৈ প্ৰাণ হেৰুৱালে তাৰ হিচাব আছেনে ?

(খ) বানপানীৰ পৰা জীৱ-জন্তু ৰক্ষা কৰিবৰ বাবে চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা লৈছে জনাবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ**

(ক) হয় যোৱা ১৯৮৭ চনৰ বানপানীত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বিভিন্ন শ্ৰেণীৰ মুঠ ৯৪৩ টা জীৱ-জন্তু পানীত উটি গৈ মৃত্যু হয়। শ্ৰেণীভেদে জীৱ-জন্তুৰ মৃত্যুৰ সংখ্যা হ'ল -

| | |
|---|---|
| ১। ছাগলী পহু | ৮১৭ টা |
| ২। দল হৰিন | ৩৩ টা |
| ৩। শৰ পহু | ৯ টা |
| ৪। বনৰীয়া গাহৰি | ৭৬ টা |
| ৫। গড় | ৩ টা |
| ৬। কেটেলা পহু | ১ টা |
| ৭। অজগৰ এটা | ১ টা |
| ৮। সুগৰি পহু | ১ টা |
| ৯। নল গাহৰি | ২ টা |
| মুঠ | ৯৪৩ টা |

(খ) প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত বন্যপ্ৰানীৰ যি ক্ষতি হয়, তাৰ কাৰণে বন বিভাগৰ পৰা প্ৰতিৰোধৰ কাৰণে কোনো বিশেষ চেষ্টা কৰা নহয় যদিও বছৰেকীয়া বানপানী এটা প্ৰাকৃতিক দুৰ্য্যোগ বিশেষ, তথাপি এই বানপানীৰ কবলৰ পৰা বন্য প্ৰানীক অলপ সকাহ দিবৰ বাবে কাজিৰঙাৰ বিভিন্ন অঞ্চলবোৰত মাটি উঠাই ওখ টিপ সজোৱাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰিও বাট বিলাকত মাটি উঠাই বানপানীৰ সময়ত হোৱা পানীৰ সৰ্বাধিক উচ্চতাৰ ওপৰত উঠুৱা হৈ আছে। পুঁজিৰ নাটনিৰ কাৰণে কামবোৰ পৰ্য্যায়ক্ৰমে কৰি থকা হৈছে। লগতে বান পানীৰ সময়ত উটি যোৱা বন্যপ্ৰাণী বিলাকক উদ্ধাৰ আৰু ৰক্ষনাবেক্ষন দিয়াৰ যথাসাধ্য ব্যৱস্থা লোৱা হয়।

**শ্ৰীপদ্ম নাথ কৈৱী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদিও বানপানীৰ পৰা ৰক্ষা পাবৰ কাৰণে কাজিৰঙাত ওখ মাটিৰ ব্যৱস্থা কৰিছে তথাপিও বানপানীৰ সময়ত বহুতো জীৱ-জন্তু বিভিন্ন অঞ্চললৈ উটি যায়। মই এই ক্ষেত্ৰত কব খোজো কাজিৰঙাৰ বনাঞ্চলত বানপানীৰ ফলত পানপুৰ অঞ্চলেদি বহুতো জীৱ-জন্তু উটি গৈ বিভিন্ন অঞ্চলত সোমায় আৰু মানুহে এইবোৰ ধৰি মাৰি খায়। মই চৰকাৰক এটা পৰামৰ্শ দিব খোজো যে আন সময়ত নহলেও বানপানীৰ সময়ত উটি যোৱা জীৱ-জন্তুবোৰৰ ওপৰত নজৰ ৰাখিবলৈ বা তেওঁলোকক ঠিক ঠাইলৈ ঘুৰাই আনিবৰ কাৰণে কিছুমান

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত মই কব খোজো যে বন বিভাগৰ যি বনৰক্ষী বাহিনী আছে তেওঁলোকেই এই কাম কৰে। সাধাৰণতে দেখা যায় যে স্কুলীয়া ল'ৰা ছোৱালীয়েই বানত উটি অহা জন্তু বিলাকক ঘুৰাই দিয়াত সহায় কৰে কিন্তু ডাঙৰ সকলে এনে জন্তু মাৰি খায়। এই বিষয়ত আমাৰ জনসাধাৰণৰ দায়িত্বও উলাই কৰিব নোৱাৰি। সকলোৱেই এই ক্ষেত্ৰত বিভাগক সহায় কৰিব লাগে।

Re. : **Appointment Of Labour Welfare Officer.**

**Shri Monilal Gowala,** asked :

* 611. Will the Minister of Labour and Employment be pleased to state :

(a) The rule for appointing Labour Welfare Officer in Tea Gardens ?

(b) Whether the Government is in receipt of any application from the Isabheel Tea Garden (Karimganj District) for the said post ?

(c) If so what is the action taken ?

**শ্ৰীবাকী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইনৰ ৪৩ ধাৰাৰ অন্তৰ্গত অসম চৰকাৰে এই বিভাগৰ অধিসূচনা নং জি, এল, আৰ, ১৪৬।৭৫।৯৪ তাং ১৮-৫-৭৭ মৰ্মে প্ৰকাশ কৰা বাগিছা (কল্যাণ বিষয়া) অসম নিয়মাবলী ১৯৭৭ চন আৰু শ্ৰম বিভাগৰ পৰৱৰ্ত্তী অধিসূচনা নং জি, এল, আৰ, (আৰ চি) ৪২।৮৩।১৫৮ তাং ৫-৮-৮৪ৰ সংশোধনী নিয়মাৱলী মতে বাগিছা কৰ্ত্তৃপক্ষই কল্যাণ বিষয়া নিযুক্তি দিয়ে।

(খ) কৰিমগঞ্জৰ ইচাবেল (ISABHEEL T.E.) চাহ বাগিছাৰ শ্ৰম কল্যাণ বিষয়া পদৰ নিযুক্তিৰ কাৰণে কোনো আবেদন চৰকাৰৰ এতিয়ালৈ দৃষ্টিগোচৰ হোৱা নাই আৰু পোৱাৰ প্ৰশ্নও উঠিব নোৱাৰে, যিহেতু শ্ৰম কল্যাণ বিষয়াৰ নিযুক্তি বাগিছা কৰ্ত্তৃপক্ষইহে নিয়ম অনুযায়ী দিব পাৰে।

(গ) প্ৰশ্ন নুঠে।

Shri Monilal Gowala : May I know from the Minister, Labour what are the duties of a Welfare Officer ?

**শ্ৰীবাকী প্ৰসাদ টেলেঙ্গা, (শ্ৰম মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিয়মাবলী সদনৰ মেজত ৰখা হৈছে মাননীয় সদস্য গৰাকীয়ে চাব পাৰে।

**Shri Monilal Gowala** : If the Tea Estate management fails to implement the instructions of the Government what action Government can take ?

**শ্ৰীবাকী প্ৰসাদ টেলেঙ্গা, (শ্ৰম মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়ে প্ৰথম দোষৰ কাৰণে ৩ মাহ কাৰাবাস বা ৫০০ টকা জৰিমনা বা দুয়োটাই, দ্বিতীয় দোষৰ কাৰণে ৬ মাহ কাৰাবাস বা এহেজাৰ টকা জৰিমনা বা দুয়োটাই কৰিব পাৰি ।

**Shri Altaf Hussain Mazumdar** : Will the Minister, Labour kindly tell us is it not obligatory on the part of the Welfare Officer to submit certain statements to the Government of Assam ? If so, has the Government been receiving the statements of Isabeel Tea Estate from the Welfare Officer ? If not, what action Government has taken or will be taking ?

**শ্ৰীবাকী প্ৰসাদ টেলেঙ্গা, (শ্ৰম মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইছাবেল বাগানৰ ওৱেলফেয়াৰ বিষয়াৰ সন্দৰ্ভত কোনো আপত্তি বিভাগে পোৱা নাই । ওৱেলফেয়াৰ অফিচাৰ বাগান কৰ্তৃপক্ষই নিজাকৈ লয় । এই সন্দৰ্ভত কিবা আপত্তি পালে চাব পৰা হব ।

**Shri Altaf Hussain Mazumdar** : My question is not that. My question is, has the Government received the statutory statements which are to be sent to the Government of Assam ? Has the Government received the statements from Isabeel Tea Garden ?

**শ্ৰীবাকী প্ৰসাদ টেলেঙ্গা, (শ্ৰম মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এনে কোনো অভিযোগ পোৱা নাই ।

বিষয় ঃ **নগাওঁ পশ্চিম গড.কাপ্তকানী সংমণ্ডল কা.ৰ্য্যালয়** ।

**শ্ৰীআব্দুল জলিলে সুধিছে ঃ**

৬১২৷ মাননীয় গড.কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কনি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ নগাওঁ পশ্চিম গড.কাপ্তানী সংমণ্ডল কাৰ্য্যালয়টো কোন সংমণ্ডলত অবস্থিত ?

(খ) প্ৰশাসনৰ সুবিধাৰ কাৰণে, গড.কাপ্তানী বিভাগৰ পশ্চিম নগাওঁ সংমণ্ডলটো মৰিগাওঁত স্থাপন কৰিবনে ?

(গ) এইটো সচানে যে মৰিগাওঁ, নগাওঁ পশ্চিম সংমণ্ডলৰ সোমাজত আৰ মৰিগাওঁ মহকমাৰ ৰাস্তা নগাওঁ মহকমাতকৈ বহুত বেছি ?

শ্ৰীঅতুল বৰা, (গড়.কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ গড়.কাপ্তানী পশ্চিম সংমণ্ডলটো নগাওঁ জিলাৰ সদৰ ঠাই নগাওঁত অৱস্থিত আৰু নগাওঁ গড়.কাপ্তানী পথ মণ্ডলৰ অন্তৰ্গত ।

(খ) এনে ধৰনৰ কোনো প্ৰস্তাব বৰ্ত্তমানৰ চৰকাৰে বিবেচনা কৰা নাই ।

(গ) মৰিগাওঁ, নগাওঁ গড়.কাপ্তানী পশ্চিম সংমণ্ডলৰ প্ৰায় মধ্যস্থলত আৰু নগাওঁ গড়.কাপ্তানী পশ্চিম সংমণ্ডলৰ অধীনত, মৰিগাওঁ মহকুমাৰ ৰাস্তাৰ মুঠ দৈৰ্ঘ্য নগাওঁ মহকুমাৰ ৰাস্তাৰ দৈৰ্ঘ্যতকৈ বেছি ।

বিষয় ঃ **দৈয়াং বনাঞ্চলৰ আমগুৰি ৰিজাৰ্ভত বে-আইনীভাৱে কাঠ কটা ।**

**বিধায়ক শ্ৰীদেৱেশ্বৰ বৰায়ে সুধিছে ঃ**

৬১৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট বন সংমণ্ডলৰ অধীনৰ দৈয়াং বনাঞ্চলৰ জামুগুৰি আঞ্চলিক বন কাৰ্য্যালয়ৰ তত্বাৱধানত থকা আমগুৰি ৰিজাৰ্ভত কোনো লোকে বে-আইনীভাৱে গছ কাটি ধ্বংশ কৰাটো সঁচানে ?

(খ) যদি সচা যি সকল বন বিষয়া ইয়াৰ লগত জড়িত তেওঁলোকৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) জামগুৰি আঞ্চলিক বন বিষয়াজনৰ বন বিষয়া হিচাবে কিমান বছৰ ইয়াত আছে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) গোলাঘাট বন সংমণ্ডলৰ অধীনৰ দৈয়াং বনাঞ্চলৰ অন্তৰ্গত জামুগুৰি ৰিজাৰ্ভত বে-দখলকাৰীয়ে বে-আইনীভাৱে গছ-গছনি কাতি ধ্বংশ কৰাটো সঁচা ।

(খ) অবৈধভাৱে গছ কটাত কোনো বন বিষয়া জড়িত হোৱাৰ কোনো অভিযোগ পোৱা নাই । গতিকে তোওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে ।

(গ) জামগুৰি আঞ্চলিক বন বিষয়াজন বন বিষয়া হিচাবে যোৱা ২১-৬-৮৩ তাৰিখৰ পৰা কাম কৰি আছে ।

শ্ৰীদেৱেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, দৈয়াং বনাঞ্চলৰ

জনৰ হেমাহিৰ কাৰণেই এইবোৰ হবলৈ পাইছে। এই বিষয়াজন তাত ২১-৬-৮৩ তাৰিখৰ পৰাই আছে। ইতিমধ্যে ৫ বছৰ হৈ গৈছে। তেওঁক বদলি কৰিবৰ কাৰণে বন বিভাগৰ সচিব আৰু চি, চি, এফক মই লগ ধৰি কৈছো কিন্তু কামত অহা নাই। ৰাজহুৱা স্বাৰ্থৰ খাতিৰত আৰু স্থানীয় বিধায়ক হিচাবে মই কেইবাবাৰো মৌখিক ভাবে বিষয়া জনক বদলিৰ কাৰণে কোৱা স্বত্বেও কোনো কামত অহা নাই। মুখ্যমন্ত্ৰীয়ে এই বিষয়টোৰ প্ৰতি দৃষ্টিপাত কৰিবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়া বদলি কৰণ আৰু স্থগিত কৰণ এটা বৰ ডাঙৰ সমস্যা। কোনোবাই বদলি কৰিব বিচাৰে, কোনোবাই স্থগিত কৰিব বিচাৰে এই বিষয়ত বিধায়কজনৰ পৰা লিখিত ভাৱে পালে ব্যৱস্থা লব পৰা হব।

Re. **Badarpur Adarkona Road.**

**Shri RAMENDRA DEY,** asked :

* 614. Will the Minister P.W.D. be pleased to state :

(a) Whether Government will take any step to improve the Badarpur Adarkona road under Cachar division, Silchar which have been damaged due to the heavy traffic of O.N.G.C. and H.P.C. ?

(b) The amount sanctioned by the department to maintain and improve the road under A.R. and F.D.R. grant during the year 1983 to 1988 ?

**শ্ৰীঅতুল বৰা (গড.কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অ, এন, জি, চি, গাড়ীৰ অত্যাধিক চলাচলৰ বাবে ৰাস্তা নষ্ট হোৱা হেতুকে যুগ্মভাৱে এই ৰাস্তা ঠিক কৰাৰ কথা বিবেচনা কৰি থকা হৈছে।

(খ) সাধাৰণ আৰু বান বিধ্বস্ত মেৰামতি শিতানত কোনো মঞ্জুৰী ৰাস্তা হিচাবে দিয়া নহয়।

**শ্ৰীৰামেন্দ্ৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, দিয়া হৈছে। ১৯৮৫ চনত ৯ লাখ টকা দিয়া হৈছে। ১৯৮৬-৮৭ চনত ভালেকিছুমান পইছা দিয়া হৈছে। মন্ত্ৰী মহোদয়ে বিৰ উত্তৰত পইছা দিয়া নাই বুলি কৈছে. কিন্তু দিছে খৰছ হোৱা নাই। গতিকে কিয় খৰছ হোৱা নাই জনাবনে ?

**শ্ৰীঅতুল বৰা, (গড.কাপ্তানী মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই (খ) ৰ উত্তৰত কৈছো সাধাৰণ আৰু বান বিধ্বস্ত মেৰামতি শিতানত কোনো মঞ্জুৰী ৰাস্তা হিচাবে দিয়া নহয় বুলি কৈছো।

**শ্ৰীৰামেন্দ্ৰ দে** ঃ তাত কিছু পইছা দিয়া হৈছিল, পইছা খৰচ হোৱা

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** এফ দি আৰ বা এপিত ৰাস্তা হিচাবে দিয়া নহয়। গতিকে এই পাৰ্টিকুলাৰ ৰাস্তাটোত খৰছ কৰিছে নে নাই কব নোৱাৰো।

**শ্ৰীৰামেন্দ্ৰ দে ঃ** পাৰ্টিকুলাৰ ৰাস্তাতে দিছে ?

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** আপুনি ৰাস্তাটোৰ নাম কওঁক তেতিয়া মই চাব পাৰিম।

**শ্ৰীৰমেন্দ্ৰ দে ঃ** ৰাস্তাটোৰ নাম বদৰপুৰ আদাৰকনা ৰোড।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বদৰপুৰ আদাৰকনা যিটো ৰাষ্টাৰ কথা কৈছে সেইটোত ও, এন, জি, চিৰ গাড়ী চলাচল কৰা বাবে ৰস্তাটো নষ্ট হোৱা বুলি উত্তৰত কৈছো। সেই ৰাস্তাটো ঠিক কৰিবৰ কাৰণে যুগ্মভাবে বিবেচনা কৰি থকা হৈছে। কিন্তু তেখেতে কোৱাৰ নিচিনা এফ দি আৰ ৰাস্তা হিচাবে দিয়া নহয়। তেখেতৰ প্ৰশ্ন আছিল এই ৰাস্তাটোত কিমান টকা দিয়া হৈছিল কিন্তু ৰাস্তা হিচাবে দিয়া নহয় বুলি কৈছো তাত কি খৰছ কৰিছে নে নাই অনুসন্ধান কৰি চাব পৰা হব।

**শ্ৰীজয় নাথ শৰ্মা ঃ** প্ৰশ্নকৰ্ত্তাই প্ৰশ্ন কৰিছে যে ও, এন, জি, চি আৰু এইচ, পি, চিৰ গাড়ী চলাচল কৰা কাৰণে ৰাস্তা বেয়া হৈছে, তাত বানপানী হোৱা নাই। যদি বানপানী হোৱাই নাই তাত কিয় এফ ডি আৰৰ টকা দিছে, বানপানী হোৱা ঠাইতে দিব পৰা নাই।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** যিবিলাক ৰাস্তাত ও, এন জি, চিৰ গাড়ী চলে যেনে শিবসাগৰ আদি ঠাইত সেই বিলাকত ও, এন জি, চিয়ে শতকৰা ৬০ ভাগ আৰু আমাৰ ফালৰ পৰা শতকৰা ৪০ ভাগ দি ৰাস্তা মেৰামতি কৰা হয়। কিছুমান ৰাস্তাত শতকৰা ভাগতে খৰচ কৰে। গতিকে শতকৰা ৪০ ভাগ খৰছ কৰা আমাৰ দায়িত্ব আছে। সাধাৰণতে বাৰিষা কালত গাড়ী চলাচল কম হলেও অসমৰ ৰাস্তাবোৰ দেমেজ হয় লাগিলে ৰাস্তাৰ ওপৰেৰে পানী বাগৰিয়েই নাযাওক গতিকে তেনেকুৱা অৱস্থাত ৰাস্তা মেৰামতি কৰিব লাগিব পাৰে।

**Shri Altaf Hussain Mazumdar** : May I draw the attention of the Hon'ble Minister that the problem is otherwise. Not only in Karimganj division, but also in Silchar Division, certain roads have deteriorated like the said one because of plying of ONGC heavy vehicles. We took up with the ONGC authorities but local PWD officers are feeling shy about it. Will the Hon'ble Minister should take up with the ONGC that their heavy vehicles are flying regularly causing damage to the roads ? they should, therefore, contribute for the repairing of those specific roads.

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ও, এন, জি, চিৰ লগত

দিছে, আলোচনাৰ কাৰণে এটা তাৰিখ বিচাৰিছে । শিলচৰৰ ৰাস্তা বিলাকৰ কাৰণে ।

বিষয় ঃ **তিনিচুকীয়া মহকুমাত চাহ বাগিছা**

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

*৬১৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া মহকুমাত ১০০ একৰ তলত কিমান চাহ বাগিছা আছে ?

(খ) এই চাহ বাগিছাবোৰত মজদুৰ সকলক শ্ৰম আইনৰ নিৰিখ অনুসৰি নিম্নতম মজুৰী দি আছে নে আৰু শ্ৰম আইনত থকা অন্যান্য সা-সুবিধা কি কি দি আছে ?

(গ) যদি দিয়া নাই তেন্তে শ্ৰম বিভাগে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ?

**শ্ৰীৰ্বাকী প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৩৮ খন বাগিছা ইতিমধ্যে চিনাক্ত কৰণ কৰা হৈছে ।

(খ) চাহ বাগিছাত মজুৰীৰ সন্দৰ্ভত হোৱা দ্বি-পাক্ষিক চুক্তি অনুসৰি ৪ খন বাগিছাত মজুৰী দিয়া হৈ আছে । শ্ৰম আইনৰ অধীনত অন্য সা-সুবিধা দিয়া হোৱা নাই ।

(গ) সমীক্ষা কৰি থকা হৈছে । সমীক্ষা শেষ হোৱাৰ পিচত আইনগত ব্যৱস্থা লব লগীয়া হব নে নহয় সেইটো বিচাৰ কৰি চোৱা হ'ব ।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ** ঃ চাৰ (ক) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছে যে ৩৮খন চাহ বাগিছা, এইটো সত্য নহয় । গতিকে এইটো ভালকৈ চাই চিতি এই বিষয়ে সঠিক তথ্য সংগ্ৰহ কৰি উত্তৰটো পৰবৰ্ত্তী অধিবেশনত দিব বুলি আশা কৰিলো । মোৰ দ্বিতীয় প্ৰশ্ন হ'ল শ্ৰম আইন

দিছে, আলোচনাৰ কাৰণে এটা তাৰিখ বিচাৰিছে । শিলচৰৰ ৰাস্তা বিলাকৰ কাৰণে ।

বিষয় ঃ **তিনিচুকীয়া মহকুমাত চাহ বাগিছা**

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

*৬১৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া মহকুমাত ১০০ একৰ তলত কিমান চাহ বাগিছা আছে ?

(খ) এই চাহ বাগিছাবোৰত মজদুৰ সকলক শ্ৰম আইনৰ নিৰিখ অনুসৰি নিম্নতম মজুৰী দি আছে নে আৰু শ্ৰম আইনত থকা অন্যান্য সা-সুবিধা কি কি দি আছে ?

(গ) যদি দিয়া নাই তেন্তে শ্ৰম বিভাগে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ?

**শ্ৰীবাকী প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৩৮ খন বাগিছা ইতিমধ্যে চিনাক্ত কৰা হৈছে ।

(খ) চাহ বাগিছাত মজুৰীৰ সন্দৰ্ভত হোৱা দ্বি-পাক্ষিক চুক্তি অনুসৰি ৪ খন বাগিছাত মজুৰী দিয়া হৈ আছে । শ্ৰম আইনৰ অধীনত অন্য সা-সুবিধা দিয়া হোৱা নাই ।

(গ) সমীক্ষা কৰি থকা হৈছে. সমীক্ষা শেষ হোৱাৰ পিচত আইনগত ব্যৱস্থা লব লগীয়া হব নে নহয় সেইটো বিচাৰ কৰি চোৱা হ'ব ।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ** ঃ চাৰ (ক) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছে যে ৩৮খন চাহ বাগিছা, এইটো সত্য নহয় । গতিকে এইটো ভালকৈ চাই চিতি এই বিষয়ে সঠিক তথ্য সংগ্ৰহ কৰি উত্তৰটো পৰৱৰ্ত্তী অধিবেশনত দিব বুলি আশা কৰিলো । মোৰ দ্বিতীয় প্ৰশ্ন হ'ল শ্ৰম আইন অনুসৰি এই কেইখন বাগিছাক নিম্নতম মঞ্জুৰীৰ ক্ষেত্ৰত কিয় চুব পৰা নাই ?

**শ্ৰীবাকী প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই প্ৰশ্নটোৰ আৰম্ভনিতে কৈছিলো যে ইতিমধ্যে ৩৮খন বাগিছাক চিনাক্তকৰণ কৰা হৈছে, বাগিছা বেছি আছে চৰকাৰৰ দৃষ্টিত ৩৮খন ইতিমধ্যে হৈছে কিন্তু কিছুমান বাগিছাত অসুবিধাও আছে । ট্ৰেড ইউনিয়ন থাকিব লাগিব, লেবাৰ গৃহ নাই, অধিকাংশ শ্ৰমিকৰে নিজা গৃহ নাই, তেওঁলোকে বস্তুৰৰ পৰা আহি কামত যোগদান কৰা অসুবিধা হয়, ১৯৭৪ চনৰ পৰাই এই বাগিছা বিলাকে নিম্নতম মঞ্জুৰী পোৱা নাই । কি কাৰনে পোৱা নাই মাননীয় সদস্য গৰাকীয়ে নিজে জানে । আমি চেষ্টা কৰি আছো ।

বিষয় ঃ **চাহ ও প্ৰাক্তন চাহ গোষ্ঠীৰ নিযুক্তি**

**শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে ঃ**

(ক) শ্ৰম বিভাগৰ অন্তৰ্গত (Provident Fund Control Office Welfare Commissioner Office, Labour Commissioner Office and Tea and Ex-Tea Directorate Office) ত ১৯৮৬ চনৰ জানুৱাৰীৰ পৰা ১৯৮৮ চনৰ মাৰ্চ মাহলৈ (৩য় ও ৪ৰ্থ শ্ৰেণীৰ) কিমানজন প্ৰাৰ্থীক স্থায়ী চাকৰি দিয়া হ'ল জনাবনে ?

(খ) ইয়াৰ চাহ ও প্ৰাক্তন চাহ জনগোষ্ঠীৰ কিমান প্ৰাৰ্থী আছে জনাবনে ?

**শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) শ্ৰম বিভাগৰ অন্তৰ্গত ১৯৮৬ চনৰ জানুৱাৰীৰ পৰা ১৯৮৮ চনৰ মাৰ্চ মাহলৈ (৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ) স্থায়ী চাকৰি দিয়া প্ৰাৰ্থী হ'ল ঃ

| | |
|---|---|
| Provident Fund Control Office : | তৃতীয় শ্ৰেণীৰ ২৮ জন |
| | চতুৰ্থ শ্ৰেণীৰ ৭ জন |
| Welfare Commissioner Office : | তৃতীয় শ্ৰেণীৰ ৮ জন |
| | চতুৰ্থ শ্ৰেণীৰ ১ জন |
| Labour Commissioner Office : | তৃতীয় শ্ৰেণীৰ ২২ জন |
| | চতুৰ্থ শ্ৰেণীৰ ১৮ জন |
| Tea and Ex-Tea Directorate Office : | তৃতীয় শ্ৰেণীৰ ৩১ জন |
| Provident Fund Control Office : | তৃতীয় শ্ৰেণীৰ ৯ জন |
| | চতুৰ্থ শ্ৰেণীৰ ২ জন |
| Welfare Commissioner Office | তৃতীয় শ্ৰেণীৰ ৬ জন |
| | চতুৰ্থ শ্ৰেণীৰ ১ জন |
| Labour Commissioner Office | তৃতীয় শ্ৰেণীৰ ৪ জন |
| | ও চতুৰ্থ শ্ৰেণীৰ |
| Tea and Ex-Tea Directorate Office : | তৃতীয় শ্ৰেণীৰ ১২ জন |

---

**বিষয় ঃ কৃষি উদ্যান বিভাগৰ কলৰ বীজ ক্ৰয়**

**শ্ৰীৰামেন্দ্ৰ দে য়ে সুধিছে ঃ**

৬১৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৃষি উদ্যান বিভাগে যোৱা তিনি বছৰত উদ্যান উন্নয়নৰ কাৰণে কি কি কলৰ বীজ কিনিছে ?
(বীজৰ পৰিমান আৰু টকাৰ পৰিমান বছৰ হিচাপত দিব)

(খ) এই বীজ বিলাক ক'ৰ পৰা কিনা হৈছিল ?

(গ) উদ্যান বিভাগে কিনা মালভোগ কলৰ বীজ কিমান টকা কিনিছিল ?

**শ্ৰীপদ্মেশ্বৰ দলে** (কৃষি বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে **উত্তৰ দিছে :**

(ক) কৃষি উদ্যান বিভাগে যোৱা তিনি বছৰে উদ্যান উন্নয়নৰ কাৰণে অকল মালভোগ কলৰ বীজ কিনা হৈছিল। পৰিমান আৰু টকাৰ হিচাপ তলত দিয়া হ'ল।

| ১৯৮৫-৮৬ | | ১৯৮৬-৮৭ | | ১৯৮৭-৮৮ | |
|---|---|---|---|---|---|
| বীজৰ পৰিমাণ | টকাৰ পৰিমাণ | বীজৰ পৰিমাণ | টকাৰ পৰিমাণ | বীজৰ পৰিমাণ | টকাৰ পৰিমাণ |
| ৩,৮৭,৯৭৫ | ১০,৬৬,৯৩১.২৫ | ২৭,৮০৫ | ৭৬,৪৬৩.৭৫ | ৫৯,৫০০ | ১,৪৭,১২৫.০০ |

(খ) এই বীজ বিলাক অসম বীজ নিগমৰ পৰা কিনা হৈছিল।
(গ) মালভোগ কলৰ বীজৰ হিচাব 'ক' প্ৰশ্নৰ উত্তৰত দিয়া হৈছে। কাচকলৰ বীজ কিনা হোৱা নাই ।

**শ্ৰীৰামেন্দ্ৰ দেঃ** মাননীয় অধ্যক্ষ মহোদয়,এইটো আলুৰ নিচিনাই হব যেন পাইছোঁ। ১৯৮৫ চনত যি বিলাক মালভোগ কলৰ বীজ কিনা হৈছিল সেইবিলাক ডাঙৰ হোৱাত সকলোতে কাচকল ধৰিছে এইটো মন্ত্ৰী মহোদয়ে জানেনে ?

**শ্ৰীপদ্মেশ্বৰ দলে (ৰাজ্যিক কৃষি মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে অনুসন্ধান কৰা হব।

**ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** অধ্যক্ষ মহোদয়, কিছুমান মালভোগ কলৰ গছত ভীমকল হৈছে সেইটো মন্ত্ৰী মহোদয়ে জানেনে ?

**শ্ৰীহেমেন দাস** ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই যে তিনি লাখ মালভোগ কলৰ কাৰণে কৃষি বিভাগে খৰচ কৰি ক্ৰয় কৰিলে সেই বিলাক যে মানুহৰ মাজত বিতৰণ কৰিলে সেই মানুহ বিলাকৰ নাম মই এবছৰৰ সময় দিছো এই সদনত দাখিল কৰিব পাৰিবনে ? অহা বাজেট অধিবেশনত দাখিল কৰিব পাৰিবনে ? যি সকলে মালভোগ কলৰ পুলি পাইছিল সেই সকল মানুহৰ তালিকা দাখিল কৰিব পাৰিবনে ?

**শ্ৰীপদ্মেশ্বৰ দলে (ৰাজ্যিক কৃষি মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, তালিকা খন খুজিছে সেইখন দিব পৰা যাব সময় মতে। কিন্তু আমি দেখিবলৈ পাইছো মালভোগ কল খোৱা মানুহ আজি কালি কমিয়েই গৈছে তথাপি আমি ইমান খিনি বিতৰণ কৰিছো।

**শ্ৰীহেমেন দাস** ঃ অধ্যক্ষ মহোদয়, পুলি বিলাক কেনেকৈ বিতৰণ কৰিলে সেই মানুহৰ নাম বিলাক এক বছৰৰ ভিতৰত সদনত দাখিল কৰিব পাৰিবনে ?

**শ্ৰীপদ্মেশ্বৰ দলে (ৰাজ্যিক কৃষি মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, তালিকাখন দিম। এবছৰ নালাগে ছমাহতো দিব পাৰো।

---

বিষয় ঃ **ঔগুৰি মা-মৰনি পথৰ দৈৰ্ঘ্য**

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

৬১৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া পথ বিভাগত ঔগুৰি মা-মৰনি পথ নামেৰে এটা পথ আছেনে ?

(খ) যদি আছে, পথটোৰ দৈৰ্ঘ্য কিমান আৰু যোৱা দহ বছৰৰ ভিতৰত মেৰামতিৰ বাবে কিমান টকা খৰচ কৰা হৈছে জনাবনে ?

**শ্ৰীঅতুল বৰা,(গড়.কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, আছে।

(খ) পথটোৰ দৈৰ্ঘ্য ৪.৮০ কিঃ মিঃ। ৰাস্তাটোৰ মেৰামতিৰ শিতানত যোৱা ১০ বছৰত হোৱা খৰছ এনে ধৰণৰ ঃ

১৯৭৮-৭৯ - নাই
১৯৭৯-৮০ - নাই
১৯৮০-৮১ - নাই
১৯৮১-৮২ - নাই
১৯৮২-৮৩ - নাই
১৯৮৩-৮৪ - নাই
১৯৮৪-৮৫ - ৫০৪.০০ টকা
১৯৮৫-৮৬ - ১১০০.০০ টকা
১৯৮৬-৮৭ - ৯০১.০০ টকা
১৯৮৭-৮৮ - নাই

---

মুঠ - ২৫০৬.০০ টকা

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আছে বুলি কৈছে কিন্তু ১৯৮৬ চনলৈকে বিভাগে এই পথটো আছে বুলি জনা নাছিল। ১৯৮৪ চনত ৫০৪ টকা খৰচ কৰা হয় কিন্তু কোন পথত খৰচ কৰিছে কব পৰা নাযায়। তাৰ পিচতো ১১০০ আৰু ৯০২ টকা দিছে

কিন্তু গড়ুকাপ্তানী বিভাগৰ পথ বুলি চিনি পোৱা নাছিল । এতিয়া মন্ত্ৰী মহোদয়ে তদন্ত কৰি এই পথটো আছে নে চাব নেকি ?

**শ্ৰীঅতুল বৰা (গড়.কাপ্তানী মন্ত্ৰী)** : অধ্যক্ষ মহোদয় ৰাস্তাটোৰ কাৰণে ১৯৬২ চনতে এক লাখ উনত্ৰিশ হাজাৰ টকাৰ প্ৰাকুকলন দিছিল আৰু তাৰ বিপৰীতে অলপ টকা খৰচ কৰা হৈছিল । তাৰ পিছত গড়ুকাপ্তানী বিভাগে মেৰামাত কৰিবৰ কাৰণে টকা দিয়া নাই । প্ৰায় বিলাক ক্ষেত্ৰতে মাটিৰ কামহে হৈছিল । ১৯৮৫-৮৬-৮৭ চনত কাম হৈছে ১৯৬২ চনৰ পৰা ১৯৮৫ চনলৈকে মেৰামতি কৰা নাই ফলত নষ্ট হৈ গৈছে । পিছত দেখা গৈছে ৪.৮০ কিলোমিটাৰৰ এই পথছোৱাত গড়ুকাপ্তানী বিভাগৰ পথ অথচ ১৯৬২ চনৰ পৰা ১৯৮৫ চনলৈ পইচা খৰচ কৰা নাছিল । এতিয়া ১৯৮৫ চনৰ পিছত কাম আৰম্ভ কৰা হৈছে ।

**তাৰকাচিহ্নিত প্ৰশ্ন নং ঃ ৪৩**

**শ্ৰীৰবীন শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই যিটো চেনী কল চলি আছে সেইটো বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে । সেই পৰিপ্ৰেক্ষিতত চৰকাৰে নতুন উদ্যোগ নীতি ঘোষণা কৰাৰ সময়ত তেনে ধৰণে ধ্বংশ হৈ যোৱা উদ্যোগ সমূহৰ কাৰণে ব্যৱস্থা লোৱাৰ দিহা কৰিবনে ? কিয়নো ৰাইজে এই সম্পৰ্কত উদ্বেগ প্ৰকাশ কৰিছে । এই ক্ষেত্ৰত বিজুলীৰ অভাৱ পুৰণৰ বাবে উদ্যোগ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনাওঁ যে এটা জেনেৰেটৰ বহুৱাই হলেও মিলটো চলোৱাৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীদিগেন চন্দ্ৰ বৰা, (উদ্যোগ মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, নিয়মিতভাৱে যʼত বিদ্যুৎ পোৱা নাই সেই সম্পৰ্কত বিদ্যুৎ বিভাগৰ লগত আলোচনা কৰা হৈছে । কিন্তু জেনেৰেটৰ বহুৱাই মিল চলালে উৎপাদনৰ দাম বাঢ়ি যাব । অলপ সময়ৰ কাৰণে বিজুলী নাথাকিলে জেনেৰেটৰ ব্যৱহাৰ কৰা হয় । তথাপিও যদি চলাবলগীয়া হয় আমি তাৰ ব্যৱস্থা কৰিম ।

**Re. Construction of a bridge over river Buridehing by OIL.**

**Shri Kusumbar Tairai (Gogoi) asked**

44. Will the Minister of P.W.D. be pleased to state :

(ক) নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত জয়পুৰ আৰু টিপলি ফাকিয়ালৰ মাজত বুঢ়ীদিহিং নদীৰ ওপৰত অইলয়ে (OIL) এখন পকী দলং নিৰ্মান কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ, উক্ত দলং খন সম্পূৰ্ণ হোৱাৰ পাচতো গাড়ী চলাচল নকৰা কথাটো চৰকাৰে জানেনে ?

(গ) যদি জানে, কি কাৰণে যাতায়ত বন্ধ আছে জনাবনে আৰু অনতি পলমে গাড়ী চলাচলৰ বিহিত ব্যৱস্থা লবনে ?

**Shri ATUL BORA, The Minister of Public Works Department replied :**

(ক) নহয়। অইল ইণ্ডিয়াই তেল সৰবৰাহ কৰিবৰ বাবে জয়পুৰ আৰু উষাপুৰৰ মাজত বুঢ়ীদিহিং নদীৰ ওপৰত পকী খুটা সাজি "পাইপ লাইন পাৰ কৰা দলং " এখন (Over head pipe line crossing) নিৰ্মান কৰাটো সচাঁ।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## Short Notice Questions

**শ্ৰীকুসুম্বৰ টাইৰাই গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় কতৃপক্ষই এই প্ৰশ্নটো যুগুতাই দিছে আৰু মন্ত্ৰী মহোদয়ে তাৰ উত্তৰ দিছে। কিন্তু ইয়াৰ সত্যসত্যতা নাই বুলি মই কবলৈ বাধ্য হৈছো। কিয়নো যিহেতু মোৰ সমষ্টিতে উক্ত দলং খন নিৰ্মান কৰা হৈছে। যোৱাবাৰ ৰাস্তাতোৰ দুয়োপাৰ সংলগ্ন কৰা হৈছিল আৰু পকী দলং এখনো নিৰ্মান কৰা হৈছে। কিন্তু প্লেট ফৰ্ম দিয়াৰ ব্যৱস্থা হোৱা নাই। গতিকে চৰকাৰে ইয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। মন্ত্ৰী মহোদয়ে অইল ইণ্ডিয়া কতৃপক্ষৰ লগত যোগাযোগ কৰি তাত প্লেটফৰ্ম দিয়াৰ ব্যৱস্থা কৰিব নেকি যাতে ৰাইজৰ যাতায়তৰ সুবিধা হয়।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে গড়.কাপ্তানী বিভাগৰ ফালৰ পৰা তাৰ ওপৰত টেক্স প্লেব বহুৱাই গাড়ী চলাব পৰা হব নে নহয় সেইটো পৰীক্ষা কৰি চোৱা হৈছে। অইল ইণ্ডিয়াই যিবিলাক প্লেন দিছে, ভাগ ভাগ কৰি দিছে আৰু তাত ৭৫ লাখ টকা খৰচ কৰি ৪২৫ মিটাৰ দীঘল এখন দলং নিৰ্মাণ কৰাৰ কথা কৈছে। তাত টেক্স

প্লেব বহুৱাবৰ কাৰণে গড়.কাপ্তানী বিভাগক জনাইছে আৰু তাত শতকৰা ৫০ ভাগ তেওঁলোকৰ আৰু শতকৰা ৫০ ভাগ ৰাজ্যচৰকাৰৰ । কিন্তু আমাৰ গড়. কাপ্তানী বিভাগে ভাবিছে যে ইমান বৃহত পৰিমানৰ টকা খৰচ কৰি তাত যদি যাতায়তৰ সুবিধা কৰিব নোৱাৰি তেতিয়াহলে কেনেধৰণৰ কথা হব । সেই বিষয়ে পৰীক্ষা কৰি থকা হৈছে । যদি দুখন গাড়ী সেই ফালেদি চলাচল কৰিবই নোৱাৰি তেতিয়াহলে ইমান পৰিমাণৰ টকা খৰচ কৰি কি লাভ হব সেই বিষয়ে পৰীক্ষা কৰি থকা হৈছে ।

**শ্ৰীকুসুম্বৰ টাইৰাই গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বিভাগে কেনেদৰে জনাইছে নেজানো । অইল ইণ্ডিয়াই কৌটি কৌটি টকা তাৰ পৰা লাভ কৰিছে । তেনেস্থলত অসম চৰকাৰে অইল ইণ্ডিয়াৰ পাইপ লাইন যোৱা দলং খনৰ ওপৰেদি যাতায়তৰ সুবিধাৰ কাৰণে অইল ইণ্ডিয়া কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰি এই টেক্স প্লেব খন বহুৱাবৰ কাৰণে অনুৰোধ কৰিছো ।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ** মই আগতেই কৈছো যে যিখন ৪২৫ মিটাৰ দীঘল দলংৰ কথা কৈছে সেই দলং খনৰ ওপৰেদি অইল ইণ্ডিয়াই পাইপ লাইন নিবৰ কাৰণে নিৰ্ম্মাণ কৰিছে । কিন্তু তাৰ অলপ আতৰতেই আমাৰ গড়.কাপ্তানী বিভাগৰ ফালৰ পৰা নিজাকৈ ২২৫ মিটাৰ দীঘল এখন দলং সজা হৈছে । গতিকে অইল ইণ্ডিয়াই যি খন দলং নিৰ্ম্মান কৰিছে সেইখনত উক্ত কামটোৰ কাৰণে যদি গড়.কাপ্তানী বিভাগে সম্পূৰ্ণ টকা খৰচ কৰিব লগীয়া হয় তেতিয়াহলে অলপ অসুবিধা হব । তাৰোপৰি অইল ইণ্ডিয়াই তেওঁলোকৰ প্লেনটো অলপ অলপ কৈ দিছে । সেই কাৰণেও অসুবিধা হৈছে । সেয়েহে গড়.কাপ্তানী বিভাগে এইটো পৰীক্ষা কৰি চাই আছে এই কামটো কেনেদৰে কৰিলে সুবিধাজনক হব ।

বিষয় ঃ **আকাশ মাৰ্গৰ পৰা খাৰ দৰৱ চতিওৱা আচনি**

**শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে ঃ**

৪৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৭০-৭৫ চনৰ ভিতৰত কৃষি বিভাগে আকাশ মাৰ্গৰ পৰা খাৰ দৰৱ চতিওৱা আচঁনি লৈছিলনে আৰু যদি লৈছিল কোন বছৰত আৰু অসমৰ কোন এলেকাত সেই আচঁনি কাৰ্য্যকৰী কৰা হৈছিল ?

(খ) উক্ত আচঁনি কাৰ্য্যকৰী কৰোতে এক শকত পৰিমানৰ ধন অপচয়, অপব্যবহাৰ আৰু আত্মসাৎ হোৱাটো সচাঁনে আৰু যদি সচাঁ তেন্তে সেই ধনৰ পৰিমান কিমান আছিল তাৰ লগত বিভাগীয় কোনো বিষয়া জড়িত আছিল নেকি আৰু যদি আছিল, তেওঁ/ তেওঁলোকৰ নাম, সেই সময়ৰ

(গ) উক্ত জড়িত বিষয়া / বিষয়া সকলৰ বিৰুদ্ধে বিভাগীয় অভিযোগ তৰা হৈছিলনে আৰু যদি হৈছিল সেই সকলৰ ভিতৰত কোন বিষয়াক দোষী সাব্যস্ত কৰা হৈছিল আৰু কি শাস্তি বিহা হৈছিল ?

(ঘ) এইটো সচাঁনে, উক্ত অভিযোগত অভিযুক্ত এগৰাকী বিষয়াৰ বিৰুদ্ধে তৰা বিভাগীয় গোচৰ সম্পৰ্কীয় নথি উৰ্দ্ধতম কৰ্ত্তৃপক্ষৰ দৃষ্টিগোচৰ নকৰাকৈ তেওঁক বিভাগীয় মুৰব্বী পদত নিযুক্তি দিয়া হৈছিল ?

(ঙ) যদি সচাঁ, সেই গৰাকী বিষয়াৰ বিৰুদ্ধে তৰা বিভাগীয় গোচৰৰ নথি কোনে আৰু কি অভিপ্ৰায়ে লুকুৱাই থৈছিল ?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, ১৯৭২-৭৩ চনত উত্তৰ লক্ষীমপুৰ আৰু ধেমাজী মহকুমাত আকাশী যানেৰে আকাশমাৰ্গৰ পৰা সৰিয়হ খেতিৰ ওপৰত কীটনাশক ঔষধ চতিওৱা হৈছিল।

(খ) হয়, প্ৰথমতে ১৬,০০০ একৰ পৰিমানৰ মাটিত আকাশীযানেৰে ঔষধ চতিওৱাৰ কাৰণে নিৰ্দ্ধাৰণ কৰা হৈছিল। কিন্তু তাৰ পাছত ১,৬০০ একৰ মাটিত ঔষধ চতিওৱা হয় বুলি প্ৰমান পত্ৰ দিয়া হয় আৰু তাৰ বাবে অতিৰিক্ত ৩,১৯,৩৩২ টকা খৰছ কৰা হৈছিল। নিম্ন লিখিত তিনিজন বিষয়া (বিভাগীয়) উক্ত কামত জড়িত আছিল।

(১) ডঃ অমিয় মোহন দাস, তেতিয়াৰ যুটীয়া কৃষি সঞ্চালক (মৰাপাট) অসম কৃষি বিভাগ। এই কামৰ সম্পূৰ্ণ তত্বাৱধানৰ দায়িত্ব ভাৰ তেওঁৰ ওপৰত ন্যস্ত কৰা হৈছিল।

(২) শ্ৰীএচ, এন, দাস, তেতিয়াৰ উত্তৰ লক্ষীমপুৰৰ মহকুমা কৃষি বিষয়া আৰু

(৩) শ্ৰীএল, এ, বি খচেইন, তেতিয়াৰ উত্তৰ লক্ষীমপুৰ সহকাৰী শস্য সংৰক্ষণ বিষয়া।

(গ) দুৰ্নীতি নিবাৰণ শাখাৰ (এ, চি, বি) অনুসন্ধানৰ প্ৰতিবেদনৰ ভিত্তিত তিনিওজন বিভাগীয় বিষয়াৰ বিৰুদ্ধে বিভিন্ন দিশত বিভাগীয় অভিযোগ ৰুজু কৰা হৈছিল। মূল কৰ্য্যৰূপায়ণৰ দায়িত্বত থকা ডঃ এ, এম, দাসৰ বিৰুদ্ধে সাতটা অভিযোগ অনা হৈছিল চৰকাৰী ধনৰ অপচয়, কৰ্ত্তব্যত হেলা, সংহতি, সাধুতা আৰু দায়িত্ববোধৰ অভাৱ, আৰ্থিক মুনাফা লাভ আৰু ভুৱা প্ৰমাণ পত্ৰ দাখিল আদিৰ ষড়যন্ত্ৰ। ৰাজ্যিক অনুসন্ধান বিষয়াৰ জৰিয়তে উক্ত অভিযোগৰ তদন্ত চলোৱা হৈছিল। তেওঁৰ বিৰুদ্ধে অনা সাতটা অভিযোগৰ ভিতৰত ৪ টা অভিযোগ সম্পূৰ্ণভাৱে আৰু ২টা আংশিকভাৱে প্ৰমাণিত হৈছিল। চৰকাৰে পুনঃযৌগিক ভিত্তিত দৰমহাৰ ২ টা বছৰেকীয়া বৃদ্ধি বন্ধ কৰাৰ বাবে পৰামৰ্শ দিছিল। কিন্তু অসম লোকসেৱা আয়োগে ... পুনঃযৌগিক ভাৱে নকৰি এটা দৰমহাৰ

মাত্ৰ এটা বছৰেকীয়া বৃদ্ধি বন্ধ কৰাৰ শাস্তি নিশ্চিত কৰে। বিষয়টো মন্ত্ৰীসভাত উত্থাপন কৰা হয়। আৰু মন্ত্ৰী সভাই (কেবিনেট) ১৮-৫-৯৪ অসম লোকসেৱা আয়োগৰ পৰামৰ্শ অনুসৰি পুনঃযৌগিক (cumulative effect) বিহীন দৰমহাৰ বছৰেকীয়া এটা বৃদ্ধি বন্ধ কৰাৰ পৰামৰ্শত অনুমোদন জনায়। সেইদৰে ডঃ এ, এম, দাসৰ এটা বছৰেকীয়া বেটন বৃদ্ধি বন্ধ কৰা হয়।

২। তেতিয়াৰ মহকুমা কৃষি বিষয়া শ্ৰীএল, এ, বি, দাসৰ বিৰুদ্ধে অনা অভিযোগ প্ৰমানিত নোহোৱাত অভিযোগ উঠাই লোৱা হয়।

৩। তেতিয়াৰ সহকাৰী শস্য সংৰক্ষণ বিষয়া, এল, এ, বি, খুচেইনৰ বিৰুদ্ধেও অভিযোগ অনা হৈছিল। অভিযোগ বিলাক ৰাজ্যিক অনুসন্ধান বিষয়াই তদন্ত কৰিছিল। কিন্তু অনুসন্ধান বিষয়াই তেওঁক দোষী বুলি কোনো প্ৰমাণ নোপোৱাত অভিযোগ উঠাই লোৱা হয়।

(ঘ+ঙ) পুনঃযৌগিক (cumulative effect) বিহীন বছৰেকীয়া বেতন বৃদ্ধি কৰ্ত্তনৰ শাস্তি বিধানৰ সময় আছিল ১-৬-৮৪ ৰ পৰা ৩০-৫-৮৫ তাৰিখলৈকে। ২৮-৫-৮৬ তাৰিখে অসম লোকসেৱা আয়োগৰ দ্বাৰা নিশ্চিত কৰা ১৫-১১-৮৫ তাৰিখৰ কৃষি সঞ্চালক পদত অস্থায়ী নিযুক্তিত তেখেতৰ বিৰুদ্ধে আৰোপিত শাস্তিমূলক আদেশ কোনো বিৰূপ প্ৰভাব পেলাব নোৱাৰিলে।

**শ্ৰীদীনবন্ধু চৌধুৰী** : মাননীয় অধ্যক্ষ মহোদয়, এই কেলেঙ্কাৰীটো আলুৰ কেলেঙ্কাৰীতকৈয়ো ডাঙৰ কেলেঙ্কাৰী। আমাৰ চৰকাৰে অন্তত এটা কেলেঙ্কাৰীৰ ওপৰত এনকুৱাৰী কমিটী গঠন কৰি বিহিত ব্যৱস্থা লবলৈ সাহস কৰিছে কিন্তু আগৰ চৰকাৰে এই সাহসকন দেখুৱাব নোৱাৰিলে। এইটো বৰ দুৰ্ভাগ্যজনক কথা। এইটো ৰিপোৰ্ট কেবাবাৰো দেখুৱাইছে পি, এ, চিয়ে বিবেচনা কৰি আছে আৰু ইয়াত এটা দীঘলীয়া দ্ৰষ্ট পেৰা আছে। পি, এ, চিয়ে বিবেচনা কৰি আছে যদিও এইটো এতিয়া সম্পূৰ্ণ কৰা হোৱা নাই। ইয়াত মুঠ টকা আছিল ৬২.৭৫ লাখ টকা। গতিকে ইয়াত বহুত ধৰণৰ কথা উল্লেখ কৰা আছে। কেনেকৈ কি হ'ব সেইটো কব নোৱাৰো কিন্তু এইটো স্পষ্ট যে তেওঁলোক এই কেলেঙ্কাৰীটোত জড়িত আছিল আৰু তেওঁৰ ইনক্ৰিমেন্ট বন্ধ কৰি শাস্তি বিহা হৈছিল। গতিকে শাস্তি বিহা স্বত্বেও তেওঁক কেনেকৈ নিযুক্তি দিয়া হ'ল আৰু নিযুক্তি দিয়াৰ সময়ত সেই কথা বিলাক বিবেচনা কৰি চোৱা নহল নেকি ? এইখিনিতে এটাকথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই গোটেই কেচটো পুনৰ ৰিভিউ কৰাৰ ব্যৱস্থা কৰিব পাৰি নে নোৱাৰি সেইটো চাব লাগে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো ইতিমধ্যে মই ভালধৰনে ইলাৰেৰেচলি কৈ দিছো। কিন্তু, এ, পি, এচ, চিয়ে ৰিকোমেণ্ডেশ্যন কৰি দিলে তেতিয়া আৰু উপায় নাই।

এচ, চিক জনোৱা হৈছিল নেকি আৰু এই বিষয়ে পৰামৰ্শ লোৱা হৈছিল নেকি ? নিযুক্তিৰ সময়ত চৰকাৰে এই বিষয়টো বিবেচনা কৰিব লাগিছিল ।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু তাত কৃষি বিভাগৰ এক্সপাৰ্ট আছেই আৰু তাতেই পৰীক্ষা লোৱা হৈছিল আৰু ৰিকোমেণ্ডেশ্যন দিয়া হৈছিল । তাৰোপৰি On 9.10.85 it was advised to advertise the post through A.P.S.C. and this advice was given by the chief Secretary Mrs. Trivedi. On 1.11.85 the then Minister passed an order that Dr. A. M. Das should taken over charge on a very temporary basis as director, Agriculture. উক্ত তাৰিখে মূখ্য সচিব মিচেচ ত্ৰিবেদীয়ে উক্ত পদৰ কাৰণে বিজ্ঞাপন দিয়াৰ কাৰণে পুট-আপ কৰিছিল তেতিয়া মন্ত্ৰী ডাঙৰীয়াই সেইটো এপ্ৰোভ কৰিছে । যি জন কৃষি মন্ত্ৰীয়ে এইটো এপ্ৰোভ কৰিছিল কিন্তু তাৰ পিছত ১-১১-৮৫ তাৰিখে আগৰ অৰডাৰটো অলপ সলনি কৰা হ'ল । সেইটো ইলিগেল নহয় । তাৰ পাচতো এ, পি, এচ, চিয়ে তেওঁক ফাৰ্ষ্ট নমিনেশ্যন দিছে তেনে সিদ্ধান্ত লোৱাৰ পাচত আৰু উপায় নাই ।

**শ্ৰীদীনবন্ধু চৌধুৰী ঃ** মই ইয়াত সন্তুষ্ট হব পৰা নাই । এই বিষয়টো নমিনেশ্যন দিয়াৰ সময়ত এই কেলেংকাৰী বিলাক বিচাৰ কৰি চোৱা নাই কিন্তু যেতিয়া নিযুক্তি দিয়া হৈছিল । অধ্যক্ষ মহোদয়, যেতিয়া ১৯৮৫ চনত নিৰ্বাচন ঘোষনা কৰিছিল ঠিক সেই মাজৰ সময় খিনিতেই এই ঘটনাটো ঘটিছে । গতিকে ভালকৈ এই বিষয়টো পৰীক্ষা কৰি চাই তদন্ত কৰাৰ ব্যবস্থা কৰিব লাগে ।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** It is good suggestion মই এই বিষয়টো তদন্ত কৰি চাব পাৰিম ।

## Unstarred Questions and Answers

বিষয় ঃ **বান পানীত ক্ষতিগ্ৰস্ত গড়কাপ্তানী পথ**

**শ্ৰীৰসিদুল হকে সুধিছে ঃ**

১১৫৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বানপানীত অসমত সৰ্বমুঠ কিমান দৈৰ্ঘ্যৰ গড়কাপ্তানী পথৰ ক্ষতিগ্ৰস্ত হৈছে ?

(খ) এইবোৰৰ মেৰামতি পুনৰ নিৰ্মাণ আৰু নৱনিৰ্মাণৰ সৰ্বমুঠ কিমান টকাৰ প্ৰয়োজন ?

**শ্ৰীঅতুল বৰা (গড.কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সৰ্বমুঠ ৩৯৩৫,৫২৪ কিঃ মিঃ পথ ক্ষতিগ্ৰস্ত হয়।

(খ) এইবোৰ পুনৰ নিৰ্মাণ আৰু নৱ নিৰ্মাণৰ বাবে সৰ্বমুঠ ২৩৩০,০০ লক্ষ টকাৰ প্ৰয়োজন।

(গ) ১৯৮৭-৮৮ বিত্তীয় বছৰত ভৈয়াম অঞ্চলৰ পথৰ কাৰণে ৭৪১.৪০ লক্ষ টকা খৰছ কৰা হৈছে আৰু পাৰ্বত্য অঞ্চলৰ খৰছৰ পৰিমান ৫৩.০০ লক্ষ টকা।

Re. : **Cement allotted to the Department.**

**Shri A. F. Golam Osmani asked :**

1156. Will the Minister, P.W.D. be pleased to State :

(a) The system of bringing Cement allotted to the Department into the State ?

(b) The modes of transport utilised for the purpose ?

(c) The quantity of Cement brought to the State from 1983-84 to 1986-87 from outside the State and by what types of transport ?

(d) The quantity of Cement brought by Railway, water transport and road transport respectively in between 1983-84 to 1986-87 ? (please furnish year wise break up) (e) The rate paid for carriage of Cement by road transport railway and water transport respectively in between 1983-84 to 1986-87 ? (please furnish figures in year wise breakup quoting the rate per M.T. for Railway and water transport and per K.G. for road transport).

**শ্ৰীঅতুল বৰা (গড.কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।**

(ক) আৰু (খ)
ভাৰত চৰকাৰৰ বিলাতী মাটি নিয়ন্ত্ৰকৰ নিৰ্দ্দেশক্ৰমে বিলাতী মাটি তৈয়াৰ কৰা উদ্যোগবোৰৰ পৰা সংমণ্ডলৰ নিকটবৰ্ত্তী ৰেল আস্থানলৈ ৰেল, ৰেল আৰু পথ, ৰেল আৰু জল পৰিবহন আৰু পথ পৰিবহনৰ দ্বাৰা প্ৰেৰণ কৰা হয়।

(গ) ১৯৮৩-৮৪ ৰ পৰা ১৯৮৬-৮৭ লৈ ৰাজ্যৰ বাহিৰৰ পৰা অহা বিলাতী মাটিৰ পৰিমান আৰু পৰিবহনৰ ব্যৱস্থা তলত দেখুৱা হ'ল -

(১) ৰেল আৰু পথ পৰিবহনৰ দ্বাৰা ৭০,৩৩৬.০৬ মেঃ টন

| বছৰ | ৰেল আৰু পথ পৰিবহনৰ দ্বাৰা (মেট্ৰিক টন) | পথ পৰিবহনৰ দ্বাৰা (মেট্ৰিক টন) | ৰেল আৰু জল পৰিবহনৰ দ্বাৰা (মেট্ৰিক টন) | সৰ্বমুঠ প্ৰাপ্তি (মেট্ৰিক টন) |
|---|---|---|---|---|
| ১৯৮৩-৮৪ | ৩৭,২৯৩.৩০ | - | - | ৩৭,২৯৩.৩০ |
| ১৯৮৪-৮৫ | ২৪,৯৭২.২৬ | ৪১২.০০ | - | ২৫,৩৮৪.২৬ |
| ১৯৮৫-৮৬ | ৮,০৭০.৫০ | ১৪,০৬৩.২৫ | - | ২২,১৩৩.৭৫ |
| ১৯৮৬-৮৭ | - | ৬,০৮০.২৫ | - | ৬,০৮০.২৫ |
| | ৭০,৩৩৬.০৬ | ২০,৫৫৫.৫০ | - | ৯০,৮৯১.৫৬ |

(ঙ) ৰেলৰ ভাৰা ৰেল বিভাগন দ্বাৰা সময়ে সময়ে নিয়ন্ত্ৰিত কৰা হাৰত দিয়া হয়। জল পৰিবহনৰ দ্বাৰা কোনো বিলাতী মাটি পৰিবহন কৰা হোৱা নাই। পথ পৰিবহনৰ দ্বাৰা অনা বিলাতী মাটিৰ ভাৰা সমূহৰ বিবৰণী তলত দেখুৱা হ'ল।

| বছৰ | | ভাৰাৰ হাৰ প্ৰতি কেজি প্ৰতি কিলো মিটাৰত (টকা) | (টকা) |
|---|---|---|---|
| | | ভৈয়াম অঞ্চল | পাহাৰী অঞ্চল |
| | ১-৪-৮৩ পৰা ৩০-৬-৮৩ | ০,০০০৩৫ | ০,০০০৩৯ |
| | ১-৭-৮৩ পৰা ৩০-৯-৮৩ | ০,০০০৩০ | ০,০০০৩৪ |
| ১৯৮৩-৮৪ | ১-১০-৮৩ পৰা ৩১-১২-৮৩ | ০,০০০২৯ | ০,০০০৩৩ |
| | ১-১-৮৪ পৰা ৩১-৩-৮৪ | ০,০০০৩৯ | ০,০০০৩৩ |
| | ১-৪-৮৪ পৰা ১৯-৪-৮৪ | ০,০০০৩৯ | ০,০০০৩৩ |
| ১৯৮৪-৮৫ | ৩০-৪-৮৪ পৰা ৩০-৬-৮৪ | ০,০০০২৮ | ০,০০০৩৩ |
| | ১-৭-৮৪ পৰা ৩১-৭-৮৪ | ০,০০০২৮ | ০,০০০৩৩ |
| | ১-৮-৮৪ পৰা ৩০-৯-৮৪ | ০,০০০৩২ | ০,০০০৩৪ |
| | ১-১০-৮৪ পৰা ৩১-১২-৮৪ | ০,০০০৩৬ | ০,০০০৩৬ |
| | ১-১-৮৫ পৰা ৩১-৩-৮৫ | ০,০০০৩৫ | ০,০০০৩৫ |
| | ১-৪-৮৫ পৰা ২০-৮-৮৫ | ০,০০০৩৫ | ০,০০০৩৫ |
| | ২১-৮-৮৫ পৰা ৩০-৯-৮৫ | ০,০০০৩১ | ০,০০০৩৪ |
| ১৯৮৫-৮৬ | ১-১০-৮৫ পৰা ৩১-১২-৮৫ | ০,০০০৩৩ | ০,০০০৩৭ |
| | -১-১-৮৬ পৰা ৩১-৩-৮৬ | ০,০০০৩৫ | ০,০০০৪০ |
| | ১-৪-৮৬ পৰা ১১-৬-৮৬ | ০,০০০৩৫ | ০,০০০৪১ |
| | ১২-৬-৮৬ পৰা ৩০-৬-৮৬ | ০,০০০৩৪ | ০,০০০৩৬ |
| ১৯৮৬-৮৭ | ১-৭-৮৬ পৰা ৩০-৯-৮৬ | ০,০০০৩৩ | ০,০০০৩৫ |
| | ১-১০-৮৬ পৰা ৩১-১২-৮৬ | ০,০০০৩৪ | ০,০০০৩৭ |
| | ১-১-৮৭ পৰা ৩১-৩-৮৭ | ০,০০০৩৬ | ০,০০০৪১ |

**বিষয় ঃ বৰখোলা সমষ্টিৰ অন্তৰ্গত ভূমি সংৰক্ষণ আচঁনি**

**শ্ৰীআলটাফ হুছেইন মজুমদাৰ য়ে সুধিছে ।**

১১৭৫। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(a) Name of the Schemes under Borkhola constituency (Cachar) for the year 1986-87 and 1987-88, and the total amount of the scheme ?

(b) Whether those schemes have b een completed, if so amount of expenditure of each above scheme ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কাছাৰ জিলাৰ বৰখোলা সমষ্টিত ভূমি সংৰক্ষন বিভাগৰ ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত তলত দিয়া আচঁনি সমূহৰ কাৰ্য্যকৰি কৰা হয় ।

নন্দীগ্ৰাম ভূমি উন্নয়ন আচঁনিত ১৯৮৬-৮৭ চনত (INLET SPILWAY) নিৰ্মাণত ৬১,০০০.০০ টকা (NREP) ধাৰ্য্য কৰা হয় ।

জয়নগৰ যাত্ৰাপুৰৰ অন্তৰ্গত জয়পুৰৰ উল্‌টাখন্দা আচঁনিত ১৯৮৭-৮৮ চনত ৫৭,৫৫০.০০ টকা ধাৰ্য্য কৰা হয় ।

সোনাপুৰ গাওঁ পঞ্চায়তৰ অন্তৰ্গত হিয়াৰিবান্ধ ৰংঘৰ নলা খান্দি পানী উলিয়াই দিয়া আচঁনিত ১৯৮৭-৮৮ চনত ৩২,৯০০.০০ টকা ধাৰ্য্য কৰা হয় ।

চালচাপৰা দ্বিতীয় খণ্ডত মাটিৰ পৰিধি বান্ধ (Priphery Bund) নিৰ্মানত ১৯৮৭-৮৮ চনত ২০,৫০০.০০ টকা ধাৰ্য্য কৰা হয় ।

(খ) ওপৰত উল্লেখ কৰা আটাইবোৰ আচঁনি বৰ্ত্তমান ৰূপায়ন কৰা হৈছে আৰু তাত উল্লেখ কৰা টকা খৰচ কৰা হৈছে ।

**Re : Number of Gram Sevak.**

**Shri Ramendra De asked :**

1158. Will the Minister, Agriculture be pleased to state

(a)The number of Gram Sevak working in the State ?

(b) Whether quarter for Gram Sevaks are there in the State ?

(c) How many such quarter under Karimganj district are fit for human use ? (furnish blockwise).

**Shri Padmeswar Doley, (The Minister of State, Agriculture) replied :**

(a) 2490

(b) Some quarters for Gram sevaks are there in the State.

(c) As per information received, the number of quarters fit for occupation in Karimganj district is given below Blockwise :

| | |
|---|---|
| 1. Ramkrishna Nagar | 6 (six) |
| 2. Patharkandi | (10 (ten) |
| 3. North Karimganj | 10 (ten) |
| 4. South Karimganj | 2 (two) |
| 5. Badarpur | 6 (six) |
| | ----------------- |
| | Total 34 (thirty four) |

**বিষয় ঃ কৃষি বিভাগৰ গাড়ী**

**শ্ৰীৰমেন্দ্ৰ দেয়ে সুধিছে ঃ**

১১৫৯৷ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ছয় বছৰত কিমান গাড়ী কৃষিবিভাগত কিনা হৈছিল আৰু এই গাড়ী বিলাক ক'ত ক'ত ৰখা হৈছে ? (গাড়ীৰ নম্বৰ সহ দিব)

(খ) যোৱা ছয় বছৰত উক্ত গাড়ী বিলাকৰ মেৰামতিৰ কাৰণে খৰচ কিমান হৈছিল ? (বছৰ হিচাবত নম্বৰ সহ দিব)

**শ্ৰীপদ্মেশ্বৰ দলে (কৃষি বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :**

(ক) বৰ্ত্তমানলৈ পোৱা হিচাব মতে ১৯৮২-৮৩ চনৰ পৰা ১৯৮৭-৮৮ চনলৈ মুঠ ১৬০ খন গাড়ী কিনা হয়। গাড়ী আবন্টন কৰা বিষয়াৰ পদসহ আৰু বিচৰা আন আন তথ্যপাতিৰ সৈতে তালিকা লগত গাঠি দিয়া হ'ল।

(খ) বৰ্ত্তমানলৈ সংগ্ৰহ কৰা তথ্য অনুসৰি যোৱা ছয় বছৰৰ উক্ত গাড়ী বিলাকৰ মেনামতিৰ বাবদ খৰচ হোৱা হিচাব গাড়ীৰ নম্বৰ সহ তালিকাত দিয়া হ'ল। যিবিলাক গাড়ীৰ মেৰামতিৰ খৰচৰ হিচাব পোৱা হ'ল সেইবোৰৰ নম্বৰ সহ তালিকাত দিয়া হ'ল। বাকী থকা বিলাকৰ খৰছৰ হিচাব সংগ্ৰহ কৰি থকা হৈছে আৰু পালে লগে লগে সদনত দিয়া হ'ব।

(অনুবন্ধ ১ত দিয়া হৈছে)

**Re. : Amount of F.D.R. grant allotted to Goalpara.**

**Shri Maziruddin Ahmed, asked :**

1160. Will the Minister, P.W.D. be pleased to state :

(a) The amount of F.D.R. grant allotted to Goalpara Road Division of P.W.D. in 1986-87 and 1987-88.

(b) The names of the roads against which F.D.R. Grants were utilised in the year under reference within the area of Goalpara roads Sub-division of Goalpara P.W.D. (R) Division ? (Please furnish information in respect of sums spents for the roads respectively.)

**শ্ৰীঅতুল বৰা, (গড়.কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :**

(ক) ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত যথাক্ৰমে ১৪.০০লাখ আৰু ২৩.২৫ লাখ টকাৰ আবন্টন দিয়া হৈছিল।

(খ) অনুবন্ধ (ক) আৰু (খ) তালিকাত বিচৰা তথ্য গাঠি দিয়া হ'ল।

## ANNEXURE 'A'

অনুবন্ধ 'ক'

F.D.R. for 1986-87

| Sl. No. | Name of the Road | Amount spent for F.D.R. works | Remarks |
|---|---|---|---|
| 1. | F.D.R. to Revertary to Medartery | Rs. 39.933.00 | |
| 2. | F.D.R. to Lakhipur Khalisavita Rd. | Rs. 15,872.00 | |
| 3. | F.D.R. to 5th KM of Goalpar Matia to Baladmari Char. | Rs. 16,602.00 | |
| 4. | F.D.R. to East Pahartoli Rd. | Rs. 13,000.00 | |
| 5. | F.D.R. to Malakhowa Tatipara Rd. | Rs.1,41,871.00 | |
| 6. | F.D.R. to Halidaygonj Hajirhat Rd. | Rs. 22.773.00 | |
| 7. | F.D.R. to Mankachar Mahendragonj Rd. | Rs. 36.137.00 | |
| 8. | F.D.R. to Aidoba Pipulbari Singimari Rd. | Rs. 48.183.00 | |
| 9. | F.D.R. to South Salmara Pathakata Rd. | Rs. 14,154.00 | |
| 10. | F.D.R. to Phulgossa Gossaidubi Rd. | Rs. 1,222.00 | |
| 11. | F.D.R. to Jaleswar Dhumerghat Rd. | Rs. 10,177.00 | |
| 12. | F.D.R. to Dhanua Kathalbari Rd. | Rs. 8,825.00 | |
| 13. | F.D.R. to Fakirgonj Tikrikilla Rd. | Rs. 4,866.00 | |
| 14. | F.D.R. to Porarvita Airkata Rd. | Rs. 17,645.00 | |
| 15. | F.D.R. to Kakripara Beparipara Rd. | Rs. 4,039.00 | |
| 16. | F.D.R. to Bhangarpar Baladmara Rd. | Rs. 4,592.00 | |
| 17. | F.D.R. to Lakhipur Tulsibari Rd. | Rs. 4,473.00 | |
| 18. | F.D.R. to Dudtola Porabrbita Rd. | Rs. 2,623.00 | |
| 19. | F.D.R. to Kalapani Kazipur Rd. | Rs. 1,200.00 | |
| 20. | F.D.R. to Basbari Chunari Rd. | Rs. 4,820.00 | |
| 21. | F.D.R. to Karikhaowa Taltola Rd. | Rs. 2,107.00 | |
| 22. | F.D.R. to Dwarka Rajapara Rd. | Rs. 470.00 | |
| 23. | F.D.R. to Markula Kallyanpur Rd. | Rs. 3,025.00 | |
| 24. | F.D.R. to Goalpara Matia Rd. | Rs.2,06,175.00 | |
| 25. | F.D.R. to Lakhipur Jalwswar Rd. | Rs. 2,300.00 | |
| 26. | F.D.R. to Fakirganj South Salmara Rd. | Rs. 4,145.00 | |
| 27. | F.D.R. to Kamaykahyabari Approach Rd. | Rs. 12,636.00 | |
| 28. | F.D.R. to Sukchar Talipara Rd. | Rs. 17,743.00 | |
| 29. | F.D.R. to Goalpara Karaikhowa Rd. | Rs.2,33,060.00 | |
| 30. | F.D.R. to Ferry Ghat Approach Rd. | Rs. 7,036.00 | |
| | Total | Rs. 9,10,170.00 | |

## ANNEXURE 'B'

অনুবন্ধ 'খ'

F.D.R. for 1986-87

| Sl. No. | Name of the Road | Amount spent for F.D.R. works |
|---|---|---|
| 1 | 2 | 3 |
| 1. | F.D.R. to U.M. Malakhowa Tatipara Road | 9,922.00 |
| 2. | F.D.R. to Kathallbari Purandiara Rd. | 85,608.00 |
| 3. | F.D.R. to Dhanua Kathalbari Road | 20,495.00 |
| 4. | F.D.R. to 3rdK.M. Tura Mankachar Road | 28,359.00 |
| 5. | F.D.R. to Aidoba Pipulabari Singimari Rd. | 25,491.00 |
| 6. | F.D.R. to Kakripara Sadatillah Rd. | 72,793.00 |
| 7. | F.D.R. to Hallidagonj Manchar Road | 62,170.00 |
| 8. | F.D.R. to Hallidagoj Hazihat Road | 69,337.00 |
| 9. | F.D.R. to South Salmara Pathakata Road | 30,275.00 |
| 10. | F.D.R. to Phulbari South Salmara Road | 1,40,363.00 |
| 11. | F.D.R. to Fakamari G.P.V.Road | 74,748.00 |
| 12. | F.D.R. to Fakirgonj Tikrikilla Rd. | 22,570.00 |
| 13. | F.D.R. to Bashbari Ransai Road | 24,156.00 |
| 14. | F.D.R. to Takimari Fotangapara Rd. | 1,760.00 |
| 15. | F.D.R. to Balijans Damal Borjhora Road | 29,690.00 |
| 16. | F.D.R. to Goalpara Matia Road | 1,49,259.00 |
| 17. | F.D.R. to Kamakhyabari approach Road | 93,474.00 |
| 18. | F.D.R. to Palashbari Dakhin Darrirpar Rd. | 2,309.00 |
| 19. | F.D.R. to Basbari Chunari Road | 13,566.00 |
| 20. | F.D.R. to Goalpara Karaikjowa Road | 7,150.00 |
| 21. | F.D.R. to Jaleswar Dhumarghat Road | 13,127.00 |
| 22. | F.D.R. to Lakhipur Jaleswar Road | 2,160.00 |
| 23. | F.D.R. to Lakhipur Khalisvita Road | 32,967.00 |
| 24. | F.D.R. to dira Pipulbari Road | 42,489.00 |
| 25. | F.D.R. to B.O.P. appraoach Road | 34,365.00 |
| 26. | F.D.R. to Karaikhowa Taltola Road | 1,700.00 |
| 27. | F.D.R. to Khutamari Kharmuji Road | 2,550.00 |
| 28 | F.D.R. to Markula Kallyanpur Road | 6,205.00 |
| 29 | F.D.R. to East Pahartoli Road | 15,454.00 |
| 30. | F.D.R. to Ravartary Medartary Road | 2,46,765.00 |
| 31. | F.D.R. to Porarvita Airkata Road | 2,63,073.00 |
| 32. | F.D.R. to Improvement of kalpana Cinema Hall approach Road | 50,000.00 |
| 33. | F.D.R. to Fulgossa Gossaidubi Road | 4,387.00 |
| 34. | F.D.R. to 5th K.M. of Lakhipur Chunari Road to Chaklabilpara | 3,372.00 |
| 35. | F.D.R. to Pancharatna Khutamari Road | 8,855.00 |
| 36. | F.D.R. to Motalled Creamation Ground Rd. | 3,576.00 |
| 37. | F.D.R. to Transport to P.K. Ghose Road | 5,463.00 |
| 38. | F.D.R. to Goalpara Goaltuli Road | 3,461.00 |
| 39. | F.D.R. to Sukchar Telipara Road | 4,845.00 |
| 40. | F.D.R. to Kakripara Beparipara Road | 4,156.00 |
| 41. | F.D.R. to Kalapani Kazipur Road | 8,857.00 |
| 42. | F.D.R. to Kalakristi Singha Road | 6,563.00 |
| 43. | F.D.R. to 2nd K.M. Goalpara Matia Road to Pitabari | 4,171.00 |
| 44. | F.D.R. to Markula Simlabari Road | 4,031.00 |
| 45. | F.D.R. to 4th K.M. of Agia Madhipara Road | 706.00 |
| 46. | F.D.R. to Gaurnagar Tikarikla Road | 1,501.00 |
| 47. | F.D.R. to Goalpara to Old Baladmari Road | 15,109.00 |
| 48. | F.D.R. to Marishbari Choulkara Road | 5,548.00 |
| 49. | F.D.R. to Sonarpar Road | 2,644.00 |
| 50. | F.D.R. to Tura Mankachar Road to Sonarpar Road | 19,773.00 |
| | Total | 18,00,462.00 |

বিষয় ঃ নগাওঁ চহৰৰ ৰাষ্ট্ৰীয় পথ

শ্ৰীৰসিদুল হকে সুধিছে ঃ

১১৬১। মাননীয় গড়.কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এইটো কথা সচাঁনে যে, নগাওঁ চহৰৰ মাজেদি যোৱা ৰাষ্ট্ৰীয় উচ্চ পথৰ দুকাষে থকা ঠাইবোৰৰ বৰ্ত্তমান চৰকাৰৰ দ্বাৰা উচ্ছেদিত হৈ দখলমুক্ত হোৱাৰ পিচত বহু সংখ্যক মটৰ গাড়ী মেৰামতি কাৰখানা, মটৰ গাড়ীৰ বডি বনোৱা শিল্প আৰু গেৰেজ আদি স্থাপন কৰা হৈছে ?

(খ) যদি সচাঁ হয়, তেন্তে চৰকাৰে সোনকালে উক্ত নতুনকৈ হৈ উঠা কাৰখানা সমূহ উচ্ছেদ কৰাৰ ব্যৱস্থা লবনে ?

(গ) যদি সচাঁ হয়, তেন্তে যান বাহনৰ চলাচল বন্ধ কৰি দি এই মালিক সকলক ৰাষ্ট্ৰীয় উচ্চ পথৰ সংশ্লিষ্ট অংশ চৰকাৰে কেতিয়ামানে চমজাই দিব পাৰিব ?

(ঘ) বাট পথৰ কাষৰ দখল মুক্ত ঠাইবোৰত ৰাজ্যৰ অন্যান্য ঠাইতো বিভিন্ন ব্যৱসায়ৰ মালিক সকল একে ধৰণৰ অসুবিধাৰ সন্মুখীন হোৱাৰ কথা চৰকাৰে স্বীকাৰ কৰেনে ?

শ্ৰীঅতুল বৰা (গড়.কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ চহৰৰ হয়বৰ গাওঁৰ মাজেদি যোৱা ৰাষ্ট্ৰীয় পথৰ দখলমুক্ত মাটিত কোনো মটৰ গাড়ী মেৰামতিৰ কাৰখানা, মটৰ গাড়ীৰ বডি বনোৱা শিল্প বা গেৰেজ স্থাপন কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ওপৰৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ব্যৱসায়ৰ মালিকসকল অসুবিধাৰ সন্মুখীন হব নালাগে।

Re: DIVISIONAL BOARD, PLAIN TRIBAL WELFARE.

Shri A.F. Golam Osmani asked :

1162. Will the Minister of W.P.T. & S.C. be pleased to state :

(a) When the present Sub-Divisional Boards for :

(a) 'Barpeta Sub-Divisional Boards for P.T. Welfare and

(b) Barpeta Sub-Divisional Boards for S.C. welfare were constituted.

(b) What are the terms of life of the Boards ?

(c) Who are the members of the respective Boards and communities to which they belong ?

( Please mention the sub-caste/sub-tribe to which they belong to ).

Shri Thaneswar Boro, Minister, Welfare of Plains Tribes and Backward Classes will reply :

(a) (a) Present Subdivisional Tribal Development Board, Barpeta was constituted on 2.8.1986 vide notification no. TAD/ST/59/84/266.

(b) Present Subdivisional Scheduled Caste Development Board, Barpeta was constituted on 31.7.86 vide notification no. TAD/SC/60/84/Pt.II/175.

(b) The terms of life of the Boards were initially for one year only but the terms were subsequently extended until further orders.

(c) The list of the members of both Boards along with the communities and sub-tribes/sub-castes are at the table of the House.

List of Sub-Divisional Tribal Development Board : Barpeta

| | | Community/ Sub-Tribe |
|---|---|---|
| 1. Shri Rajendra Prasad Rabha, Vill. & P.O. Saudarbhitha. | Chairman. | Boro Kachari |
| 2. Shri Arjun Boro, Vill. Agdia, Mauza, Sarukhetri. | Member | - do - |
| 3. Shri Baneswar Basumatary, Vill. Bargaon, Mauza-Bijni. | - do - | - do - |
| 4. Shri Birendranath Ramchiary, Vill. & P.O. Rupahi. | - do - | - do - |
| 5. Shri Ripu Boro, Vill.Hatizana, gohekhanda, P.O. Howly | - do - | - do - |
| 6. Shri Budhi Boro, Vill. & P.O. Andah, Mauza-Paka. | - do - | - do - |
| 7. Shri Ratna Boro, Vill. & P.O. Salbari. | - do - | - do - |
| 8. Shri Tarun Sen Kachari, Vill. Balapara, Mouza- Paka. | - do - | - do - |
| 9. Shri Ratneswar Boro, Vill. & P.O. Salbari. | - do - | - do - |
| 10. Shri Nageswar Deori, Vill. Dighaldanga, Mouza - Paka. | - do - | - do - |
| 11. Shri. Sadhu Boro Vill. Banmaxa, P.O. Howly. | - do - | - do - |
| 12. Shri Gahin Kherkatari, Vill. & P.O. Saudarbhitha. | - do - | - do - |
| 13. Shri Biren Boro, Vill. Randia, P.O. Howly. | - do - | - do - |
| 14. Shri Bhadreswar Boro, P.O. Salbari. | - do - | - do - |
| 15. Shri Ananta Boro, Vill. Kuichajhar, P.O. Bhawanipur. | - do - | - do - |
| 16. Shri Baburam Gayary, Vill. Barshahan, P.O. Patacharkuchi, Via. Tihu. | - do - | - do - |
| 17. Shri Laven Boro, Vill. Pachim Rihaabari, P.O. Pub Rihabari. | - do - | - do - |
| 18. Shri Bhadreswar Boro, Vill. Saru Manikpur, P.O. Saru Manikpur. | - do - | - do - |
| 19. Deputy Commissioner/Subdivisional Officer | - do - | |
| 20. Project Director, ITDP, Barpeta. | - do - | |
| 21. Heads of Sub-Div. Dev. Deptt. | - do - | |
| 22. Subdivisional Welfare Officer, Barpeta. | Membe Secretary. | |

N.B. One Member viz Shri Jamidar Boro has since expired and the resultant vacancy has not yet been filled up.

List of Sub-Divisional Scheduled Castes Dev. Board : Barpeta :

| | | | Community/ Sub-Tribe |
|---|---|---|---|
| 1. | Shri Girish Ch. Das, Vill. & P.O. Sarupeta. | Chairman. | Muchi |
| 2. | Shri Mahadeb Das, Vill. Khyerbari, P.O. Gati. | Member | Hira |
| 3. | Shri Bhabananda Das, Vill. Kumguri, P.O. Rupahi. | - do - | Koch |
| 4. | Shri Niranjan Das, Vill. & P.O. Patbausi. | - do - | Namusudra |
| 5. | Shri Kanailal Karmakar, Barpeta Bazar. | - do - | Bania |
| 6. | Shri Bani Kanta Das, Royatpara, Barpeta | - do - | Kaibartta |
| 7. | Shri Gokul Ch. Das, Vill. & P.O. Bhabanipur. | - do - | Bania |
| 8. | Shri Ramkrishna Das, Ghoramarahati, Barpeta. | - do - | Bania |
| 9. | Shri Sontosh Malakar, Vill. Malipara, P.O. Dubi. | - do - | Mali |
| 10. | Shri Tarapada Das, Mandia. | - do - | Muchi |
| 11. | Shri Kitti Das, Dharmapur, Serbhog. | - do - | Kaibartta |
| 12. | Shri Abhay Das, Vill. Bangaon, Saldah. | - do - | Namusudra |
| 13. | Shri Mahindra Nath Das, Vill. & P.O. Sarupeta. | - do - | Namusudra |
| 14. | Shri Umesh Ch. Das, Vill. Charna, P.O. Charna Bazar. | - do - | Hira |
| 15. | Shri Achyut Kr. Baishya, Vill. Kaljirapara, P.O. Nityananda. | - do - | Bania |
| 16. | Shri Sanatan Das, Baniakuchi, P.O. Sarthebari. | - do - | Kaibartta |
| 17. | Shri Gajen Roy, Vill. & P.O. Bamundi. | - do - | Namusudra |
| 18. | Shri Manoranjan Pathak, Majarpara, Barpeta. | - do - | Kaibartta |
| 19. | Shri Satya Nath Das, Vill. & P.O. Nagaon. | - do - | Kaibartta |
| 20. | Shri Nalini Kanta Das, Ghoramarahati, Barpeta. | - do - | Hira |
| 21. | Shri Lankeswar Das, Vill. Helona, P.O. Bongaon. | - do - | Namusudra |
| 22. | Deputy Commissioner/Sub-Divisional Officer. | - do - | |
| 23. | Project Director, ITDP, Barpeta. | - do - | |
| 24. | Heads of Sub-Div. Dev. Deptt. | - do - | |
| 25. | Subdivisional Welfare Officer, Barpeta. | Member Secretary | |

### Re. : AMOUNT SANCTIONED FOR TRIBAL DEVELOPMENT AUTHORITY

Shri A. F. Golam Osmani, asked.

1163. Will the Minister of Welfare of Plain Tribes be pleased to state :

(a) Amount sanctioned to Tribal Development Authority in between 1983-84 to 1987-88 (please furnish information year - wise).

(b) Amount spent in the period under reference against which Schemes ? (Please furnish information year-wise).

(c) Amount undisbursed till date ?

Shri Thaneswar Boro, Minister, W.P.T. & S.C. replied :

(a) Amount sanctioned including grants-in-aid for establishment to the Tribal Development Authority (Yearwise) is as follows :-

| | |
|---|---|
| 1983-84 | Rs. 2819,183/- |
| 1984-85 | Rs. 3,58,60,000/- |
| 1985-86 | Rs. 65,12,000/- |
| 1986-87 | Rs. 1,38,72,000/- |
| 1987-88 | Rs. 1,46,00,000/- |
| Total | Rs. 7,36,63,183/- |

(b) Amount spent in the period under reference against which schemes is as follows :-

| | |
|---|---|
| 1983-84<br>1984-85<br>1985-86 | No expenditure was incurred on any Scheme. |

Scheme wise expenditure from 1986-87 to 1988-89 (till 5.5.88) are as folows :

| | | |
|---|---|---|
| 1986-87 : | (a) Education | Rs. 49,40,000/- |
| | (b) Vety. | Rs. 18,48,206/- |
| | (c) Agriculture | Rs. 44,21,224/- |
| | (d) P.W.D. (Link Road) | Rs. 21,26,000/- |
| | Total | Rs. 1,33,35,430/- |
| 1987-88 : | (a) P.W.D. | Rs. 30,00,000/- |
| | (b) Drinking Water Facilities | Rs. 5,83,200/- |
| | (c) Individual family oriented scheme | Rs. 1,05,284/- |
| | (d) Irrigation | Rs. 67,31,880/- |
| | Total | Rs. 1,04,20,364/- |
| 1988-89 (Till 5.5.88) : | (a) Agrigulture | Rs. 2,00,000/- |
| | (b) Community Hall | Rs. 3,65,600/- |
| | (c) Health Sub-Centre | Rs. 32,55,000/- |
| | (d) Irrigation | Rs. 4,93,970/- |
| | Total | Rs.43,14,570/- |

(c) Amount undisbursed till date is Rs 5,12,86,361.65 This undisbursed balance includes fund sanctioned by the Goverment interest and other receipts of the Assam Tribal Development Authority.

Mr. Speaker : I have received a notice from the leader of the Opposition for raising a matter yesterday and today I request the Hon'ble Member to raise the matter.

শ্ৰীগোলোক ৰাজবংশী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি সদনৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা এটা প্ৰতিশ্ৰুতি বিচাৰি এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো । এই সদনেই সন্মতি জনাইছিল যে আমাৰ সদনৰ পৰা এটা সজাতি দল দিল্লীলৈ গৈ আমাৰ ৰাজ্যখনত টুৰিজিম বিভাগটো অৰ্থাৎ পৰ্য্যটক বিভাগটো অধিক আকৰ্ষণীয় কৰিবলৈ ৰেষ্ট্ৰিকটেড পাৰমিট উঠাই দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অনুৰোধ জনাব লাগে । কিন্তু 'পেটৰিয়ট' আৰু ৮ মে তাৰিখৰ অগ্ৰদূত কাকতত এজন ৰাজ্যিক মন্ত্ৰীয়ে মানাসত কৰা অশোভনীয় আচৰণৰ কথা প্ৰকাশ পাইছে আৰু এই বাতৰি সচাঁ হয় নে নহয় মই নাজানো সেয়ে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা ইয়াৰ প্ৰত্যুত্তৰ বিচাৰিছোঁ । বাতৰি কাকতত দিয়া মতে বাতৰিটো এই - মিচেচ ফেচাৰৰ নেতৃত্বত এটা বিদেশী পৰ্য্যটক দল মানস অভয়াৰণ্যলৈ গৈছিল আৰু সেই সময়তে অসম চৰকাৰৰ এজন ৰাজ্যিক মন্ত্ৰীয়ো তাত উপস্থিত আছিল আৰু তেওঁৰ লগত এজন বিধায়ক আৰু অন্যান্য বন্ধু বৰ্গৰ সৈতে তালৈ গৈছিল আৰু সেই বিদেশী পৰ্যটকক অশোভনীয় আচৰণ কৰা বুলি অভিযোগ উঠিছে । অকল সেইটোৱেই নহয় বাতৰিত দিয়া মতে সেই সময়ত ফেচাৰ যেতিয়া তাত আছিল এই দলটো তাত গৈ পাইছিল । গতিকে সেই গৰাকী টুৰিষ্টে এই অশোভনীয় আচৰণ সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অভিযোগ কৰিছে এই বুলি that the world famous sanctuary is not at all safe in the hands of those who are entrusted to protect it. গতিকে এইটো যদি হয় তেতিয়া হলে এই ক্ষেত্ৰত চৰকাৰৰ যিটো ভাবমূৰ্ত্তি সেইটো সচাঁকৈয়ে ম্লান হৈ গৈছে । আৰু এই ক্ষেত্ৰতে তেখেতে কেন্দ্ৰীয় চৰকাৰৰ হোম মিনিষ্টায়ৰৰ দৃষ্টি আকৰ্ষণ কৰিছে । গতিকে অধ্যক্ষ মহোদয়, যি সময়ত এই সময়ত পৰ্যটকৰ আগমন বেছি কৰিবৰ কাৰণে আলোচনা কৰি ব্যৱস্থা লব খুজিছে সেই সময়ত এই পৰ্যটকৰ বিৰুদ্ধে মহন্ত চৰকাৰৰ এজন মন্ত্ৰীৰ লগত বিধায়ক আৰু অন্যান্য বন্ধু বান্ধৱ গৈ এনেদৰে কৰা অশোভনীয় আচৰণে আমাক আজি চিন্তা কৰিবলৈ বাধ্য কৰিছে । তেনে এটা সময়ত আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ ৰাজ্যৰ সজাতি দলৰ লগত যাব নে নাযায় সেই বিষয়ে বি-ঠিংকিং কৰিব লগীয়া হৈছে । সেই কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো । আৰু প্ৰকৃত ঘটনাটো কি হৈছিল সেই বিষয়ে জানিব বিচাৰিছো ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, দিল্লীৰ পৰা প্ৰকাশিত "পেট্ৰিয়ত" নামৰ বাতৰি কাকতৰ ৯ মে ১৯৮৮ৰ সংখ্যাত 'আসাম মিনিষ্টাৰ একুজদ অফ্ ইনডিচেন্ট বিহেভিয়াৰ' শীৰ্ষক বাতৰি প্ৰসঙ্গত মাননীয় সদস্য গৰাকীৰ দৃষ্টি আকৰ্ষণৰ ক্ষেত্ৰত অসম চৰকাৰৰ দৃষ্টিগোচৰ হৈছে ।

"ডেভিদ চেয়াৰ্ছ ট্ৰেভেল" নামৰ লণ্ডনস্থ এখন প্ৰতিষ্ঠানৰ পৰ্যটক হেভিকা ফ্ৰেজাৰে ১৩ এপ্ৰিল, ১৯৮৮ তাৰিখৰ চিঠিযোগে যোৱা ১০-১১ এপ্ৰিল তাৰিখে তেওঁৰ মানস অভয়াৰণ্য ভ্ৰমণ কালত হোৱা তিক্ত অভিজ্ঞতাৰ কথা জনাই মোলৈ এখন চিঠি দিছিল । চিঠিখন মুখ্য মন্ত্ৰীৰ সচিবালয়ত ২০ এপ্ৰিলত পোৱা হয় আৰু সেই একে দিনাই মোৰ দৃষ্টি গোচৰ হয় । চিঠিখনৰ যোগেদি অসম চৰকাৰৰ বান নিয়ন্ত্ৰন বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীউৎপল দত্তকে ধৰি তেওঁৰ লগত অহা কিছুমান অতিথিয়ে ১০ এপ্ৰিল, ১৯৮৮ তাৰিখে ৰাতি অতিথিশালাত সুৰাপান কৰি ডাঙৰ ডাঙৰ কৈ গান গাই হুলস্থুলীয়া পৰিবেশ কৰে

বুলি অভিযোগ কৰে, লগতে এইটো অভিযোগ কৰে যে হুলস্থুল নকৰিবৰ বাবে তেওঁ অনুৰোধ কৰা স্বত্বেও হুলস্থুল বন্ধ নহ'ল যাৰ ফলত তেওঁ অৱশৰ লোৱাত ব্যাঘাট জন্মিছিল। তেখেতে এইটোও জনাইছিল যে উক্ত দলটোৱে ৰাতি ১১ বজাৰ পিছত নিজ নিজ ঠাইলৈ গুছি গ'ল যদিও পিছদিনাও আকৌ বহু সময় একেদৰে গান বাজানা কৰিছিল।

পেট্ৰিয়ত কাকতত প্ৰকাশ কৰা মতে ফেচাৰৰ চিঠিখনত অসম গণপৰিষদ দলৰ বিধায়ক শ্ৰীকেশোৰাম বৰা আৰু মোৰ ভাতৃ শ্ৰীদিলীপ মহন্তৰ বিষয়ে একো উল্লেখ কৰা নাছিল। বাতৰিত প্ৰকাশ কৰা দৰে শ্ৰীউৎপল দত্ত আৰু তেওঁৰ সঙ্গীবৃন্দই ফ্ৰেজাৰক বা অন্য বিদেশী পৰ্যটকক উন্মত্ত হৈ অসৎ ব্যৱহাৰ কৰা বুলিও তেখেতৰ চিঠিত লেখা নাছিল। হেভিকা ফ্ৰেজাৰৰ চিঠিখন পোৱাৰ পিছত মোৰ সচিবালয়ৰ যুটীয়া সচিবে ২৫ এপ্ৰিল, ১৯৮৮ৰ চিঠিযোগে তেখেতে তোলা অভিযোগ সম্পৰ্কে বিহিত ব্যৱস্থাৰ বাবে উচ্চতৰ মহলৰ দৃষ্টি আকৰ্ষণ কৰা বুলি জনাই তেখেতৰ থকা মেলাৰ ক্ষেত্ৰত হোৱা অসুবিধাৰ বাবে দুখ প্ৰকাশ কৰে।

ৰাজ্যিক বান নিয়ন্ত্ৰণ মন্ত্ৰী শ্ৰীউৎপল দত্তৰ পৰা জনামতে তেখেতে চৰকাৰী ভ্ৰমণসূচী মতে ৮ এপ্ৰিলৰ দিনা গুৱাহাটীৰ পৰা ধুবুৰী পায়গৈ আৰু ৯ তাৰিখে ধুবুৰীত সীমান্ত অঞ্চল ভ্ৰমণ কৰি ১০ তাৰিখে কোকৰাঝাৰত কাৰ্য্যসূচীমতে কামকাজ কৰি ৰাতি ৭-৩০ মান বজাত মথনগুৰী পৰিদৰ্শন গৃহ পায়গৈ। শ্ৰীকেশৰাম বৰা বিধায়ক আৰু শ্ৰীদিলীপ মহন্ত বেলেগে বেলেগে সেই দিনাই মথনগুৰিলৈ গৈছিল। তাত উপস্থিত থকা দুই এজন লোকে ৰঙালী বিহুৰ আগমুহূৰ্তত দুই এটা বিহুগীত গাইছিল বুলি জনা যায়। এগৰাকী বিদেশী মহিলাই ৰাতি ১০-৩০ মান বজাত আপত্তি দৰ্শোৱাৰ বাবে বিহুগীত বন্ধ হয়।

উক্ত বাতৰি কাকতত প্ৰকাশ কৰা মতে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰা প্ৰতিবেদন বিচাৰি লেখা কোনো চিঠি পত্ৰ ৰাজ্য চৰকাৰে পোৱা নাই। তেনেধৰণৰ কথা জনাই বিদেশী মহিলা গৰাকীয়ে মোলৈ যিখন চিঠি লিখিছিল তাৰ কপি চি, চি, ওফ মিঃ উৎপল দত্ত সেৱা ট্ৰেভেলচ আৰু ডাইৰেক্টৰ টাইগাৰ প্ৰজেক্টক দিছিল। চেন্ট্ৰেল হোম মিনিষ্ট্ৰিৰ পৰা ৰাজ্য চৰকাৰে চিঠি পোৱা নাই। মহিলা গৰাকীয়ে আমাৰ মুখ্যমন্ত্ৰী সচিবালয়লৈ চিঠিখন দি অসুবিধা পাইছে বুলি দুখ প্ৰকাশ কৰিছে। ভৱিষ্যতে বিদেশী পৰ্যটক আহিব লগা হলে আমাক আগতীয়াকৈ জনালে আমি তাৰ ব্যৱস্থা লম। আমাৰ তৰফৰ পৰা এই ক্ষেত্ৰত আমি দুখ প্ৰকাশ কৰিছো।

## ADJOURNMENT MOTION

Mr. Speaker : Now I have received a notice of Adjournment Motion from honourable member Shri B. K. Basumatari. He will raise the matter.

Shri B.K. Basumatari : Honourable speaker Sir, under Rule 56, 57 and 58 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, I wish to solicit the consent of the honourable Speaker for adjournment of the Business of the Assembly for the purpose of discussing a definite matter of urgent public importance, e.g.

the "The kiling of one person and wounding three others at village Sarfang, under Udalguri Police Station in Darrang District on 9th May, 1988 by the Officer-in-Charge Orang Police Station." Sir, my notice itself clearly implises that I wish to raise a matter of public importance which is definite and thereof I am placing it for consideration of the House. As per our book "Practice and Procedure of Parliament by Kual and Shakdher"" at page 424 it says that the matter to be raised must be of public importance. Sir, in this connection i wish to refer to sub para (i) "the matter raised should be larger issue than a merely individual grievance" page 424. Sir, this matter is no longer an individual grievance. In support of my contention I wish to refer to the constitution of India Article 21 which i wish to read for information of the House. " 21. Protection of life and personal liberty - No person shall be deprived of his life or personal liberty except according to procedure established by law." "Article 22 - Protection against arrest and detention in certain cases - (1) No person who is arrested shall be detained in custory without being informed, as soon as may be, of the grounds for such arrest nor shall he be denied the right to consult, and to be defended by, a legal practitioner of his choice." In this connection, I would like to refer to a news item published in "The Assam Tribune" of date in front page column 1. In the head-line it says" Tribals Observe 12 Hour Bandh : Clash at Gohpur". I wish to read out a portion from this column which says "Our staff reporter adds : Shri Purna Kanta Daimari, 16, was killed on the spot and three others including two girls were seriously injured when Police opened fire at Serfung (Sonai) village under Udalguri Police Station in Darrang district early last morning, the All Bodo Students Union has alleged in a statement. While condemning the firing, the statment alleged that a dozen assam Policemen from Uedalguri Police station led by Sri Sangmai, O/C of Orang raided the village Serfung with a view to crack down on ABSU activits during peaceful, democrative and non-violent movements for separate homeland for plains tribals of Assam in the North Bank of the Brahmaptra." Now sir, there is no bundh, there was no law and order situation on 9th May in this village Serfung under Udalguri Police Station which is in may constituency in the district of Darrang. Now sir, if there was an occassion when the ploice raided the village then sir, as per the constitution of India they should have notified that they arrested. They are at libety to arrest our people and to show cause why they are arrested but they did not have liberty to kill our people. Sir not only this, our book practice and Procedure of Parliament by Kaul and Shakdher at page 420 under the headline says "Matter must be definite" it says "(a) relate to a single specific matter :An adjournment motion to discuss an inquiry report as a whole has been held as not relating to a specific matter. A motion must not raise

more than this movement and unfortunately this Assam Police have killed our tribal people without proper legal procedures. Sir, that is why, I feel that you would kindly allow us to adjourn the business of this House of today and discuss this issue.

Mr. Speaker : Now, I would like to hear Minister of State, parliamentary Affairs on the aedmissibility of the adjournment motion.

শ্ৰীপ্ৰদীপ গগৈ (মন্ত্ৰী) সংলদী পৰিক্ৰমা) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবিনয় খুংগুৰ বসুমতাৰী দাঙৰীয়াই পুলিচৰ গুলিত যি জন লোকৰ মৃত্যু হোৱা বুলি কৈছে আমি এই কথাটোত অত্যন্ত দুখ পাইছো আৰু মৃতকৰ আত্মাৰ সদ্‌গতিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো। কিন্তু তেখেতে যিটো সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিছে আৰু এই সম্পৰ্কত যিখিনি কথা ডাঙি ধৰিছে সেই খিনি বিশ্লেষণ কৰিলে এই সভা স্থগিত প্ৰস্তাৱ গ্ৰহণ কৰিব পৰা নাযায়।

I will nowquote from Prac tice and Procedure of Parliament by Kaul and Shakdher. "It has been held that calling armed forces by a competent authority of the government of a State in aid of the local police force to maintain law and order cannot be the subject matter of an adjournment motion as under the code of Criminal Procedure, 1973 a Magistrate is empowered to call the armed forces when he fels that an unlawful assembly cannot be otherwise dispersed.

The action of the Government of a State which he is empowered to take under the provisions of the constitution cannot form the subject-matter of an adjournment motion." In view of this, Sir, submit that the matter cannot be the subject matter of adjournment motion.

Mr. Speaker : I have heard the hon. member Shri B. K. Basumatari and the Minister of State for Parliamentary Affairs. I have already made my observations regarding raising of adjournment motion about 2/3 days before. I am sorry I cannot agree with the observation of the hon. member Shri B.K. Basumatari. The matter of police firing cannot be the subject matter of adjournment motion. so, I disallow it.

Shri Binai Khungur Basumatari : Sir, the assembly was not unlawful. It was not declared so by the Magistrate. I cannot agree with your ruling, Sir. I register my protest against it and I stage a walk-out. (The hon. Member left the chamber).

Mr. Speaker : Not now, Item No. 2 Shri Debeswar Bora.

Shri Altaf Hossain Mazumdar - Sir, regarding the Schools I want to raise a very important matter.

Mr. Speaker : Not now. Item No. 2 : shri Debeswar Bora.

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰকৃয়া আৰু পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত, ১৯৮৮ চনৰ ৭ মাৰ্চ তাৰিখে 'দৈনিক জনমভূমি' কাকতত প্ৰকাশিত কেটি টকা মূল্যন কাঠ এনেয়ে পনি থকাৰ অভিযোগ। এ বাতৰিটোৰ সম্পৰ্কে মূখ্য মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন বন সংমগুলৰ কাৰ্য্যালয়ৰ সন্মুখত বহু কাঠ পৰি থকা বুলি বাতৰি কাকতত অভিযোগ প্ৰকাশ হৈছে। জনমভুমি কাকতত বিশেষ ভাবে গোলাঘাট জিলাৰ সৰু পথাৰ, বৰ পথাৰ সংমগুলৰ কাৰ্য্যালয়ৰ সন্মুখত বহু লাখ টকাৰ কাঠ এনেয়ে পনি আছে বুলি কৈছে। মই স্থানীয় বিধায়ক হিচাবে নিজেও দেখি আহিছো যে গোলাঘাট বন সংমগুলৰ বিভিন্ন ঠাইত বহুতো টকাৰ কাঠ এনেয়ে পৰি আছে। চৰকাৰে এই ধৰণেৰে এনেয়ে পৰি থকা কাঠ বিলাকৰ সম্পৰ্কঈত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনেকৈ বহু লাখ টকাৰ কাঠ এনেয়ে পৰি থকাৰ কথাটো মুখ্যমন্ত্ৰী মহোদয়েও বাতৰি কাকতত নিশ্চয় দেকিবলৈ পাছে। গতিকে এই সম্পৰ্কত তেখেতে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো সদনক জনাব লাগে। এই খিনিতে মই আৰু এটা কথা কব বিচৰিছো যে বেআইনী ভাবে ৰেংমা অঞ্চলত কাঠ কাটি থকা অবস্থাতে বন বিভাগে কাঠ বিলাক ধৰি জব্দ কৰি ৰাখিলে। এই কাঠ বিলাকো সোনকালে বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। এই কে,ত্ৰত আৰু এটা কথা দেখা গৈছে যে আমাৰ অডিটৰ জেনেৰেলে এনে ধৰণৰ মত প্ৰকাশ কৰিছে যে আমাৰ বহুত বিলাক কাঠ বিক্ৰী নোহোৱাকৈ এনেয়ে পৰি থকাৰ কাৰণেই সম চৰকাৰে ৰাজহ হেৰুৱাবলগীয়া হৈছে। এই কাকতত কাঠৰ টুকুৰা এনেয়ে পৰি থকাৰ এখন ফটোও প্ৰকাশ কৰিছে। মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কত কি ব্যৱস্থা লৈছে সেইটো জানিবৰ কাৰণে মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অসমৰ বিভিন্ন ক্ষেত্ৰ সংমগুলত যোৱা ২ - ৩ বছৰ ধৰি এনে বুজন পৰিমানৰ কাঠ বিক্ৰী নোহোৱাকৈ এনেয়ে পৰি থকাটো সত্য। এই কাঠৰ মূল্য প্ৰায় ২ কোটি ২০ লাখ টকা মান হব। সংমগুল প্ৰাধিকাৰী সকলে আৰু আন আন বিষয়া সকলেও এই কাঠ বিলাক বিধি সন্মত ভাবে বিক্ৰী কৰি চৰকাৰী ৰাজহ আৰু গছ কটাৰ বাবে বিভাগীয় খৰচ আদি উলিয়াবলৈ পাৰ্য্যমানে চেষ্টা দি আহিছে। কিন্তু কিছুমান এৰাব নোৱাৰা কাৰণবসতঃ কাঠবোৰ বিক্ৰী কৰিব পৰা হোৱা নাই। (কাৰণ সমূহ চমু ভাবে তলত উল্লেখ কৰা হ'ল)

এইটো উল্লেখনীয় যে ১৯৯৩ চনৰ পৰা ১৯৮৫ চনৰ প্ৰায় শেষ ভাগলৈ চৰকাৰে কাঠৰ বাবে বহুতো অনুজ্ঞাপত্ৰ দিছিল। এই অনুজ্ঞাপত্ৰবোৰৰ যোগেদি দিয়া কাঠৰ মূল্য চৰকাৰে বজাৰ দৰতকৈ বহু কমত নিৰ্দ্ধাৰণ কৰি দিছিল। যাৰ ফলত আগৰ লট কৰি নিবিদাৰ দ্বাৰা বিক্ৰী কৰা প্ৰথাৰ প্ৰতি ব্যৱসায়ী সকলৰ আকৰ্ষণ একেবাৰে নোহোৱা হৈ পৰিল আৰু সকলোৱে অনুজ্ঞাপত্ৰৰ যোগেদিহে কাঠ লবলৈ উঠিপনি লাগিল। সাধাৰণতে লট কৰি নিবিদাৰ দ্বাৰা বিক্ৰী কৰোতে কোনো কোনো লটৰ ভাল কুণ্ডাৰ লগতে দুই এটা কিছু বেয়া কুণ্ডাও মিহলি হৈ থাকে। অনুজ্ঞা পত্ৰৰ কাঠৰ মূল্য বহুতো কম হোৱা হেতুকে লট বিলাকৰ বাবে নিবিদা আহ্বান কৰাত ইয়াৰ কিছুমানৰ মূল্য চৰকাৰী ৰাজহ

আৰু গছ কটাৰ বিভাগীয় খৰচতকৈ কিছু কম বা তাৰ ওচৰে পাজৰে পোৱা হয়। কিন্তু এনে ক্ষেত্ৰত সেই দামত বিক্ৰী কৰিলে হিচাপ পৰীক্ষকৰ পৰা আপত্তি (Audit Objection) উঠাৰ সম্ভাবনা কৰি সেই মূল্যতে কন্দবস্তি নিদি পিচত কিছু বেছি মূল্য পোৱাৰ আশা কৰি আকৌ নিবিদা আহ্বান কৰাৰ সিদ্ধান্তও লোৱা হয়। দুৰ্ভাগ্যবসতঃ পিচত নিবিদাৰ মূল্য আৰু বেছি হৈ উঠাত সমস্যাটো আৰু কঠিন হৈ উঠিল। সাধাৰণতে বিষয়া সকলে চৰকাৰী ৰাজহ আৰু বিভাগীয় খৰচতকৈ কম মূল্যত কন্দবস্তি নিদিয়াৰ বাবে মূল্য বেছি পোৱাৰ আশাত পুনঃ পুনঃ নিবিদা আহ্বান কৰা হয়। আনহাতে সময় পাৰ হোৱাৰ লগে লগে কুণ্ডাবোৰৰ গুণাগুণো ক্ৰমান্বয়ে বেয়া হৈ আহিব ধৰিলে আৰু শেষতগৈ কিছুমানৰ বাবে আনকি নিবিদাই নপৰা হ'ল।

আকৌ নতুন চৰকাৰে অনুজ্ঞাপত্ৰ সম্পূৰ্ণ বন্ধ কৰাৰ লগে লগে আৰু জংঘলত বনানিকৰণৰ (Regervation) বাহিৰে গছ কটাটো বন্ধ কৰাৰ লগে লগে বজাৰত আকৌ কাঠৰ চাহিদা বাঢ়ি উঠিল। এনে অৱস্থাত লটবোৰৰ বাবে নিবিদা আহ্বান কৰাত দেখা গ'ল যে এইবাৰ এই কাঠৰ ব্যৱসায়ত আগনে কোনো অভিজ্ঞতা নথকা বহুতো নতুন ব্যৱসায়ীয়ে ভাগ লৈছে। ইয়াৰে যিবিলাক লটত আশানুৰূপ মূল্য পোৱা গৈছিল সেই সকলোকে নিয়মানুসৰি কন্দবস্তি দিয়া হ'ল। ইয়াৰ ভিতৰত কোনো কোনোৱে নিবিদা মূল্য দি কাঠবোৰ নিলে আৰু আন বহুতৰ তেওঁলোকৰ নিবিদা মূল্য জমা দিব নোৱাৰাৰ বাবে কিছুদিন অপেক্ষা কৰি তেওঁলোকৰ আমানতৰ ধন (Earnest Money) বাজেয়াপ্ত কৰি আকৌ নিবিদা আহ্বান কৰা হ'ল। কিন্তু এই নীতি নিয়মবোৰ অনুকৰণ কৰোতে কিছুদিন দেৰি হৈ কাঠবোৰ নষ্ট হোৱাৰ বাবেই হওক বা অনভিজ্ঞ ব্যৱসায়ী সকলে প্ৰথমবাৰ ভাবিব নোৱাৰা ধৰণে অত্যাধিক মূল্য দিয়াৰ বাবেই হওক কোনো কোনো কে,ত্ৰত পিচৰ বাৰৰ নিবিদা মূল্য আগৰবাৰতকৈ বহু কম হোৱা দেখা গ'ল। গতিকে দিব পৰা দুই এটা লটত কন্দবস্তি দিয়াৰ পিচত নিবিদা মূল্যৰ ব্যৱধান অত্যাধিক হোৱা লটবিলাক হিচাপ পৰীক্ষকৰ আপত্তিৰ সন্দেহ কৰি কিছু বেছি মূল্য পোৱাৰ আশাত পুনঃ বিক্ৰী কৰা হ'ল। এনেদৰেও কিছু লট পুনঃ বিক্ৰী কৰা স্বত্বেও উল্লেখ কৰা কাৰণ সমূহৰ বাবে সেইবোৰ সম্পূৰ্ণ বিক্ৰী কৰিব পৰা হোৱা নাই।

বহুক্ষেত্ৰত আকৌ দেখা গ'ল যে কোনো কোনো লোকে এটা চক্ৰ গঠন কৰি (Ring Formation) যআন প্ৰকৃত ব্যৱসায়ী সকলক বিবিন্ন উপায়ে নিবিদাত ভাগ লোৱাৰ পৰা বিৰত কৰি ৰাখে আৰু তেওঁলোকৰ ভিতৰতে লটবোৰৰ কন্দবস্তি লবৰ বাবে অতি কম মূল্যতে নিবিদা দিয়ে। এই ডাক মূল্য বজাৰ মূল্যতকৈ বহু কম হোৱা হেতুকে কতৃত্বপ্ৰাপ্ত বিষয়াই এই বিলাকৰ কন্দবস্তি নিদি বজাৰ মূল্যৰ ওচৰে পাজৰে এটা মূল্য পোৱাৰ আশাত আকৌ নিবিদা আহ্বান কৰে। কোনো ক্ষেত্ৰত আকৌ কন্দবস্তি দিলেও তেওঁলোকে ঠিক সময়ত টকা জমা দিব নোৱাৰে আৰু ফলত তেওঁলোকৰ আমানতৰ ধন বাজেয়াপ্ত কৰি পুনঃ বিক্ৰী কৰা হয়। এই নিবিদা মূল্য জমা দিব নোৱাৰাৰ কাৰণ চৰকাৰীভাবে ফহিয়াই চোৱা হোৱা নাই যদিও পৰোক্ষভাবে কিছু জনা গৈছে যে - এই নতুন ব্যৱসায়ী সকলৰ নিজা মূলধন নাই। তেওঁলোকে নিবিদা দি কন্দবস্তি পোৱাৰ পিচত টকাৰ বাবে প্ৰকৃত আৰু পুৰণা ব্যৱসায়ী সকলৰ ওচৰ চাপিবলগীয়া হয়। বহু সময়ত এই ব্যৱসায়ী সকলৰ লগত দাম দৰৰ বাবে এটা মিমাংসাত উপনীত নোহোৱাত আৰু তেওঁলোকৰ পৰা উচিত সহাৰি নোপোৱাত তেওঁলোকে নিবিদামূল্যখিনি জমা দিবলৈ অপৰাগ হয়। ফলস্বৰূপে নীতি নিয়মখিনি অনুসৰণ কৰোতে মাজৰ ভালেকেইদিন পাৰ হৈ যায় আৰু ক্ৰমান্বয়ে কাঠবোৰ বেয়া হৈ আহে।

ইয়াৰ উপৰিও সীমান্তবৰ্ত্তী অঞ্চলত সঘনে হৈ থকা অশান্তিৰ ফলত আৰু গোলাঘাটৰ সীমান্তবৰ্ত্তী নানা ঠাইত ১৪৪ ধাৰা জাৰি কৰাৰ ফলত বুজন পৰিমানৰ চোৰাংভাৱে কটা কাঠ হাবিৰ পৰা বাহিৰ উলিয়াই অনাটো সম্ভৱ হৈ উঠা নাছিল। ফলত হাবিতে বহুদিন পৰি থকাৰ বাবে এই কাঠবোৰ যথেষ্ট নষ্ট হৈ গ'ল আৰু পুনঃ পুনঃ নিবিদা আহ্বান কৰা স্বত্বেও ইয়াৰ আশানুৰূপ মূল্য পোৱা নগল।

কিছু ক্ষেত্ৰত আগতে অনুজ্ঞাপত্ৰৰ ভিত্তিত আবন্টিত (alloted) হোৱা কাঠৰ মূল্য জমা দিয়াৰ পিচত নতুন চৰকাৰে সেই বোৰ বন্ধ কৰি দিয়াৰ ফলত সেই কাঠবোৰ এতিয় াও বিক্ৰী আদি নকৰাকৈ এটা চুড়ান্ত সিদ্ধান্তৰ বাবে ৰাখি থোৱা হৈছে, কাৰণ তাৰে কিছুমান এতিয়া আদালতৰ বিচৰাধীন হৈ আছে।

বৰ্ত্তমান এনে ধৰণে বিক্ৰী নোহোৱাকৈ পৰি থকা আটাইবোৰ কাঠ বিক্ৰীৰ বাবে ব্যৱস্থা লবলৈ প্ৰত্যেক জিলাতে উপায়ুক্ত, পুলিচ অধিক্ষক আৰু বন সংমণ্ডল প্ৰাধিকাৰীক লৈ একোখন কমিটী গঠন কৰি দিয়া হৈছে। এই কমিটীখনে তেনে ধৰণে পৰি থকা কাঠৰ মূল্য নিৰ্দ্ধাৰণ কৰি উপায়ুক্তই নিয়মানুসৰি নিবিদা আহ্বান কৰি বিক্ৰীৰ ব্যৱস্থা লব।

১৮৯১ চনৰ অসমৰ বন আইনখন যথেষ্ট পুৰণা হোৱা হেতুকে বৰ্ত্তমান পৰিস্থিতিত জঙ্ঘলৰ বে-আইনী বন্ধ কৰাত একেবাৰে কৃতকাৰ্য্য হৈ পৰিছে। সেয়েহে সকলো সুৰুঙা চালি জাৰি চাই এখন উপযুক্ত সময়োপযোগী বন আইন প্ৰস্তুত কৰিব পৰা গৈছে।

জঙ্ঘলত বেআইনী ভাবে গছ কটা বন্ধ কৰিবৰ বাবে প্ৰতি সংমণ্ডলতে একোটা বন সুৰক্ষা বাহিনী ((Forest Protection Squad) গঠন কৰি দিয়া হৈছে আৰু এটা বাহিনীক অসম বন সুৰক্ষা বাহিনীৰ (Assam forest Protection force) জোৱান সকলে কামত সহায় কৰি আছে।

কাকতত উল্লেখিত বাতৰিটোৰ প্ৰথম অনুচ্ছেদৰ (Paragraph) শেষৰ শাৰীটোত উল্লেখ কৰাৰ দৰে মোকৰ্দ্দমাত জড়িত কাঠবিলাকৰ আদালতৰ বিচাৰাধীন হৈ তকা বাবে আদালতৰ অনুমতি অবিহনে বিক্ৰী কৰাৰ ব্যৱস্থা লব নোৱাৰি। কিয়নো শুনানীৰ সময়ত আদালতে যিকোনো সময়তে সেইবোৰ প্ৰমান (evidence) হিচাবে দাখিল কৰিবৰ বাবে, আদেশ দিব পাৰে।

Mr. Speaker : Now Item No. 3, Hon'ble Member Shri Naren Tanti.

## MATTER UNDER RULE 301

শ্ৰীনৰেণ তাতী ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাবলীৰ ৩০১ নং নিয়মৰ অধীনত 'হাতীৰ উপদ্ৰব' এই সম্পৰ্কে বিষয় এটি উত্থাপন কৰি মুখ্য মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। চাৰ, বিধান সভাৰ মজিয়াত হাতীৰ উপদ্ৰৱ সম্পৰ্কত বহুবাৰ আলোচনা বিলোচনা নোহোৱা নহয়। এই আলোচনা বিলোচনা কৰি থকা মাজটো হাতীৰ উপদ্ৰব চলি আছে। এফালে বিধান সভাৰ মজিয়াত আলোচনা বিলোচনা কৰি আছে আৰু আন ফালে হাতীৰ উপদ্ৰব হৈ আছে। হাতী

ধৰিব লাগে বা মাৰিব লাগে সেই সম্পৰ্কত আইন কেন্দ্ৰীয় চৰকাৰৰ আছে। অসম চৰকাৰে এই ক্ষেত্ৰত একো কৰিব নোৱাৰে। আমি সাময়িক ভাবে কেনেকৈ মানুহখিনিক ৰক্ষণা বেক্ষন দিব পাৰো। হাতীৰ উপদ্ৰৱ পৰীক্ষামূলক ভাবে হলেও কিবা কৰিব পাৰো নেকি ? ৰাজ্যিক চৰকাৰে ইতিমধ্যে পৰীক্ষামূলক ভাবে কৰিছে বুলিও গম পাইছো। পৰীক্ষা মূলকভাবে কি আঁচনি লৈছে আৰু ফলাফল কি হৈছে সেই বিষয়ে ৰাইজক জনোৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছো। মৰিয়নী, বিশ্বনাথ চাৰিআলি, তেজপুৰ, গোলাঘাট, সৰুপথাৰ, বোকাখাত আদিত হাতীৰ উপদ্ৰৱত বহুত প্ৰাণহানি হৈছে আৰু শস্য নষ্ট হৈছে। এই সম্পৰ্কত ৰাইজক কেনেকুৱা ক্ষতিপূৰণ দিছে, সেই ক্ষতিপূৰণ ব্যক্তিগত মানুহৰ ওচৰ গৈ পাইছে নে নাই ? সদ্যহতে হাতীৰ উপদ্ৰৱৰ সাম কটাবৰ কাৰণে প্ৰাথমিক ব্যৱস্থা হিচাপে কি ব্যৱস্থা লৈছে ৰাইজক অৱগত কৰাৰ প্ৰয়োজন উপলব্ধি কৰিছো। এই সম্পৰ্কত মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা এটা বিবৃতি পালে সকলো কথা গম পাম বুলি আশা ৰাখিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মৰিয়নি সমষ্টিৰ অন্তৰ্গত হোলোঙাপাৰ সংৰক্ষিত বনাঞ্চলৰ ওচৰ চুবুৰীয়া অঞ্চলত বনৰীয়া হাটীয়ে উপদ্ৰৱ কৰি থকাটো সচাঁ। আনকি হাতীৰ উপদ্ৰৱত ভালেকেইজন মানুহৰ প্ৰাণ নাশ হোৱাৰ বাহিৰেও সা-সম্পতিৰো ক্ষতি সাধন কৰিছে। উল্লেখনীয় কথা এই যে হোলোঙাপাৰ সংৰক্ষিত বনাঞ্চল খনৰ মাটি কালি মাত্ৰ (প্ৰায়) ১৭ বৰ্গ কিঃ মিঃ আৰু এই বনাঞ্চল খন ঘন বসতিপূৰ্ণ এলেকাৰ মাজত এটা দ্বীপৰ দৰে অৱস্থিত। আটাইতকৈ ওচৰৰ হাবি এই বনাঞ্চলৰ পৰা কমেও দহ কিঃ মিটাৰ আতৰত আৰু এই মাজৰ অংশ খিনি জনবসতিপূৰ্ণ। চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ বনাঞ্চলবোৰত হাতীৰ উচিত সংৰক্ষণ নাপায় কাৰণে কিছুমান হাতী আগৰ পৰাই হোলোঙাপাৰ বনাঞ্চলত আহি সোমায় আৰু কিছুমান ক্ষেত্ৰত পোৱালীও জগায়। বৰ্ত্তমানে দুই তিনি বছৰ ধৰি এই সৰু বনাঞ্চল খনত ১৪।১৫ টা মান হাতী স্থায়ী ভাবে আছে। এই বনাঞ্চলখনৰ ভিতৰত খৰালি মাহত হাতীৰ খোৱা পানী নাথাকে। গতিকে খাদ্য বস্তু বিচাৰি আৰু পানীৰ কাৰণে বনাঞ্চল এৰি বাহিৰলৈ ওলাই আহিবলৈ বাধ্য হয়।

সেই হেতুকে গতানুগতিক বিভাগীয় প্ৰতিৰোধমূলক ব্যৱস্থা সমূহ যেনে আতচবাজি ফুটোৱা শুন্যলৈ গুলী কৰা বা জুইৰ দ্বাৰা ভয় দেখুৱাই হাতীবোৰ অৰণ্যলৈ খেদি পঠোৱাৰ প্ৰচেষ্টা আশানুৰূপ ফলপ্ৰসু নহয়।

চৰকাৰে ১৯৮৫-৮৬ চনত বিভিন্ন কাৰনত হাতী ধৰিবলৈ কেন্দীয় চৰকাৰৰ পৰা কিছুমান চৰ্ত্ত সাপেক্ষে অনুমতি পাইছিল। তেতিয়া উক্ত হোলোঙাপাৰ বনাঞ্চলৰ পৰা চিৰাচৰিত "মেলা চিকাৰ" পদ্ধতিৰে ৬টা হাতী ধৰা হৈছিল। কিন্তু হাতী ধৰাৰ কিছুমান চৰ্তলৈ ভাৰত চৰকাৰৰ লগত এটা বিতৰ্কৰ সৃষ্টি হৈছিল গতিকে, আকৌ হাতী ধৰিবলৈ আইনমতে কোনো সিদ্ধান্ত বৰ্তমান সময়ত লোৱাটো সম্ভৱপৰ নহয়।

গতিকে, হোলোঙাপাৰ বনাঞ্চলৰ পৰা হাতী বিলাক যি পথেৰে উপদ্ৰত অঞ্চললৈ ওলাই আহে, সেই পথত পৰীক্ষামুলকভাবে বিদুৎবাহী তাৰৰ বেৰ এখন দিয়াৰ কাম যোৱা ২৪-৩-৮৮ তাৰিখে সম্পুৰ্ণ কৰা হৈছে। বিদ্যুৎবাহী তাৰৰ বেৰাই হাতী ওলাই অহাত বাধা প্ৰদান কৰাত ফলপ্ৰসু হৈছে। কিন্তু এই বিদ্যুৎ তাৰৰ বেৰ দিয়াৰ পাচত হাতীবোৰ এই অঞ্চলৰ বাহিৰত একেবাৰে যে নোলাব এইটো কথা সঠিককৈ কব নোৱাৰি। কাৰণ অসমৰ নিচিনা অধিক বৰষুণ হোৱা ঠাইত এনে ধৰণৰ বেৰৰ কৃতকাৰ্য্যতা কিমান খিনি পোৱা যাব সেইটো পৰীক্ষামূলক।

Mr. Speaker :- Now Item No 4 Hon'ble Member's Shri Deva Kr. Bora.

(At 11-48 A.M. Mr. Speaker vacated the Chair and Shri Zoii Nath Sarma occupied the chair as Chairman )

Mr. Chairman, point of clarification.

**শ্ৰীদেৱ কুমাৰ বৰা ঃ** মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্যজনে যি কথা কৈছে, মই মানি লব পৰা নাই)

This August House did not take any decision on the foreigners problem and that is why students came out.

Shri Altaf Hussain Mazumdar : Mr. Chairman, what is the procedure going on ? There must be some rule.

Shri Deba Kumar Bora : As per rule it must be witin the subject. I can point out the rule.

Shri Deba Kumar Bora : It should not be allowed.

Shri A.F.Galam Osmani : Financial matters involved.

Mr. Chairman : Perhaps he is called by nature.

Shri Hamen Das : Yes, All professors including the CPM professors are brilliant, except Kumud Sarma. He does not have the requisite qualification to become the Reader. see his marks....

## DISCUSSION UNDER RULE 49

**শ্ৰীদেৱ কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৪৯ নং নিয়মৰ অধীনত, ১৯৮৮ চনৰ ১৯ এপ্ৰিল তাৰিখে মই 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকট' সম্পৰ্কে সোধা ৩১২ নং তৰা চিহ্নিত প্ৰশ্নৰ উত্তৰৰ পৰা উদ্ভৱ হোৱা বিষয়ৰ ওপৰত এটি আলোচনা উত্থাপন কৰিব বিচাৰিছো । গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থ সংকট সম্পৰ্কত যোৱা সময়চোৱাত অসমৰ কেবাখনো বাতৰি কাকতত এই বিষয়ে বহুবাৰ আলোচনা হৈ গৈছে । বিভিন্ন মহলত এই শৈক্ষিক জগতত অতি গুৰুত্বপূৰ্ণ শিক্ষাৰ ক্ষেত্ৰত এনে ধৰণৰ অবস্থাৰ প্ৰতি ৰাইজে এটা অসন্তোষ্টি প্ৰকট হৈ উঠিছে । সেই কাৰণে ছাত্ৰ-ছাত্ৰীয়ে অসমৰ শৈক্ষিক স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই বিশ্ববিদ্যালয় খন উত্তৰ পূৰ্বাঞ্চলৰ এখন বাটকতীয়া বিশ্ববিদ্যালয় হিচাপে যিহেতু আমাৰ সকলোকে সাবতি ধৰি আছে সেই ক্ষেত্ৰত এই বিশ্ববিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিৰ হকে আৰু বৰ্ত্তমানে পাই থকা অসুবিধা সমূহ আতৰাই ইয়াৰ অৰ্থ সংকটৰ মূল কাৰণ কি, সমাধান কেনেকৈ কৰা হব আৰু লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা জগতৰ সৈতে যিখিনি দায়িত্ব পালন কৰিব লগা কথা আছিল, সেই সম্পৰ্কত বৰ্ত্তমান যি ভয়াবহ পৰিস্থিতিৰ উদ্ভৱ হৈছে, সেইটো ইতিমধ্যে আলোচনা হৈছে । কিছুমান বিত্তিমূলক শিক্ষা যদি আয়োজন কৰা নহয় তেন্তে চৰকাৰে এই সমস্যাটো অকলশৰীয়াকৈ সমাধান কৰিব নোৱাৰিব । সেই কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়খনত বৰ্ত্তমান চলি থকা 'চিলেভাচ' সমূহৰ ওপৰত পুণৰ পৰীক্ষা-নিৰীক্ষা কৰাটো প্ৰয়োজন । যুগৰ সাপেক্ষে যিখিনি কাৰ্য্যকৰী প্ৰদান কৰিবলগীয়া হয় তাক চাই চিতি যাতে কৰা হয় সেইটোত গুৰুত্ব দিব বুলি ভাবিছো ।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়খন ১৯৪৮ চনতে প্ৰতিষ্ঠা হৈছিল। এই বিশ্ববিদ্যালয়খনৰ এক ঐতিহাসিক আছে। এই বিশ্ববিদ্যালয়খন ৰাইজৰ দান- বৰঙণিৰে সৃষ্টি হোৱা এখন বিশ্ববিদ্যালয়। ইয়াৰ আৰম্ভনীকোনো চৰকাৰৰ দ্বাৰা হোৱা নাছিল। সেই পৰিপ্ৰেক্ষিতত যিসকল দাতা তেওঁলোকে জীৱন্ত ৰূপত এই বিশ্ববিদ্যালয়খন দিব বিচাৰিছিল , পাব বিচাৰিছিল। সেইখিনি পাইছেনে নাই, বা কিমান দূৰ সাফল্য হৈছে ? আৰু বিশ্ববিদ্যালয় যিটো আও-পুৰণি বিষয় আছে নতুনকৈ পৰীক্ষা কৰি চোৱাৰ লগতে বিত্তীয় শিক্ষাৰ প্ৰতি যাতে কেতবোৰ বিষয় নতুনকৈ সমন্নয় ঘটায়, আও পুৰণি বিষয় সমুহ পৰিসমাপ্তি ঘটোৱাৰ ব্যৱস্থা কৰিব পাৰি নেকি তাৰ ব্যৱস্থা কৰাটো উচিত হব বুলি ভাবিছো। মই জনাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কিছুমান 'চিলেভাচ' ইতিমধ্যে একাডেমি কাউন্সিলে অনুমোদন জনায় থৈছে। সেই বিষয় সমূহ এতিয়াও খোলা হোৱা নাই। তাৰ ভিতৰত ক'অপাটিভ মেনেইজমেণ্ট, পাৰচনেল মেনেইজমেণ্ট, ঠিক তেনেদৰে বহুতো বিষয় আছে, সেইদৰে ক'লা সংগীতৰ ওপৰত 'চিলেভাচ অনুমোদিত হৈ আছে। এই বিষয় বিলাকে ঠাই পোৱা নাই। তাৰ মাজত শৈক্ষিক পৰিবেশৰ ওপৰতো এই বিশ্ববিদ্যালয়ৰ যি আৰ্থিক সংকট এনে পৰ্য্যায়ত অনুমোদিত হৈছে যে মাজে- সময়ে বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীয়েই হওঁক বা শিক্ষক সকলে দৰমহা নেপায় তাৰ বাতৰি পৰিবেশিত হয়। আজি মই শিক্ষা মন্ত্ৰীক দৃষ্টি আকৰ্ষণ কৰিছো যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাৰ্ষিক অনুদান চৰকাৰে বৰ্ত্তমান কিমান দি আছে, বিশেষকৈ অনুদানৰ লগত বিশ্ববিদ্যালয়ৰ জেনেৰেল বাজেটৰ লগত কিবা সম্পৰ্ক আছেনে নাই ? নে চৰকাৰে দিয়া অনুদান দিওঁতেই 'ডেফিচিট' থাকে- আৰু যদি তেনেধৰণৰ পৰ্য্যায়ত আছে তেতিয়াহলে অসম চৰকাৰে বিদ্যালয়ৰ এই 'ডেফিচিট অৰিয়েণ্টেট' বাজেটৰ পৰিপ্ৰেক্ষিতত তেনে পৰিস্থিতিৰ সৃষ্টি হৈছে। তাক আঁতৰ কৰি 'বেলেঞ্চ বাজেট' হিচাপে তৈয়াৰ কৰি দিব পাৰি নেকি চাব লাগে। ইয়াৰোপৰি আমাৰ শিক্ষানুষ্ঠানৰ জৰিয়তে এই নতুন প্ৰণালীৰে কাৰ্য্যকৰি কৰা হয় তাৰ বাবে ব্যৱস্থা লব লাগে। গুৱাহায়ী বিশ্ববিদ্যালয়ে যিখিনি আদৰ্শ দেখুৱাইছে আন শিক্ষানুষ্ঠানেও সেই আদৰ্শখিনি গ্ৰহণ কৰিছে, যেনে ডিব্ৰুগড় বিশ্ববিদ্যালয় বা অসম কৃষি বিশ্ববিদ্যালয়ে হওঁক এই বিশ্ববিদ্যালয় কেইখনৰ আৰ্থিক অৱস্থা সম্পৰ্কে আমাৰ বহুতো কথা এই বাজেট সম্পৰ্কীয় আলোচনাৰ মাজেৰে প্ৰকাশ কৰা হৈছে। আৰু বেলেগ ধৰণৰ বাজেট এখন উলিয়াবৰ বাবে পৰামৰ্শ আগবঢ়োৱা হয়। এই ক্ষেত্ৰত মাননীয় শিক্ষা মন্ত্ৰীয়ে কি কি ব্যৱস্থা লৈছে, অবলম্বন কৰিছে সেই বিষয়ে আমি জ্ঞাত হব পৰা নাই। যোৱা সময়ছোৱাত আগৰ চৰকাৰে কি ব্যৱস্থা লৈছিল আৰু নতুন চৰকাৰ হোৱাৰ পিছত কি ব্যৱস্থা লোৱা হল, আগৰ চৰকাৰৰ দিনত অৰ্থৈনৈতিক সংকটৰ অৱস্থা কেনে আছিল আজি কেনে অৱস্থাত উপনীত হৈছে, আৰু বৰ্ত্তমান চৰকাৰে অৰ্থনৈতিক অনুদান কেনেধৰণে আগবঢ়াইছে বা নতুন কিবা অনুদান দিয়াৰ বাবে কেনে ব্যৱস্থা লৈছে, আলোচনাৰ জৰিয়তে বিতং বিৱৰণ বা তথ্য-পাতি পাম বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস ঃ মাননীয় চেয়াৰমেন মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয় আমাৰ অতি মৰমৰ শিক্ষানুষ্ঠান। গুৱাহাটী বিশ্ববিদ্যালয় উদ্বোধন কৰাৰ সময়ত ডঃ হাজৰিকাই ৰচনা কৰা গান আমাৰ কানত ভাহে - 'জিলিকাব লুইতৰে পাৰ'। কিমান আশা, কিমান আকাংশা এই গানটোৰ মাধ্যমেৰে প্ৰকাশ কৰা হৈছিল ভাবিলে আচৰিত লাগে। সময়ৰ সোঁতত আজি এই বিদ্যালয়খন অসমৰ যুৱ সমাজৰ বৌদ্ধিক বিকাশৰ সদৰ দপ্তৰ হোৱাৰ পৰিবৰ্ত্তে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আছেই তেখেত সকল ছাত্ৰ থকা অৱস্থাত এই বিশ্ববিদ্যালয় খন ৰূপান্তৰ হৈছিল আন্দোলন সদৰ দপ্তৰলৈ। বিশ্ববিদ্যালয়খন আজি বিশ্ববিদ্যালয়ৰ প্ৰকৃতাৰ্থত আছে নে নাই চিন্তা কৰিবলগীয়া হৈছে। আন্দোলনৰ ফলত আপোনালোকৰ আশা পূৰণ হৈছে, ভাল পাইছো। কিন্তু ছাত্ৰ সমাজক কৈ দিয়ক যে এই বিশ্ববিদ্যালয়খন আন্দোলন দপ্তৰ নহয়। অসমৰ যুৱ সমাজ বৌদ্ধিক বিকাশৰ সদৰ দপ্তৰহে।

এতিয়া মই দ্বিতীয় বিষয়টোলৈ ভাবিছো। বিশ্ববিদ্যালয়ৰ এই অবস্থাৰ বাবে কেবল যে ছাত্র সমাজেই দোষী সেইটো নহয় ইয়াৰ অন্য এটা কথা মন কৰিব লগীয়া হল যে এই বিশ্ববিদ্যালয় খন স্বজনপ্রীতি দপ্তৰত পৰিণত হৈছে। য'ত আটাইতকৈ উজ্বল ৰত্নবোৰৰ সঙ্গমস্থল হয়।

**শ্রীঅমৃত লাল বসুমতাৰী ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য শ্রীদেবকুমাৰ ডাঙৰীয়াই 'ওবাক্ আউট' কৰিলেনেকি ?

**সভাপতি ঃ** মাননীয় সদস্য জনে 'ওবাক্ আউট' কৰা হলে নিশ্চয় কৈ গলহেঁতেন।

**শ্রীহেমেন দাস ঃ** মাননীয় চেয়াৰমেন মহোদয়, স্বজন তোষন নীতি চৰিতার্থ কৰিবলৈ টকা দিয়া আচল উদ্দেশ্য নহয়। আত্মীয় স্বজনক নিযুক্তি দিবৰ কাৰণে বিশ্ববিদ্যালয়ক টকা দিয়া উদ্দেশ্য নহয়। আত্মস্যাত কৰিবলৈ টকা দিয়া উদ্দেশ্য নহয়। আত্মীয় হোবাৰ কাৰনেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্রীকুমুদ নাথ শৰ্মাক 'হাইয়াৰ চেকেণ্ড ক্লাছ' নোহোৱাকৈয়ে 'ৰিডাৰ' পোষ্টত নিযুক্তি দিয়া হল। কথাবোৰ তেনেকুৱাই। এই কথাটো শিক্ষা বিভাগৰ ৰাজ্যিক পৰ্য্যায়ৰ বিষয়া এজনে তদন্ত কৰিছে। তদন্তৰ ৰিপৰ্ট আপোনালোকে হয়তো পাব পাৰে। এনেকুৱা এজন অযোগ্য ব্যক্তিক ভৰণ পোষণ দিবৰ কাৰণে ই বিশ্ববিদ্যালয় এখন নহয়। এখন বিশ্ববিদ্যালয় হৈছে সমাজৰ তথা দেশৰ যোগ্যতম ব্যক্তি সকলৰ কাৰণে। ৰত্ন বিলাক তাত থাকিব। আমাৰ লৰাছোৱালীয়ে সেইৰত্ন বিলাকৰ পৰা উচ্ছ শিক্ষা পাব লাগিব। নতুন নতুন প্রতিভা সম্পন্ন লোক আহিব। এই বিলাক কাৰণত আমি খৰছ দিওঁতে অকনো কুণ্ঠাবোধ আমি নকৰো। এজন আন্দাৰ কোৱালিফাইড মানুহক কেনেকৈ এইদৰে প্রমোচন দিয়া হ'ল তাৰ প্রমাণ আমি দিব পাৰো। আমাৰ হাতত আছে কুমুদ নাথ শৰ্মাক যোগ্যতা নোহোৱাকৈয়ে কেনেকৈ ৰিডাৰ পদত অধিষ্টিত কৰা হৈছিল। এই বিলাক বহুত কথা। এই মানুহ জনৰ বিৰুদ্ধে কিয় ব্যৱস্থা লোৱা নহল। এই বিলাক কথা মাননীয় চেয়াৰমেন মহোদয় ; আপুনি জানে, আমিও জানো। ব্যৱস্থা লব লাগে বুলি কোৱা হৈছিল, কিন্তু লোৱা নহল. কাৰণটোও জানো। কিন্তু নকওঁ। সেই বিলাক গোপন কথা। এই বিলাক খুলি কব নোৱাৰি। গতিকেহে মাননীয় চেয়াৰমেন মহোদয়, বিশ্ববিদ্যালয় যদি কোনোবাই ভাল কৰিব খুজিছে তেতিয়াহলে, সেই প্রস্তাৱত আমি সমৰ্থন জনাম। বিশ্ববিদ্যালয়ৰ আৰ্থিক অভাব অনাটন আমি দূৰ কৰিব লাগিব। বিশ্ববিদ্যালয়খন আমি এৰি দিলেই নহব। বিশ্ববিদ্যালয়ৰ প্রতি থকা আমাৰ কৰ্ত্তব্য আমি পালন কৰিব লাগিব। লগতে আমি বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষক কব লাগিব যে, এইখন এখন স্বজন প্রীতি চৰিতাৰ্থ কৰা অনুষ্ঠান নহয়। আমাৰ মাননীয় সদস্য শ্রীদেবকুমাৰ বৰা ডাঙৰীয়াই আজি যি বিলাক বিষয় উত্থাপন কৰিছে সেই বিলাক নিতান্তই ভাল বিষয়েই উত্থাপন কৰিছে। আমাৰ অসমীয়া যুবক-যুবতী সকলক শিক্ষিত কৰক। বিদেশৰ পৰা 'লেটেষ্ট হাইয়াৰ টেক্নলজি' আমদানী কৰক। এই বিশ্ববিদ্যালয়ে যাতে গোটেই উত্তৰ পূৰ্বাঞ্চলৰে শিক্ষা জীৱনত এক বিপ্লব আনিব পাৰে তাৰ কাৰণে নজৰ দিয়া দৰ্কাৰ। এই বিশ্ববিদ্যালয় হব লাগিব অসমৰ যুবক সকলৰ বৌদ্ধিক বিকাশৰ সদৰ কাৰ্য্যালয়। এই খিনি কৰাৰ কাৰণে আমি সকলোৱে লগ লাগি আৰ্থিক অভাব অনাটন আদি পূৰণ কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। শিক্ষা মন্ত্রী মহোদয়ে নিশ্চয় এই ক্ষেত্রত অকনো কুণ্ঠাবোধ নকৰিব। এই খিনিকে কৈ সামৰিছোঁ।

**কুমাৰ দীপক দাস ঃ** মাননীয় সভাপতি মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয় সম্পৰ্কে আজি যি আলোচনা বিলোচনা এই সদনত আৰম্ভ হৈছে সেই বিষয়ে মই কেইটামান কথা কব খুজিছো। গুৱাহাটী বিশ্ববিদ্যালয় অসমৰ এটা পবিত্র শিক্ষাৰ অনুষ্ঠান। বহুজনৰ

বহুখিনি ত্যাগৰ ফলত এই বিশ্ববিদ্যালয় খন প্ৰতিষ্ঠা হৈছিল। এই পবিত্ৰ বিশ্ববিদ্যালয় খনক আৰ্থিক সংকটৰ পৰা মুক্তকৰি ছাত্ৰ ছাত্ৰী তথা জনসাধৰণৰ সেৱাৰ কাৰণে এটা সেবাৰ অনুষ্ঠান হিচাবে আগবঢ়াই দিয়াৰ, ইয়াৰ পবিত্ৰতা ৰক্ষা কৰাৰ দায়িত্ব সদনৰ প্ৰত্যেক জন মাননীয় সদস্যৰে আছে। এই ক্ষেত্ৰতে আজি আমাৰ মাননীয় সদস্য শ্ৰীদেব কুমাৰ বৰা ডাঙৰীয়াই যিটো আলোচনা আৰম্ভ কৰিছে সেইটো নিত্যান্তই সময়োপযোগী হৈছে। এই গুবাহাটী বিশ্ববিদ্যালয় খনক আৰু অধিক কৰ্মঠ কৰাৰ কাৰণে আৰু যি উদ্দেশ্যৰে এই বিশ্ববিদ্যালয় খন প্ৰতিষ্ঠা কৰা হৈছিল সেইটো বাস্তৱত ৰূপায়ন কৰাৰ কাৰণে উপযুক্ত পৰামৰ্শ দিয়াটো আমাৰ মাননীয় প্ৰত্যেক জন সদস্যৰে এটা পবিত্ৰ কৰ্ত্তব্য। এই সম্পৰ্কে দুআষাৰ কব খুজিছো।

মাননীয় সভাপতি মহোদয়, আৰ্থিক সংকটৰ লগত আৰু কিছুমান কথা জড়িত হৈ আছে। আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ যিটো অৱস্থা সেইটো এদিনতে উদ্ভৱ হোৱা সমস্যা নহয়, বহুদিন ধৰি এইটো চলি আহিছে। গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ পিছতেই এই বিশ্ববিদ্যালয় খনক আৰ্থিক সংকটৰ পৰা মুক্ত কৰিবৰ কাৰণে যথেষ্ঠ আলোচনা বিলোচনা আদিকৰি অহা হৈছে। প্ৰকৃতাৰ্থত অসম চৰকাৰে বিষয়টোৰ ওপৰত বিশেষ মনোযোগ আকৰ্ষণ কৰি অনুষ্ঠান এটাত আৰ্থিক সংকতৰ পৰা মুক্ত কৰিবৰ কাৰণে যি ব্যৱস্থা হাতত লৈছে তাৰ কাৰণে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক মই আন্তৰিকতাৰে ধন্যবাদ দিছো। কিন্তু মাননীয় সভাপতি মহোদয়, কিছুমান কথা আজি এই সদনত বিশেষ ভাবে আলোচিত হৈছে। এই বিষয় বিলাক ইয়াৰ আগতেও বহুবাৰ এই সদনতে আলোচনা বিলোচনা হৈ গৈছে। কিন্তু এই বিলাক কথাৰ কিমান গুৰুত্ব আছে, এইকথা বিলাক কিমান দ সেই বিষয়ে পুণৰ কথা বিলাক বিবেচনা কৰাৰ দৰ্কাৰ আছে। এজন মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এগৰাকী শিক্ষা গুৰুৰ ওপৰত এটা গুৰুত্বপূৰ্ণ অভিযোগ আনিছে। এই সম্পৰ্কত বিশ্ববিদ্যালয়ৰ কৰ্টৰ সভাত বহুবাৰ আলোচনা হৈছে। আৰু সেই আলোচনাত এই কথা বিলাক সত্য নহয় বুলি প্ৰমাণহৈ গৈছে। গতিকে এই বিলাক কথা উত্থাপন নকৰি বিশ্ববিদ্যালয় খনক আৰ্থিক সংকটৰ পৰা কেনেকৈ মুক্ত কৰিব পাৰি সেই বিষয়েহে পৰামৰ্শ দিয়া উচিত। আধুনিক বিজ্ঞান সন্মত শিক্ষা প্ৰণালী প্ৰবৰ্ত্তন কৰি বিশ্ববিদ্যালয় খনতযাতে এটা শৈক্ষিক পৰিবেশ গঢ়ি তুলিব পাৰি, আমাৰ যুবক যুৱতী সকলক যাতে 'লেটেষ্ট টেকনজিকেল এডভান্সমেন্ট'ৰ লগত সঙ্গতি ৰাখি শিক্ষাদান কৰিব পাৰি তাৰ কাৰণে বিশেষ ভাবে মনোযোগ দিবৰ কাৰণেহে মই মনোযোগ আকৰ্ষণ কৰিছো। বৰ্দ্ধিত নিবনুৱা সমস্যাত হাঁহাকাৰ কৰি থকা আমাৰ শিক্ষিত যুৱক যুৱতী সকলক যাতে অন্নবস্ত্ৰৰ সংস্থান দিব পাৰো তাৰ কাৰণে এটা পৰিবেশ এই বিশ্ববিদ্যালয়ত গঢ়ি তোলাৰ।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় সভাপতি মহোদয়, অসম চৰকাৰক অৱগত নকৰাকৈ গুৱাহাটী বিশ্ববিদ্যালয়ে অধিক ভাবে দৰ্মহা পাতি দিছিল নেকি ? দুয়োখন বিশ্ববিদ্যালয়ৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ক অধিক ধন দিয়া হৈছিল নেকি ? তাৰোপৰি আৰু এটা প্ৰশ্ন আছিল যে, ন্যায়ধীশ শ্ৰীভোলানাথ শৰ্মাৰ তলত পাতি দিয়া দৰ্মহা আয়োগৰ পৰামৰ্শবলী ডিব্ৰুগড় বিশ্ববিদ্যালয়ে যে মানি ললে গুৱাহাটী বিশ্ববিদ্যালয়ে কিয় মানি নললে ? গুৱাহাটী বিশ্ববিদ্যালয় খনক আৰ্থিক সংকতৰ পৰা মুক্ত কৰিবৰ কাৰণে অধিক আলোচনা কৰাৰ প্ৰয়োজন হব।

সভাপতি মহোদয়, আজি গুৱাহাটী বিশ্ববিদ্যালয়ত এনেদৰে আৰ্থিক সংকট কিয় হবলৈ পাইছে ? চৰকাৰে এই বছৰ সাধাৰণ শিতানত ৩ কোটি আৰু পৰিকল্পনা শিতানত ৩কোটি ৩৩লাখ টকা গুৱাহাটী বিশ্ববিদ্যালয়ক দিছে। ইয়াৰ উপৰিও ১৯৮৪-৮৫ চনত ২ কোটি ২৬ লাখ টকা দিছে। বিশেষ শ্ৰেণীৰ কাৰণে ২৪ লাখ টকা দিছে। এনে স্থলত কি কাৰণে এই বিশ্ববিদ্যালয়ে আজি আৰ্থিক সংকটত পৰিছে চৰকাৰে অনুসন্ধান কৰিব

লাগে । ন্যায়াধীশ শ্ৰীভোলা নাথ শৰ্মাৰ দ্বাৰা গঠিত দৰমহা আয়োগৰ পৰামৰ্শবলী যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে মানি ললে, গুৱাহাটী বিশ্ববিদ্যালয়ে এই পৰামৰ্শৱলী মানি নোলোৱাৰ কাৰণ কি ? মানি নোলোৱাৰ কাৰণেই এনে হৈছে নেকি ? গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰয়োজনতকৈ অধিক সংখ্যক কৰ্মচাৰী নিয়োগ কৰা হৈছে নেকি ? যাৰ কাৰণে আজি এনে পৰিস্থিতি হৈছে । গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতৰ পৰা মেট্ৰিক, প্ৰি, ডিগ্ৰী পৰিক্ষাৰ কাম আতৰাই নিয়া হ'ল - কিন্তু যি সকল কৰ্মচাৰীয়ে আগতে এই পৰীক্ষাৰ কাম কৰিছিল সেই সকল কৰ্মচাৰীক আতৰাই নিয়া নহল । উক্ত পৰিক্ষাৰ কাৰণে বেলেগ কৰ্মচাৰী নিয়োগ কৰা হ'ল । আনহাতে বিশ্ববিদ্যালয়ত আগতে যি সকল কৰ্মচাৰী য়ে এইখিনি কাম কৰিছিল তেওঁলোকে এতিয়া কি কাম কৰিছে । গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰয়োজনতকৈ অধিক কৰ্মচাৰী নিয়োগ কৰা হৈছে বুলিও শুনা যায় । আজি ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত যি খেলি-মেলি অৱস্থাৰ উদ্ভৱ হৈছে সেইবোৰ চালি জাৰি চাবৰ কাৰণে শিক্ষা মন্ত্ৰীয়ে এখন উচ্চ পৰ্য্যায়ৰ কমিটী গঠন কৰি দিব লাগে । সেই প্ৰতিবেদন পোৱাৰ পিচত এই হাউছে কি ব্যবস্থা লব আলোচনা কৰি লোৱা হব । সভাপতি মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ত ময়ো আন্দোলনৰ কাৰণে ৭ বছৰ পঢ়িব লগা হৈছিল, আপুনিও কেইবাটাও ডিগ্ৰী তাৰ পৰা লৈছে — এইখন আমাৰ অতি আপোন আৰু মৰমৰ বিশ্ববিদ্যালয় । সভাপতি মহোদয়, মোৰ হাতত থকা 'আজিৰ সময়' নামৰ বাতৰিখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত এটা তত্ত গধূৰ নিবন্ধ প্ৰকাশ পাইছে । এই নিবন্ধ বিশ্ববিদ্যালয় খনৰ শৈক্ষিক পৰিবেশ, প্ৰশাষণ, দূৰ্নীতি ইত্যাদি ভালেমান বিষয়ৰ ওপৰত লিখা হৈছে । এই কথাখিনিৰ ওপৰত সু-বিচাৰৰ প্ৰয়োজন অনুভৱ কৰিছো । এই কাগজ খন মই আপোনালৈ প্ৰেৰণ কৰিছো । এই নিবন্ধত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকটৰ পৰা আৰম্ভ কৰি, দূৰ্নীতি, স্বজনপ্ৰীতিলৈকে সকলো কথা সামৰা হৈছে । সভাপতি মহোদয়, এই কথা খিনিৰ ওপৰত মাননীয় শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আপোনাৰ জৰিয়তে আজি গুৱাহাটী বিশ্ববিদ্যালয়ত যিটো নৃতত্ব বিভাগ আছে সেইটোৰ অবস্থা চাব নোৱাৰা- বিভাগটোৱে কি কৰিছে বা কৰিব লাগিছিল তাৰ নিশ্চয়তা নাই আজি বিশ্ববিদ্যালয় চৌহদত এখন বোটানিকেল গাৰ্ডেন আছে, কিন্তু পৰিচালনাৰ অভাৱত সি এতিয়া বোটানিকেল গাৰ্ডেন হৈ থকা নাই । বিশ্ববিদ্যালয়ক টকা দিলে তাৰ সমস্যাৰ ওৰ নপৰে । টকাতো দিয়েই থকা হৈছে - কিন্তু কেৰোণ ক'ত সেইবোৰহে ভালদৰে পৰীক্ষা কৰি চাব লাগে । ডিব্ৰুগড় বিশ্ববিদ্যালয়তকৈ গুৱাহাটী বিশ্ববিদ্যালয়ক চৰকাৰে বেছি অনুদান দিছে— তথাপি আৰ্থিক সংকট কমা নাই কিয় ? বিশ্ববিদ্যালয় অটনমাচ বডি হলেও এনেকৈ চলি থাকিবলৈ দিব নোৱাৰি । অতি দুখ আৰু পৰিতাপৰ কথা যে গুৱাহাটী বিশ্ববিদ্যালয়ে শিক্ষা বিভাগৰ লগত যোগাযোগ নকৰাকৈয়ে কিছুমান কাম কৰি আছে । চৰকাৰে শিক্ষা মন্ত্ৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উন্নতিৰ কাৰণে চেষ্টা কৰি আছে । ইয়াৰ কাৰণে আমাৰ সকলোৰে আগ্ৰহ আছে কিন্তু তাত চলি থকা কেৰোণবোৰ দূৰ কৰাৰ চেষ্টা কৰিব লাগে চৰকাৰে । ইয়াৰ কাৰণে এখন উচ্চ পৰ্য্যায়ৰ কমিটী গঠন কৰিব লাগে । দৰমহা আয়োগৰ পৰামৰ্শবলী কিয় গুৱাহাটী বিশ্ববিদ্যালয়ে মনা নাই তাৰ এক তদন্ত কৰিব লাগে । এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰিলো ।

**শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় চেয়াৰমেন মহোদয়, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয় । সেয়ে আলোচনাৰ কাৰণে সময় বঢ়াই দি আপুনি এটা ৰুলিং দিলে ভাল হয় ।

**শ্ৰীদূৰ্গা দাস বড়ো** ঃ মাননীয় সভাপতি মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকটৰ ওপৰত যি আলোচনা হৈছে তাৰ ওপৰত মই চমুকৈ মাত্ৰ দুটা কথা কৈ শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি সামৰণি মাৰিম । সভাপতি মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ক চৰকাৰে কোটি কোটি টকা দিয়ে । মোক শিক্ষামন্ত্ৰীয়ে এটা স্পষ্টীকৰণ দিব লাগে যে বিভিন্ন দিশৰ উন্নয়নৰ কাৰণে যি আৰ্থিক অনুদান চৰকাৰে দিয়ে, সেই টকা ১ কোটিয়েই হওক বা ১০০ কোটি টকাই হওক, সেই টকা সজ কামত ব্যবহাৰ হৈছে নে

বেয়া ভাবে ব্যৱহাৰ হৈছে তাৰ জবাব অসম চৰকাৰে, শিক্ষামন্ত্ৰীয়ে বিশ্ববিদ্যালয়ৰ পৰা ল
পাৰেনে নোৱাৰে ? মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থি
সংকটৰ বিষয়ত কেইবাটাও গুৰুত্বপূৰ্ণ কথাৰ অৱতাৰণা কৰিছে মোৰ হাতত তথ্য পাতি
নাই যদিও মই জানো যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকটৰ লগত তাৰ এচাম
কৰ্মচাৰী জড়িত হৈ আছে। তাত বহুতো টকা অপব্যয় হৈছে। এইটো অসত্য কথ
নহয়। সভাপতি মহোদয় এই দুটা কথাৰ ক্লাৰিফিকেচন মই আপোনাৰ জৰিয়তে
মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিচাৰিছো। আমাৰ এজন মাননীয় সদস্যই গুৱাহাটী বিশ্ববিদ্যাল
ৰ আৰ্থিক সংকটৰ বিষয়ে আলোচনা কৰিবলৈ গৈ বিশ্ববিদ্যালয়ত তেখেতৰ দলৰ যি সকল
অধ্যাপক -অধ্যাপিকা আছে তেখেত সকলক প্ৰশংসা কৰা যেন অনুভৱ হৈছে। এনেকৈ
বিষয়টো ডাইভাৰ্ট কৰিবলৈ চেষ্টা নকৰাই ভাল হ'ব। তাত ৰাজনীতিৰ গোন্ধ থাকিব
নেলাগে। এই দুটা কথা কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**Shri B.K. Basumatari** : Mr. Chairman Sir, this Gauhati University was the first Universty in Assam. Although there is a murmuring that I am not a man from Assam, I do not bother for it. But the problem is when this Gauhati University was established, this University was established for the development of the entire north-east India and the person who established this University and the first Vice-Chancellor Mr. Handique was a man of emminant literary genuins and presight. This University also had a good name and reputation in the country. It had also appointed emminant educationists like Dr. Taylor, who was the Principal of Union Christean College, under whom I gradueted, as one of the Vice-Chancellors. Today,my friend Mr. Hamen Das said that the CPM Lecturers are good. That means that this University is embroilled in politics. I want to mention only one thing that this University is embroilled in politics. I do not want to go into details. But we, the tribal peoples, have one complaint. there are many groups of tribals in Assam and particularly to which I belong- we have been trying to establish our language -we have been demanding introduction of the Bodo language as a literary subject in the University. Only one year diploma is given for teaching Bodo in colleges. Sir, this language is also one of the associate languages of the State. Now, this Government, of which you are also one ofthe members, repeatedly said that the government will try to uplift every one. Why this University cannot introduce this Bodo language as a literary subject ? As a result, we are not able to conduct in the Degree classes Bodo medium properly because of lack of adequetly educated persons knowing Bodo. If a Master Degree holder in science is asked to teach Bodo subject, he will not be able to teach Bodo. So, our desire is not fulfilled. Sir, these are the reasons why the University has to be scrutinised. Sir, as per the rules, as per the Constitutional provisions / under Ariticle 275, money goes to University from TSP,but we find that the tribal languages are not taken up honestly by the University. Gauhati University claims that they are autonomous body. But to what extent, they are autonomous ? We have not given them the liberty to spend money out of limits. Now Sir, there is a demand that the finan-

cial position of the University should be strengthened. I feel that this Assembly should first take into account the financial affairs of the University only then we should go ahead to help this University. Otherwise, this University would be finished and this University would fail to fulfill the original objectives of this University as established by Mr. Handique.

**माननीय चेयाৰমেন** : ৰুল ৪৯ মতে আধাঘণ্টা সময় আলোচনা হব লাগে কিন্তু অধ্যক্ষই যদি ইচ্ছা কৰে সময় দিব পাৰে । গতিকে মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দেয়ে যিটো কথা উত্থাপন কৰিছে যদি অধ্যক্ষই বা চেয়াৰে সময় দিয়ে তেনেহলে দিব পাৰে । এতিয়া আৰু কোনোবা মাননীয় সদস্যই অংশ গ্ৰহন কৰিব নেকি ? যদি কোনোৱে নকয় তেনেহলে মই শিক্ষামন্ত্ৰীক উত্তৰ দিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰীজগত হাজৰীকা** : মাননীয় চেয়াৰমেন মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকটৰ ওপৰত যি এটা আলোচনা চলি আছে সেই আলোচনাত তাকৰীয়া সময়ৰ কাৰণে ভাগ লৈ মোৰ বক্তব্য এনে ধৰণে আৰম্ভ কৰিছো । যদিও আমি জানো যে শিক্ষাৰ দিশত অসমৰ ভিতৰত উচ্চশিক্ষাৰ অনুস্থান হৈছে গুৱাহাটী বিশ্ববিদ্যালয় আৰু এই বিশ্ববিদ্যালয়ে বহুত দিন ধৰি আৰ্থিক সংকটৰ সন্মুখীন হৈ আহিছে । চৰকাৰৰ তৰফৰ পৰা বিভিন্ন সময়ত আৰ্থিক অনুদান আগবঢ়াই অহা পৰিলক্ষিত হৈছে । এই ক্ষেত্ৰত এটা কথা কব লাগিব যে এই টকাৰ সত ব্যৱহাৰ নকৰি আৰ্থিক অবস্থাৰ শোচনীয় পৰিস্থিতি আৰু স্বজনতোষন নীতি অবলম্বন কৰি শৈক্ষিক পৰিবেশ নষ্ট কৰাহে আমাৰ লক্ষ্যত পৰিছে । চেয়াৰমেন মহোদয় আপুনি জানে বিগত ৫ বছৰ আমি যেতিয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ হিচাবে আছিলো তেতিয়া আমি লক্ষ্য কৰিছিলো যেতিয়া পৰীক্ষাৰ ওচৰ চাপে তেতিয়া শিক্ষক কৰ্মচাৰী সকলে তেওঁলোকৰ প্ৰাপ্য আদায়ৰ নামত শৈক্ষিক পৰিবেশ বিনষ্ট কৰে আৰু ছাত্ৰ ছাত্ৰী সকলক এটা সমস্যাৰ সন্মূখীন কৰায় । অসমৰ মজিয়াৰ এই উচ্ছশিক্ষাৰ অনুস্থানখনৰ বিষয়ে নতুনকৈ একো কব লগীয়া নাই কিন্তু অলপ দিন আগতে দেখিলো যেতিয়া গিয়ানীজী এই বিশ্ববিদ্যালয়লৈ আহিছিল তেতিয়া গিয়ানীজীৰ লগত আচাৰ্য, উপাচাৰ্য্য বহিছিল কিন্তু আমি তেতিয়া শিক্ষা মন্ত্ৰীক তলত বহা দেখিছিলো । যিখন বিশ্ববিদ্যালয়ে আৰ্থিক সংকটৰ সন্মূখীন হৈ চৰকাৰৰ সাহায্য বিচাৰে সেইখন বিশ্ববিদ্যালয়ে যদি এটোনামিৰ নামত এইবিলাক কাম কৰে তেনেহলে কোনে ভাল পাব ? দেশৰ স্বাৰ্থত শিক্ষাৰ বাতাবৰণৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ে যি আৰ্থিক সংকটৰ সন্মূখীন হৈছে তাত নিশ্চয় আমি আজি ভাগ লব লাগিব কিন্তু যিটো বিশ্ববিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ কাৰণে হোষ্টেলৰ অভাব ইউজিচিৰ মঞ্জুৰী আনি কত কি কৰিছে তাৰ হিচাব নাই সেইখন বিশ্ববিদ্যালয়ৰ বিষয়ে আমি বিতং সুস্থ চিন্তা চৰ্চা কৰাৰ সময় আহি পৰিছে । চেয়াৰমেন মহোদয়, প্ৰয়োজন হলে এখন কমিটীৰ দ্বাৰা হলেও এই বিশ্ববিদ্যালয়ৰ ভিতৰচৰা আৰু তাৰ শৈক্ষিক পৰিবেশ ঘূৰাই অনাৰ চেষ্টা কৰিব লাগিব ।

এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

**শ্ৰীগিৰীণ বৰুৱা** : মাননীয় সভাপতি মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত বিশেষ ভাবে আলোচনা কালত মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰা ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে গুৱাহাটী বিশ্ববিদ্যালয়ে মেট্ৰিক আৰু প্ৰি-ডিগ্ৰী পৰীক্ষা চলাই থকাৰ সময়ত যিমান কৰ্মচাৰী আছিল তাৰ পিচত সেই কৰ্মচাৰীয়েই আজিও আছে কিন্তু সেই পৰীক্ষা বিলাক এতিয়া বিশ্ববিদ্যালয়ৰ হাতত নাই । অৰ্থাৎ অতিৰিক্ত ভাবে কৰ্মচাৰী আছে । মই আঙুলিয়াই দিব বিচাৰিছো যে অকল কৰ্মচাৰীয়েই নহয় বহুতো বিষয়াও গুৱাহাটী বিশ্ববিদ্যালয়ত আছে যি সকল নহলেও বিশ্ববিদ্যালয় চলি থাকিব পাৰিব । উদাহৰণ স্বৰূপে মই ষ্টেট অফিচাৰ জনৰ কথাকে কব বিচাৰিছো । বিশ্ববিদ্যালয়ত থকা ষ্টেট অফিচাৰ এজন আছে আৰু বিশ্ববিদ্যালয়ৰ সা-সম্পত্তি ৰক্ষণাবেক্ষণৰ দায়িত্ব তেখেতৰ ওপৰত আছে যদিও তেখেতে বিশ্ববিদ্যালয়ৰ চাৰিসীমাও নাজানে । তাৰউপৰিও তেখেতৰ তলতীয়া পাচ ছয়জন কৰ্মচাৰীও আছে । বিশ্ববিদ্যালয়ৰ আৰ চি-চি হলৰ কাষতে মোমাই কটা গড় আছে । তাত আজি কিছুদিনৰ পৰা মানুহে মদৰ ব্যৱসায় চলাই আছে । ষ্টেট অফিচাৰে কৰিবলগীয়া তাত একো বিচাৰি পোৱা নাই । যদি ষ্টেট অফিচাৰৰ কৰিবলগীয়া একো নাই তেনেহলে ষ্টেট অফিচাৰ থকাৰ প্ৰয়োজনীয়তা কি আছে আৰু তেওঁৰ তলতীয়া পাচ ছয়জন কৰ্মচাৰী

থকাৰেই বা কি প্ৰয়োজন আছে বুজি নাপাওঁ । তাৰ উপৰিও এজন চিকিউৰিটি অফিচাৰ আছে । তেওঁৰ কাম হ'ল হোষ্টেল আৰু কাৰ্যালয় সমূহত চকীদাৰ কৰা চকীদাৰ সকলৰ কাম কাজ পৰ্যবেক্ষণ কৰা কিন্তু এই চিকিউৰিটি অফিচাৰ জনে কেতিয়াও চকিদাৰ সকলৰ কাম কাজক পৰ্যবেক্ষণ কৰা দেখা নাই । মই নিজে ১৯৮১ চনৰ বা ১৯৮৪ চনলৈকে আছো কিন্তু তাত থকা চিকিউৰিটি অফিচাৰ জনে কোনো ধৰণৰ নিৰীক্ষণ কৰা দেখা নাই । এই গোটেই বিলাক কথা চাব লাগে । তাৰ উপৰিও বিশ্ববিদ্যালয়ত তিনিজন ডাক্তৰ আছে যদিও মাত্ৰ এজনেহে কাম কৰি থাকে বাকী দুজনে আগৰে পৰা কাম নকৰে এতিয়াও নকৰে । তেওঁলোকে প্ৰাইভেট প্ৰেক্‌টিচ চলাই থাকে । কংগ্ৰেছী শাসনৰ দিনত বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ নষ্ট হৈছিল । কিন্তু এতিয়া যুক্তিৰ খাতিৰত কব লাগিব যে এতিয়া অসম গণ পৰিষদ চৰকাৰৰ দিনত গ্ৰাণ্ট আদি যদিও বিশ্ববিদ্যালয়ৰ কাৰণে দিয়া হৈছে কিন্তু অটনমাচৰ নামত বিশ্ববিদ্যালয়ৰ বিষয়া সকলে বিশ্ববিদ্যালয়ৰ শাসনভাৰ সঠিক ভাবে পৰিচালনা কৰিব পৰা নাই । আৰু দুৰ্নীতি আগতকৈও বাঢ়িছে । যি সকল অপ্ৰয়োজনীয় বিষয়া আৰু কৰ্মচাৰী আছে সেই সকলক কমাব লাগে । তাৰউপৰিও অৱসৰ পোৱা ৰ পিচত সেই ঠাইৰ কাৰণে আৰু নতুনক নিযুক্তি দিয়াৰ ব্যৱস্থা ৰোধ কৰিব লাগে । আন এটা সাংঘাটিক কথা কব বিচাৰিছো । মোৰ ওচৰলৈ অহা চাৰিজন ছাত্ৰই জাতীয় প্ৰতিভা বৃত্তি নোপোৱাৰ কাৰণে খবৰ কৰিবলৈ সিদিনা ডি-পি-আই অফিচলৈ গৈ গম পালো যে ১১ নবেম্বৰ তাৰিখত সেই বৃত্তিৰ টকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষলৈ পঠাইছে যদিও অতি দুখৰ আৰু লাজৰ কথা যে বিশ্ববিদ্যালয়ৰ পৰা ছাত্ৰ সকলক সেই বৃত্তিৰ টকা দিয়া নাই আজি মে মাহ পৰ্যন্ত । সেই টকা গুৱাহাটী বিশ্ববিদ্যালয়ে আন কামত ব্যৱহাৰ কৰিছে । এনেকৈ জাতীয় প্ৰতিভা বৃত্তিৰ টকা ছমাহ কাল বন্ধ ৰাখিলে ছাত্ৰ-ছাত্ৰী সকলে কিয় বেয়া নাপাব । বিশ্ববিদ্যালয়ৰ হেমাহিৰ কাৰণে দুৰ্নীতিৰ কাৰণে ডি-পি-আই অফিচৰ তথা অসম চৰকাৰ বদনাম নহবনে ? মই এই কেইটা কথা কৈয়েই কব বিচাৰিছো যে অটনমাচ অনুষ্ঠান হলেও মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰা ডাঙৰীয়াই কোৱাৰ দৰে এই অনুষ্ঠান অসমৰ ৰাইজৰ দান বৰঙণিৰে গঠিত হৈছে । গতিকে ইয়াত এটা বৌদ্ধিক পৰিৱেশ গঢ়ি তুলিবলৈ আমি সকলোৰে চেষ্টা কৰিব লাগিব । ধন্যবাদ ।

**Shri A. F. G. Osmani** : Mr. Chairman, Sir, this Goverment is composed of mainly from the students. So, naturally they are emotinnslly involled in this matter. Therefore, you have very rightly allowed the Hon'ble Members to particiate in the discussions.

**শ্ৰীগনেশ কুটুম** ঃ সভাপতি মহোদয় গুৰুত্বপূৰ্ণ কথা আছে ।

মাননীয় সভাপতি কেইবাগৰাকী সদস্যই মোলৈ লিখিছে যে আধাঘণ্টীয়া আলোচনাৰ ঠাইত বেছি সময় লৈছে কিন্তু মাননীয় সদস্য সকলক মই নিয়ম ৪৯ পঢ়ি চাবলৈ অনুৰোধ জনাইছো যে এইটো বিষয়ত দীঘলীয়া আলোচনাও কৰিব পৰা যায় ।

**শ্ৰীগণেশ কুটুম** ঃ মাননীয় সভাপতি মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ যিটো শিৰোনামা পঢ়িছো সেই কাৰণেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক ভয়াবহ সংকটৰ কাৰণে আজিৰ সদনলৈ আলোচনাৰ কাৰণে অনা হৈছে । সেই বিষয়ে দুটামান স্পষ্টীকৰণ আমি শিক্ষা বিভাগৰ পৰা অসমৰ ৰাইজৰ জ্ঞাতাৰ্থে জানিব বিচাৰিছো । সেই কেইটা হ'ল অসম চৰকাৰে যি উদ্দেশ্য লাখ লাখ টকা গুৱাহাটী বিশ্ববিদ্যালয়ক অনুদান হিচাবে দিয়া হৈছে সেই উদ্দেশ্য খৰচ কৰা হৈছে নে নাই তাৰ এটা বিতং বিৱৰণ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে দিব লাগে যিহেতু মই নিশ্চিত যে আমি জনা মতে বিশ লাখৰো অধিক টকা কেৱল বিশ্ববিদ্যালয়ৰ বাচন-বৰ্তন কিনাৰ কাৰণে খৰচ কৰা হৈছে । বাচন-বৰ্তন কিনাৰ কাৰণে বিশ লাখৰো অধিক টকা আছিল নেকি ? চৰকাৰে সেই সময়ত বাচন-বৰ্তন কিনিবৰ বিশ লাখৰো

অধিক টকা মঞ্জুৰী দিছিল নেকি ? যদি দিয়া নাই তেতিয়া হলে ইয়াৰ এটা তদন্ত হ'ব লাগে । তাৰ উপৰিও গুবাহাটী বিশ্ববিদ্যালয়ত লাখ লাখ টকা ট্ৰাইবেল চাব প্লানৰ ক্ষেত্ৰত অনাদায়ী হৈ আছে । সেই কাৰণে জনজাতীয় ছাত্ৰ-ছাত্ৰী সকলে এই সম্পৰ্কে বিক্ষোভ কৰিবলৈ সুবিধা পাইছে । আনকি ছাত্ৰ ছাত্ৰী সকলে এইটোকে ৰাজনৈতিক উদ্দেশ্য সাধনৰ কাৰণেও ব্যৱহাৰ কৰিবলৈ ওলাইছে । এই টকা বিলাক যে এই ভাবে পৰি থাকে সেইটো শিক্ষামন্ত্ৰী বা চৰকাৰে জানেনে ? আৰু যদি জ্ঞাত তেনে হলে এই সম্পৰ্কত বিশ্ববিদ্যালয়ৰ ওপৰত চৰকাৰৰ কৰিব পৰা একো ব্যৱস্থা নাই নেকি, নে কিবা ব্যৱস্থা লৈছে এই দুটা কথা জানিব পাৰিছো ।

এতিয়া যিটো বিশ্ববিদ্যালয় কেৱল শিক্ষা আৰু গবেষণাৰ স্থল হৈ থাকিলেই নহব ইয়াৰ শিক্ষা নীতিতো আৰু অন্যান্য দিশ বিলাকৰ কথা বিশেষ মনোনিবেশ কৰিব লাগিব । কিয়নো ইয়াত কেৱল এতিয়া দূৰ্নীতিৰ ফালে যোবাটো উপক্ৰম হৈছে । সেই সম্পৰ্কে এটা তদন্ত চৰকাৰৰ ফালৰ পৰা হব লাগে ।আৰু ইয়াৰ ওপৰত বিহিত ব্যৱস্থা লবলৈ এই প্ৰস্তাবটো মই ডাঙি ধৰিছো ।

**শ্ৰীপ্ৰদীপ হাজৰিকা :** মাননীয় সভাপতি মহোদয়, মই মাত্ৰ এটা কথা কবলৈ বিচাৰিছো । এইটো হৈছে --- Gopinath Bordoloi was the Prime Minister of Assam তেতিয়া অসমৰ মুখ্যমন্ত্ৰীক প্ৰাইম মিনিষ্টাৰ বুলি কোৱা হৈছিল । The right person in opening the University was the Krishna Kanta Handique and Rani Dutt. তেতিয়া কৃষ্ণকান্ত সন্দিকৈ আৰু এজন ব্যক্তি আছিল, তেওঁৰ নাম হৈছে ফণী দত্ত, এই লোক সকলৰ সৌজন্যত এটা সৰু ঘৰত কটন কলেজৰ চৌহদত এই গুবাহাটী বিশ্ববিদ্যালয় মুকলি কৰা হৈছিল । এতিয়া কথা হল এই পূৰণি পটভূমিৰ ওপৰত আৰু এই পটভূমিলৈ ঘূৰি চাই ইয়াৰ এটা বিশেষণাত্মক আলোচনা মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰ ডাঙি ধৰিব বুলি অনুৰোধ জনালো ।

**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) :** সন্মানিত সভাপতি মহোদয়, মই যোৱা ১৯ এপ্ৰিল ১৯৮৮ তাৰিখে মাননীয় সদস্য শ্ৰদেব কুমাৰ বৰাৰ গুবাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকট সম্পৰ্কীয় ৩২২ নং তৰাচিহ্নিত প্ৰশ্নৰ উত্তৰ বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকট সম্পৰ্কে থুল-মুলকৈ কেইটামান কথা উল্লেখ কৰিছিলো আৰু আজি এই সুযোগতে যিহেতু আমাৰ বিশ্ববিদ্যালয় খন আমাৰ ৰাজ্যখনৰ এখন জাতীয় অনুস্থান আৰু এই অনুস্থানটোৰ প্ৰতি আমাৰ সদনৰ সন্মানীত সদস্য সকলে যি আন্তৰিকতাৰে অংশ গ্ৰহণ কৰি তেখেত সকলৰ পৰামৰ্শ আগবঢ়োৱাৰ লগতে ক্ষোভ প্ৰকাশ কৰিছে আৰু বিভিন্ন বিষয়ৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰিছে, মই আটাইবোৰলৈকে ধন্যবাদ জনাইছো । আজি গুবাহাটী বিশ্ববিদ্যালয় সম্পৰ্কত তিনিটা বিষয়ে ঠাই পাইছে । মই মাননীয় সদস্য সকলক এইকথা জনাবলৈ বিচাৰিছো যে আজি গুবাহাটী বিশ্ববিদ্যালয়ত আৰ্থিক সংকটে দেখা দিছে । আৰু এই আৰ্থিক যদি হৈছে কি কাৰণে হৈছে । দ্বিতীয় কথা হ'ল এই আৰ্থিক সংকটৰ কাৰণে ইয়াৰ তথ্য পাতি হিচাব-নিকাচ আৰু খৰছৰ আয়-ব্যয় ইত্যাদি ঠিক মতে কৰিছেনে সেই কথা বিলাক মাননীয় সদস্য সকলৰ বক্তব্যত প্ৰকাশ পাইছে । আন এটা বিষয় হৈছে এই আৰ্থিক সংকটৰ অবস্থাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে নিজৰ দায়িত্ব পালন কৰিছেনে নাই আৰু যদি কৰিছে কি ধৰণে কৰিছে সেইটো মাননীয় সদস্য সকলে জানিব বিচাৰিছে । লগতে আন এটা প্ৰশ্ন হৈছে এই বিশ্ববিদ্যালয়ত কেতবোৰ কেৰোণ সোমাই পৰিছে । মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই দেব কুমাৰ বৰা ডাঙৰীয়াই আৰু দেবেশ্বৰ বৰা ডাঙৰীয়াই কেতবোৰ প্ৰশ্ন উত্থাপন কৰিছে । আৰু এটা আটাইতকৈ প্ৰয়োজনীয় প্ৰশ্ন মাননীয় সদস্য প্ৰদীপ হাজৰীকা ডাঙৰীয়াই কৰিছে । সেইটো হ'ল এই বিশ্ববিদ্যালয়খনৰ পটভূমি বিশ্লেষণ কৰি আজি যি পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ ওপৰত এটা প্ৰশ্নৰ অবতাৰণা কৰিছে । মাননীয় সদস্য গনেশ কুটুম ডাঙৰীয়াই বৃত্তি

সম্পৰ্কীয় আৰু, আন এগৰাকী মাননীয় সদস্য গিৰিণ বৰুৱা ডাঙৰীয়াই কেতবোৰ আসোঁৱাহ কথা উল্লেখ কৰিছে। মই যাইকৈ পৰিচালনা সম্পৰ্কে আৰু আৰ্থিক দিশত দেখা দিয়া সংকট পৰিপ্ৰেক্ষিতত নিজৰ দায়িত্ব পালন কৰিছে নে নাই আৰু পৰিচালনা ঠিকমতে চলিছে নে না সেইটো কবলৈ ওলাইছো। প্ৰথমতে মাননীয় সদস্য প্ৰদীপ হাজৰীকা ডাঙৰীয়াই প্ৰশ্ন তুলি যে অসমত গুৱাহাটী বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰ এটা ইতিহাস আছে আৰু ইয়াৰ আঁৰ স্বৰ্গীয় গোপীনাথ বৰদলৈ প্ৰমুখ্যে বিষ্ণুৰাম মেধি, স্বৰ্গগত ফকৰুদ্দিন আলী আহমে ডাঙৰীয়াকে ধৰি সেই সকল লোকৰ নেতৃত্বত এই সৰ্বসাধাৰণ ৰাইজে এই বিশ্ববিদ্যালয় খ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অংশিদাৰ হৈছিল। মাধব বেজবৰুৱা, ভূবনেশ্বৰ বৰুৱা এই অগণন আ অসমৰ জনসাধৰণ এই অনুস্থানটোৰ প্ৰতি একাত্মবোধ হৈ পৰিছিল। অসমৰ জনসাধৰণে ভাবিছিল যে এই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা হলে অসমৰ ভবিষ্যত, সংস্কৃতি আৰু আশা আকাংক্ষা বৌধিক নেতৃত্ব দিয়াৰ মূল কেন্দ্ৰ হৈ পাৰিব। এতিয়া মাননীয় সদস্য প্ৰদীপ হাজৰীকা ডাঙৰীয় ই এই আশা আকাংক্ষা গড. লৈ উঠিছে নে নাই আৰু এই আশা আকাংক্ষা পূৰণ কৰিব পাৰিছে নে নাই সেই বিয়য়ে কব বিচাৰিছো। আজি এই প্ৰশ্নৰ উত্তৰ সদনত বিচৰাতো সদনৰ অধিকাৰ আছে, আৰু জনসাধাৰনৰো অধিকাৰ আছে। সেই সময়ত, মাননীয় সদস্য বৰ্ত্তমানৰ শৰৎ সিংহ দেব মুখ্যমন্ত্ৰী আছিল আৰু মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সংস্থাৰ সাধাৰণ সম্পাদক আছিলো। আৰু তেতিয়া মই সাধাৰণ নিৰ্বাচনৰ আগমুহুৰ্তত ভোট বিচাৰি কৈছিলো এইখন আমাৰ বিশ্ববিদ্যালয়, এইখন মহান আৰু মহীয়ান কৰি তোলক আৰু ইয়াৰ পবিত্ৰতা আৰু স্বতন্ত্ৰতা ৰক্ষা কৰি মহীয়ান কৰি তোলক বুলি প্ৰাৰ্থী হৈছিলো আৰু সেই সময়ত ছাত্ৰ-ছাত্ৰী সকলে মোক নিৰ্বাচিত কৰিছিল ব্যপক ভোটত। তাৰ পিচত বিশ্ববিদ্যালয়খনৰ স্বতন্ত্ৰতা আৰু পবিত্ৰতা অক্ষুন্ন কৰি ৰখাৰ কাৰণে চেষ্টা কৰিছিলো। এই কাৰণেই যে বিশ্ববিদ্যালয়ৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত উপযুক্ত লোকক নিযুক্তি দিব লাগে। বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ কমিতিৰ দায়িত্ব আছে। ইয়াৰ কাৰণে বিশ্ববিদ্যালয় কৰ্তপক্ষই ৰাইজৰ ওচৰত একাউনটেবিলিটি হব লাগিব। কেবল বিশ্ববিদ্যালয়ত ডিগ্ৰী লোৱাই আৰু বিশ্ববিদ্যালয়ৰ কেম্পাচ আৰু ল কলেজ, বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ মূল উদ্দেশ্য নহয়। ইয়াৰ সমগ্ৰ অসমৰ কলেজ আৰু শিক্ষা প্ৰতিষ্ঠান সমূহ লগ লাগি আছে। গতিকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৌদ্ধিক আৰু নেতৃত্ব দিবলৈ উপযুক্ত লোকক আৱশ্যক। আজি বিশ্ববিদ্যালয়ৰ দায়িত্ব পালন কৰি তাৰ কাম কাজ বিলাক ঠিক মতে চাইছে নে নাই চাব লাগিব। অৰ্থ সংকট কি কাৰণে হৈছে ? গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকট এই কাৰণেই হৈছে যে আগতে বিশ্ববিদ্যালয়ৰ লগত মাধ্যমিক শিক্ষা, উচ্চ মাধ্যমিক, পি,ইউ ইত্যাদি শ্ৰেণী সমূহ সোমাই আছিল আৰু তেতিয়া ৰাজহ আৰু উপাৰ্জন বেচি আছিল। কিন্তু যেতিয়া এই মাধ্যমিক শিক্ষা সেবালৈ আহিল, উচ্চমাধ্যমিক শিক্ষা বোৰ্ড হ'ল তেতিয়াৰ পৰা বিশ্ববিদ্যালয়ৰ ৰাজহ কমি আহিল আৰু উপাৰ্জনো বহু পৰিমাণে হ্ৰাস হৈ গ'ল। এনেস্থলত মাননীয় সদস্য সকলে কোৱাৰ দৰে দুটাকৈ দায়িত্ব বিশ্ববিদ্যালয়ৰ পৰা আতনি যোৱাত ইয়াৰ কামৰ পৰিসৰ বহুপৰিমাণে কমি গ'ল। অথচ যিমানখিনি মানুহে বা কৰ্মচাৰীয়ে তাত কাম কৰি আছিল সেইখিনি বৈ গ'ল। আৰু সিমানখিনি থকাৰ পাচতো তাত গ্ৰেড ফোৰ বা গ্ৰেড থ্ৰিৰ কৰ্মচাৰী লৈ আছে নেকি ? দায়িত্ব কমি যোৱাৰ পাচতো তেনে লোকক স্বতন্ত্ৰতা থাকিলেও, অটনমাচ অনুস্থান হলেও ৰাইজৰ ধনেৰে যিহেতু এই বিশ্ববিদ্যালয়খনৰ কাম কাজ বিলাক কৰিব লাগে তেনেস্থলত বিশ্ববিদ্যালয় কতৃপক্ষই এইবিলাক ক্ষেত্ৰত মনোনিবেশ কৰাৰ প্ৰয়োজন বুলি মই ভাবো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকট হৈছে আৰু এইটো হোৱাৰ কাৰণে এই সম্পৰ্কত ক্ষতিপূৰণ বিচাৰিছে। যোৱা বছৰ ঠিক সংখ্যাটো মনত নাই ৪০ লাখ টকা পৰিশোধন কৰা হৈছে। ছাত্ৰ-ছত্ৰী কমি যোৱাৰ কাৰণে বিশেৰ ভাৱে পৰিকল্পিত পৰিচালনা নোহোৱা কাৰণে তাত মিতব্যয়ী হোৱা নাই অমিতব্যয়ী হৈছে। আনহাতে দি মিউনিচিপাল কৰ্পোৰেচনে এই ৰাজহুৱা অনুস্থানক ৰেহাই দিবৰ কাৰণে যি ধন দিব লাগে সেইটো বিবেচনা কৰাৰ প্ৰয়োজন হৈছে।

গতিকে কিমান ধনৰ প্ৰয়োজন হব সেই ধন সংগ্ৰহ কৰি বিশ্ববিদ্যালয়ক দিব পৰা অৱস্থা যেতিয়া হব তেতিয়াই এইটো ইমপ্লিমেন্ট কৰা হলে এই অসুবিধা নহলহেতেন। কিন্তু একতৰপীয়া ভাৱে বিশ্ববিদ্যালয় কতৃপক্ষই এই ধন খিনি খৰচ কৰে আৰু তাৰ হিচাবটো যদি

নজনায় চৰকাৰে কেনেকৈ সহায় কৰিব । আৰ্থিক সংকটৰ ক্ষেত্ৰত এইটো কথা ঠিক এইখন বিশ্ববিদ্যালয় শিক্ষানুষ্ঠান হৈছে মাষ্টাৰ ডিগ্ৰী কৰি উলিয়াতো নহয়, এটা গৱেষণামূ মন লৈ লৰা ছোৱালী বিলাক যাতে ওলাই আহিব পাৰে তালে চাব লাগিব । গৱেষণামূলক কাজৰ প্ৰতি চৰকাৰে যিমানদূৰ পাৰে চায় আৰু তাৰ কাৰণে আগ্ৰহী । জাৰ্ণেলৰ কাৰণে ১৩ টকা লাগে । জাৰ্ণেল তাত নাই আৰু সেই জাৰ্ণেল নোহোৱাৰ কাৰণে বিভিন্ন বিভাগত অসু হোৱাৰ কথাটো পৰিলক্ষিত হৈছে । আন এটা বিষয় হ'ল স্পেচিয়েল চেচন বিশেষ শ্ৰেণী খে হ'ল আৰু তান কাৰণেও ধন দিবলগীয়া হৈছে । এতিয়া এই সংকট খিনি ক'ৰ পৰা হৈছে প্ৰকৃততে কাম খিনি হৈছে নে নাই চোৱা নাই । ইউ.জি.চিয়ে কিমান পাইছে আৰু কিমান দি সেইটো জানিব লাগে । এই বিষয়ে জনোৱাৰ প্ৰয়োজন হৈ পৰিছে । মাননীয় সদ দেব কুমাৰ বৰা ডাঙৰীয়াই প্ৰশ্ন তুলিছে চৰকাৰে কি কৰিছে ?

মাননীয় সদস্য সকলে জানে যে অসম চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ক আগৰে পৰ বিত্তীয় অনুদান দি আহিছে । এই বিশ্ববিদ্যালয়ক যোৱা ৫ বছৰে অসম চৰকাৰে দিয়া বিত্ত অনুদান এনে ধৰণৰ ঃ

টকাৰ সংখ্যা (লাখৰ হিচাপত

| বছৰ | বাজেট প্ৰভিজন সাধাৰণ শিতান | | পৰিকল্পনা শিতান | মুঠ | আচলতে দিয়া টকাৰ পৰিমাণ সাধাৰণ শিতান | | পৰিকল্পনা শিতান | মুঠ | বাজে থকাত বেচি দি টকা পৰি |
|---|---|---|---|---|---|---|---|---|---|
| | ষ্টেটিউটৰী | অন্যান্য | | | ষ্টেটিউটৰী | অন্যান্য | | | |
| ১৯৮৩-৮৪ | ১০০ | ৬০ | ৭.২৫ | ১৬৭.২৫ | ১০০ | ৬০ | ৭.২৫ | ১৬৭.২৫ | - |
| ১৯৮৪-৮৫ | ১০০ | ৮০ | ২৬.৫০ | ২০৬.৫০ | ১০০ | ৯০ | ২৬.৫০ | ২১৬.৫০ | (+) |
| ১৯৮৫-৮৬ | ১০০ | ৯১ | ২৬.৬৯ | ২১৭.৫৯ | ১০০ | ১২০ | ২৬.৫৯ | ২৪৬.৫৯ | (+) |
| ১৯৮৬-৮৭ | ১০০ | ১৪০ | ২৩.০০ | ২৬৩.০০ | ১০০ | ২১৮.৪৭. | ২৩.০০ | ৩৪১.৪৭ | (+)৭ |
| ১৯৮৭-৮৮ | ১০০ | ১৬৫ | ৩২.৫০ | ২৯৭.৫০ | ১০০ | ২৬৫ | ৩২.৫০ | ৩৯৭.৫০ | (+)১ |

এই বছৰ অৰ্থাৎ ১৯৮৮-৮৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে বাজেটত সাধাৰ শিতানত ৩০০ লাখ টকা আৰু পৰিকল্পনা শিতানত ৩৩ লাখ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে ।

মই উল্লেখ কৰা অনুদানৰ সংখ্যাৰ পৰা এটা কথা স্পষ্ট বুজা যায় যে ১৯৮৪-৮৫ চন পৰাই গুৱাহাটী বিশ্ববিদ্যালয়ক বাজেটত ধৰা টকাতকৈ সৰহ টকা অন্যান্য শিতানৰ পৰা আ দি অহা হৈছে । যোৱা বছৰ এই বিশ্ববিদ্যালয়ক প্ৰাথমিক শিক্ষা শিতানৰ পৰা ৫০ লাখ আ মাধ্যমিক শিক্ষা শিতানৰ পৰা ৫০ লাখ টকা আনি অতিৰিক্ত ১০০ লাখ টকা দিয়া হৈছে ।

এনেদৰে অন্য শিতানৰ পৰা টকা আনি ৰাজ্য চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ক সহা কৰা স্বত্বেও এই বিশ্ববিদ্যালয়ৰ আৰ্থিক অভাবৰ ওৰ পৰা নাই-বৰং টকাৰ বাবে দাবী বাঢ়ি গৈছে । এই আৰ্থিক সংকটৰ মূল কাৰণ সমূহ হল- হিচাবত অনিয়মতা, খৰচৰ ওপৰত নিয়ন্ত্ৰ অনিয়মতা, খৰচৰ ওপৰত নিয়ন্ত্ৰণ নথকা আৰু আয়ৰ লগত ব্যয়ৰ কোনো সংগতি নথকা ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাউন্টচ/ অডিট কৰা বিষয়টো পৰীক্ষা কৰি দেখা যায় যে, ১৯৭৭-৭৮ চনৰ পৰাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ Accounts audit কৰিব পৰা হোৱা নাই আৰু Balance Sheet তৈয়াৰ হোৱা নাই। এই সম্পৰ্কত Examiner of Local Accounts ৰ ডি, পি, আই লৈ যোৱা ৬ মাৰ্চ / ১৯৮৭ চনত লিখা এখন চিঠিৰ অংশ পঢ়িছো।

"With reference to your letter No. quoted above, I am to inform you that the accounts of the Gauhati University for 1977-78 and 1978-79 only have recently been audited and audit for 1979-80 is in progress.

In this connection it may be mentioned here, that the University authority could not finalise the Annual Accounts and Balance-Shets for the years mentioned above and produce for verification till now. The Annual accounts and balance- sheet for 1976-77 only have recently been compiled and produced for verification on 1st August,1986.

Moreover, utilisation of Government and University Grant Commission grants received the University during 1978-79 could not be pointed out to the Auditor, inspite of his repeated insistance. Neither the amounts of grant spents utilised were recorded in the grant Register nor necessary utilisation certificates were prepared for verification and signature. It was replied at the close of audit that utilisation certificates could not be prepared and produced before the Auditor as because Annual Accounts and Balance-Sheet were not compiled.

Utilisation of even University Grant Commission grants for 1984-85 and 1985-86 could not be pointed out to appointed Auditors last year and consequently utilisation certificates of grants could not be furnished to the University Grants Commission as requested by them".

চৰকাৰ ফালৰ পৰা Examiner of Local Accounts ক সকলো নথিপত্ৰ অডিটৰ বাবে দাখিল কৰিবলৈ বিশ্ববিদ্যালয়লৈ লিখিত পৰামৰ্শ দিয়া হৈছে কিয়নো up-to-date audited accouts নাপালে বিশ্ববিদ্যালয়ক একতৰফা অনুদান দি থকা টান হব বা অনুদান বৃদ্ধিৰ প্ৰয়োজনীয়তা আছে নে নাই তাকো বিচাৰ কৰা টান হব।

শেহতীয়া ভাবে যোৱা ২৬ এপ্ৰিল' ১৯৮৮ তাৰিখে Examination of Local Accouts কৰ পৰা পোৱা চিঠিৰ পৰা মই কেতবোৰ অংশ পঢ়ি শুনাব খুজিছো ঃ

"The audit on the accounts of the Gauhati University have been completed upto 1978-79 without annual accounts and balance-sheet. The audit of the accounts of 1979-80 is in progress and expected to be completed soon.

The Gauhati University has recently compiled the Annual Accounts and Balance-Sheet for 1977-78,1978-79 and 1979-80.

In this connection 2(two) Audit parties have already been posted for verification of the said Annual Accounts and Balance Sheets immediately.

It appears that Gauhati University is not in a position to compile their accounts in time because of its improper/irregular maintenance.

Examiner of Local Accounts ৰ চিঠিত উল্লেখ কৰা হিচাবৰ অনিয়ম বোৰৰ ভিতৰত কেইটামান তলত উল্লেখ কৰা হ'ল ঃ

(১) ৩১।৩।৭৯ তাৰিখত case বহীত General Fund closing balance, দেখুৱা নাই আৰু কেইবাবাৰো অনুৰোধ কৰা স্বত্বেও অডিটৰক এই হিচাব দিয়া নাই ;

(২) ৬০০০ টকাৰ ওপৰত চেকত উপাচাৰ্যৰ Countersignature লাগে। কিন্তু বহু চেকত নাই ;

(৩) মাহেকীয়া Bank Statement of Accounts, Cash বহীৰ লগত item by item verify কৰা নাই আৰু Treasurer ৰ সেই মৰ্মে কোনো চাৰ্টিফিকেট বহীত নাই ;

(৪) Cash বহীত মাহিলী closingbalance আৰু closing Bank balance লিপিবদ্ধ নাই আৰু Bank reconciliation statement ও তৈয়াৰ কৰা নাই।

(৫) ৩১।৩।৭৭ তাৰিখৰ Bank Statement আৰু Cash বহীত দেখুৱা Bank Balance ৰ বৈষম্য reconcile কৰা নাই।

(৬) মাহিলী আৰু বছৰেকীয়া Accounts, Balance-Sheet clissified Abstract Register আৰু Subsidiary Expfinditure Register নোহোৱা বাবে পৰীক্ষা কৰিব পৰা হোৱা নাই। Audit ৰ প্ৰতি head of account ৰ মুঠ receipt আৰু মুঠ খৰছ নেদেখুৱা বা দেখুৱাব নোৱাৰাৰ বাবে budget provision ও পৰীক্ষা কৰিব নোৱাৰা হৈছে। প্ৰতিটো head of account ৰ actual receipt আৰু expenditure নজনাকৈ পাছৰ বছৰ বোৰৰ বাবে বাজেট কেনেকৈ প্ৰস্তুত কৰা হৈছে সিও এক আশ্চৰ্য্য বিষয়।

(৭) UGC আৰু চৰকাৰী গ্ৰাণ্টৰ utilisation অডিট দেখুৱাব পৰা নাই ; আনকি মঞ্জুৰী চিঠিও অডিটক দেখুৱা নাই।

(৮) বৃত্তিৰ বহুতো টকা বিতৰণ নোহোৱা কৈ বিশ্ববিদ্যালয়ত পৰি আছে। উদাহৰণ স্বৰূপে ১৯৭৮-৭৯ চনৰ শেষত বৃত্তিৰ বাবদ ১৯লাখ ৯ হেজাৰ ৮২৩ টকা ২৩ পইচা বিল নোহোৱাকৈ আছে।

(৯) ১৯৭৭-৭৮ চনৰ মুঠ ৯ লাখ ৯৮ হেজাৰ ৪৩৪ টকা ৮১ পইচা advance দিয়া হৈছিল। সেই advance ৰ বিপৰিতে ২০।৭।৮৭ তাৰিখে অৰ্থাৎ প্ৰায় ১০ বছৰ পাছতো বৃত্তিৰ টকা ২ লাখ ৮১ হেজান ৮৪ টকা ৪৩ পইচা আদায় হবলৈ বাকী আছে।

(১০) প্ৰায় সকলো ধৰণৰ কামৰ টকা পইচা লেন দেনৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় ৰ এটা Fundআৰু এটা Bank Acount আছে। চৰকাৰী গ্ৰাণ্টকে ধৰি সকলো টকা এই একমাত্ৰ Fund আৰু Bank Acount ত জমা হয় আৰু খৰছো সেই একমাত্ৰ Fund আৰু Bank Acount ৰ পৰা হয়।গতিকে কৰ পৰা পোৱা টকা কি কামত খৰছ হয় ধৰা টান।

এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি যে উমৈহতীয়া দৰমহা কমিটিৰ প্ৰতিবেদন চৰকাৰৰ তৰফৰ পৰা অসমৰ তিনিটা বিশ্ববিদ্যালয়লৈকে (ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয় আৰু যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়) পঠোৱা হৈছিল যাতে তেওঁলোকে সেই পৰামৰ্শবলী ইচ্ছা কৰিলে কাৰ্য্যকৰী কৰিব পাৰে। গুৱাহাটী বিশ্ববিদ্যালয়ে উমৈহতীয়া দৰমহা আয়োগৰ লগত চলিত বেতনক্ৰম যদি কিবা বিসঙ্গতি পাইছিল তেন্তে এটা Anomaly কমিটি গঠন কৰি চৰকাৰলৈ উমৈহতীয়া দৰমহা আয়োগৰ বিসঙ্গতি দূৰ কৰিবলৈ প্ৰস্তাৱ দিব পাৰিলেহেতেন। এনে প্ৰস্তাৱ পালে চৰকাৰে তিনিখন বিশ্ববিদ্যালয়ৰ বাবে এটা Anomaly কমিটি গঠন কৰি যাতে একে বেতনক্ৰম হয় সেই সম্পৰ্কে ব্যৱস্থা লব পাৰিলেহেতেন। কিন্তু তাকে নকৰি বিশ্ববিদ্যালয় খনে নিজাববীয়াকৈ উমৈহতীয়া দৰমহা আয়োগতকৈ বৰ্দ্ধিত হাৰত ১-১-৮১ তাৰিখৰ পৰা বেছিকৈ বেতনক্ৰম দিয়াত তিনিওখন বিশ্ববিদ্যালয়ৰ ভিতৰত অকল যে দৰ্মহাৰ বিসঙ্গতিয়ে দেখা দিলে এনে নহয় চৰকাৰকো অসুবিধাত পেলালে। ইও গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকটৰ আন এটা মূল কাৰণ।

এনে ধৰণে দৰ্মহা বঢ়াই দিয়াত কেইটামান উদাহৰণ মই পঢ়ি শুনাব খুজিছো। উমৈহতীয়া দৰ্মহা আয়োগে নিম্ন বৰ্গৰ সহায়কৰ দৰ্মহা ৫৮০-১১৯৫ টকা ধাৰ্য্য কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই নিৰিখৰ বিপৰীতে নিজে ৬২০-১৩১৫ টকা ধাৰ্য্য কৰে। তেনেদৰে লেবৰটৰী এসিষ্টেণ্টৰ ৫৮০-১১৬৫ টকা বেতন ক্ৰমৰ বিপৰীতে বিশ্ববিদ্যালয়তে ৬২০-১৩১৫ টকা বেতনক্ৰম দিয়ে। পিয়নৰ বেতনক্ৰম উমৈহতীয়া পে কমিটিৰ নিৰ্দ্ধাৰিত ৩৭৫-৫১০ টকাৰ বিপৰীতে বিশ্ববিদ্যালয়ে ৩৯৫-৬২৫ টকা দিয়ে। এনেদৰে বিশ্ববিদ্যালয়ে বৃদ্ধি কৰা ভালেমান বেতনক্ৰমৰ মই কেইটামান উদাহৰণহে উল্লেখ কৰিলো। এনেদৰে দৰ্মহা বঢ়াই দিয়াত কৰ্মী সকলৰ বাবে দিব লগা Contributory Provident Fundৰ টকাও সৰহকৈ আদায় দিব লগা হ'ল। শিক্ষাধিকাৰৰ পৰা পোৱা তথ্যমতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভিন্ন পৰ্য্যায়ৰ কৰ্মীক (Non-teaching) নিজৰ মতে বেতনক্ৰম দিয়াত বছৰি অতিৰিক্ত ৫ লাখ ৭৩ হাজাৰ টকা খৰছ হৈছে।

প্ৰাপ্ত তথ্যমতে বিশ্ববিদ্যালয়ত বৰ্ত্তমান ৪০৫ জন তৃতীয় শ্ৰেণীৰ আৰু ৭৬৫ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মী আছে। বিশ্ববিদ্যালয়ে উক্ত কৰ্মীৰ সংখ্যা হ্ৰাস কৰিব পাৰিলেহেতেন বুলি বহুতে ধাৰণা কৰে। ১৯৬১ চনত মাধ্যমিক শিক্ষা পৰিষদ গঠন হোৱাৰ পৰা মেট্ৰিক পৰীক্ষাৰ দায়িত্ব বিশ্ববিদ্যালয়ৰ পৰা পৰিষদে লৈছে। ১৯৮৩-৮৪ চনত উচ্চতৰ মাধ্যমিক সংসদ প্ৰতিষ্ঠা হোৱাত প্ৰাক বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ দায়িত্বও বিশ্ববিদ্যালয়ৰ হাতত নাই। মণিপুৰ আৰু NEHU আদি বিশ্ববিদ্যালয় স্থাপন হোৱাত সেই ৰাজ্যবোৰতো গুৱাহাটী বিশ্ববিদ্যালয়ৰ Jurisdiction নাইকীয়া হৈছে। এইটো কথা সঁচা যে ওপৰত উল্লেখ কৰা পৰীক্ষা সমূহৰ দায়িত্ব বিশ্ববিদ্যালয়ৰ হাতৰ পৰা যোৱাত বিশ্ববিদ্যালয়ৰ ৰাজহ কমিছে, গতিকে তেনেস্থলত ইমান সৰহ সংখ্যক তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ আৱশ্যক আছে নে নাই সিও পৰীক্ষাৰ বিষয়।

অসমৰ প্ৰথম আৰু এখন পুৰণি বিশ্ববিদ্যালয় হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ে শিক্ষাৰ ক্ষেত্ৰত ভালেখিনি উন্নয়নমূলক কাম কৰিবলগীয়া আছে। চৰকাৰে কেতিয়াও উন্নয়নমূলক কামত সহযোগীতা নকৰিব বুলি বা বিত্তীয় সাহায্য নিদিব

বুলি কোৱা নাই ; কিন্তু বিত্তীয় অনুশাসনৰ (financial discipline)অভাৱ হলে বা দিয়া টকাৰ হিচাবো ৮-১০ বছৰৰ পাচতো নাপালে চৰকাৰে যে বিত্তীয় অনুদান আৰু তাকো বৰ্দ্ধিত হাৰত দি থকা প্ৰায় অসম্ভৱ সি সহজে নুমেয় ।

ভালে কেইবছৰমান আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে ন্যায়াধীশ শ্ৰীযুত ভোলানাথ শৰ্মা দেৱকলৈ এটা তদন্ত কমিটি গঠিত হৈছিল এই তদন্ত কমিটিয়ে বিশ্ববিদ্যালয়ৰ ভালেখিনি আসোঁৱাহ দেখুৱাই এটা প্ৰতিবেদন দিছিল এই কমিটিৰ পৰামৰ্শাৱলী কাৰ্যকৰী কৰিবলৈ বিশ্ববিদ্যালয়ে কি ব্যৱস্থা লৈছিল বা কেনেদৰে কাৰ্য্যকৰী কৰিছে সেই সম্পৰ্কেও বুজ লবলৈ উচ্চ শিক্ষাধিকৰ্ত্তাক কোৱা হৈছে ।

যিহেতু সেই তদন্তৰ ভালেদিন আগতে কৰা হৈছিল সেয়ে বৰ্ত্তমান বিশ্ববিদ্যালয়ৰ বিত্তীয় বেমেজালি অনিয়মবোৰ তদন্ত কৰিবৰ বাবে, বিত্তীয় অনুশাসনবোৰ কেনেদৰে বলৱৎ কৰিব পাৰি আৰু দৰাচলতে বিশ্ববিদ্যালয়ক বছৰি কিমান টকাৰ প্ৰয়োজন এই সম্পৰ্কে বিতংভাবে চাবলৈ এটা তদন্ত কমিটি সোনকালেই গঠন কৰাৰ কথা চনকাৰে চিন্তা কৰিছে । চৰকাৰে তদন্ত কমিটিক এটা নিৰ্দ্দিষ্ট তাৰিখৰ ভিতৰত প্ৰতিবেদন দিবলৈ কোৱাৰ কথাও ভাবিছে ।

আজি গুৱাহাটী বিশ্ববিদ্যালয়ত কিমান ধন লাগে সেইটো নজনালে কেনেকৈ আপুনি জানিব পাৰিব । শিক্ষামন্ত্ৰী হিচাবেও মোৰ জনাৰ উপায় নাই । যেতিয়া বাজেট প্ৰস্তুত কৰে তেতিয়া কিমান ধন লাগিব সেইটো জনাব লাগে । গুৱাহাটী বিশ্ববিদ্যালয়ে বাজেটখন প্ৰস্তুত কৰোতে তাত সমন্বয় কম হৈছে । গতিকে কোন শিতানত কিমান টকা লাগিব ইত্যাদি বিষয় লৈ বাজেটখন প্ৰস্তুত কৰাৰ আগতে আলোচনা কৰি লব লাগে আৰু চৰকাৰৰ লগত সমন্বয় ৰাখিব লাগে । তেতিয়াহে চৰকাৰে বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয় ধনৰ পৰিমাণৰ কথা বুজ লব পাৰিব আৰু সেই দৰে আন ঠাইৰ পৰা উলিয়াই হলেও আগতে দিয়াৰ নিচিনাকৈ বিশ্ববিদ্যালয়ক সহায় কৰাৰ কাৰণে চৰকাৰৰ বাজেটত প্ৰভিজন ৰখাৰ কাৰণে চিন্তা কৰিব লাগিব । গতিকে আজি চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ মাজত সমন্বয়ৰ প্ৰয়োজন হৈ পৰিছে আৰু বিশ্ববিদ্যালয়ৰ প্ৰয়োজন অনুসৰি বাজেট প্ৰিপেয়াৰ কৰিব লাগে ।

With reference to your letter No. quoted above, I am to inform you that the account of the Gauhati University for 1977-78 and 1978-79 only have recently been audited and audit for 1979-80 is in progress.

In this connection it may be mentioned here that the University authority could not finalise the Annual Accounts and Balance-Sheets for the years mentioned above and produce for verification till now. The annual accounts and balance-sheet for 1976-77 only have recently been compiled and produced for verification on 1st August, 1986.

Moreover, utilisation of Government and University Grant Commission grants received by the University during 1978-79 could not be pointed out to the Auditor inspite of his repeated insistance. Neither the amounts of grant spent/utilised were recorded in the grant Register

nor necessary utilisation certificates were prepared for verification and signature. It was replied at the close of audit that utilisation certificates could not be prepared and produced before the Auditor as because Annual Accounts and Balance-sheet were not compiled.

Utilisation of even University Grant Commission grants for 1984-85 and 1985-86 could not be pointed out to appointed Auditors last year and consequently utilisation certificates of grants could not be furnished to the University Grants Commission as requested by them."

"The audit on the accounts of the Gauhati University have been completed upto 1978-79 without annual accounts and balance-sheet. The audit of the accounts of 1979-80 is in progress and expected to be completed soon.

The Gauhati University has recently compiled the Annual Accounts and Balance-Sheets for 1977-78, 1978-79 and 1979-80.

In this connection 2 (two) audit parties have already been posted for verification of the said Annual Accounts and Balance sheets immediately.

It appears that Gauhati University is not in a position to compile their accounts in time because of its improper/irregular maintenances.

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীগনেশ কুটুম ডাঙৰীয়াই বৃত্তিৰ টকাৰ বিষয়ে কৈছে। অৱশ্যে তেখেতে কোৱা প্ৰশ্ন কেইটাৰ যুক্তি আছে। বৃত্তিৰ বহুতো টকা বিতৰণ নোহোৱাকৈ বিশ্ববিদ্যালয়ত পৰি আছে। ফলস্বৰূপে ১৯৭৮-৭৯ চনৰ শেষত বৃত্তিৰ বাবদ ১১ লাখ ৯ হেজাৰ ৮২৩ টকা ২৩ পইচা বিতৰণ নোহোৱাকৈ আছে। ১৯৭৭-৭৮ চনত মুঠ ৯ লাখ ৯৮ হেজাৰ ৪৩৪ টকা ৮১ পইচা এডভান্স দিয়া হৈছিল। সেই এডভান্সৰ বিপৰীতে ২০-৭-৮৭ ইং তাৰিখে অৰ্থাৎ প্ৰায় ১০ দহ বছৰ পাচতো ২ লাখ ৮১ হেজাৰ ৮৪ টকা ৪৩ পইচা আদায় হবলৈ এতিয়াও বাকী আছে। প্ৰায় সকলো ধৰণৰ টকা পইচা লেনদেনৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা ফাণ্ড আৰু এটা বেঙ্ক একাউন্ট আছে। চৰকাৰী গ্ৰেণ্টকে ধৰি সকলো টকা একমাত্ৰ ফাণ্ড আৰু বেঙ্ক একাউন্টচত জমা হয় আৰু খৰছো সেই একমাত্ৰ বেঙ্ক একাউন্টচৰ পৰাই হয়। গতিকে কৰ পৰা পোৱা টকা কি কামত খৰছ হয় ধৰা টান।

এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি যে আমি গোটেই বিশ্ব বিদ্যালয়ৰ আৰ্থিক সংকটৰ বিষয়ে আগতে মূল কথা কেইটা উল্লেখ কৰিছো। বিশ্ববিদ্যালয়ৰ ধন কিমান দিয়া হ'ল সেইটো বিচৰাৰ কথা কৈছে। সেই ধন কিনি সঠিকভাৱে কোন পৰিকল্পনাত কেনে ধৰণে ধৰা হৈছে, তথ্যপাতি সেই হিচাবে ৰাখিছেনে নাই সেইটোৰ ওপৰত এটা সংকটৰ বিষয়ত পৰিস্কাৰ ছবি এটা পাম। কিন্তু সেই অৱস্থা আমি দেখা পোৱা নাই।

শিক্ষাৰ মানদণ্ড পৰিচালনা সম্পৰ্কত এটা প্ৰশ্ন আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়া আৰু কেইবাগৰাকী সদস্যই সদনত উৎথাপন কৰিছে। স্বাভাৱিকতে পনিচালনাৰ ক্ষেত্ৰত বোটানিকেল গাৰ্ডেন, মিউজিয়াম হয়, এচিয়াৰ ভিতৰতে নৃতাত্বিক যি মিউজিয়াম আৰু যাদুঘৰ আছে সেইটো এটা শ্ৰেষ্ঠ মিউজিয়াম। কিন্তু পৰিচালনাৰ অভাৱত ই অবক্ষয় হৈছে বুলি জানিছো। তাক কাকতৰ যোগে জনা হৈছে। কিন্তু মই এইটো কথা বুজি পোৱা নাই।

বিশ্ববিদ্যালয়ৰ যি ৭৬৫ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছে, তেওঁলোকক যদি সঠিকভাবে কামত লগাব পৰা যায়, তেনেহলে কাম বিলাক চাব পনা যায়। বোটানিকেল গাৰ্ডেন খন যদি সচাঁকৈ তেনেকুৱা অৱস্তাত আছে এই কৰ্মচাৰী খিনিক সঠিক ভাবে লগালে ধনৰ কথা নাই। এই ক্ষেত্ৰত উদ্যমৰ প্ৰয়োজন, আন্তৰিকতাৰ প্ৰয়োজন। ঠিক তেনেকুৱাকৈ আমি আমাৰ বৰ্ত্তমান এই অঞ্চলত বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত এটাও ৰাস্তা নাই। মোৰ নিজৰ বিশ্বাস বিশ্ববিদ্যালয়ৰ দৰে প্ৰতিষ্ঠানত পৃথিবীৰ আগশাৰিৰ গুণী মানুহক আমি আমন্ত্ৰণ কৰি আনিব পাৰো। সেই গুনেৰে আমাৰ ল'ৰা ছোৱালী শিশু বিলাকৰ জীৱন প্ৰস্তত কৰিব পাৰো। এই সুবিধা যদি পোৱা হয় তেনেহলে বিশ্ব বিদ্যালয় খনক আমি মহিমা মণ্ডিত কৰি তুলিব পাৰো। গতিকে স্বজন তোষণৰ অভিযোগ বিলাক যে তেখেতে উৎথাপন কৰিছে সেইটো মই নিশ্চিত নহয়। তথাপিও মই কৈছো যে আমাৰ বিশ্ববিদ্যালয়খন মহিমামণ্ডিত কৰি তুলিবৰ কাৰণে আৰু এই বিশ্ববিদ্যালয় অঞ্চলত সাংস্কৃতিক আৰু বৌদ্ধিক পৰিবেশ তৈয়াৰ কৰিবৰ কাৰণে আটাইতকৈ গুনী জনক স্থান দিয়াটো উচিত যত কৃষ্ণকান্ত সন্দিকৈৰ দৰে ব্যক্তিয়ে মহান আসন সুবাই থৈ গৈছে। এজন ব্যক্তি এটা প্ৰতিষ্ঠানৰ পৰিচয় ডাঙি ধৰে। গতিকে কৃষ্ণকান্ত সন্দিকৈ আৰু গুৱাহাটী বিশ্ববিদ্যালয় এই দুটা নাম অভিন্ন হৈ গৈছে। একোজন ব্যক্তিয়ে এটা প্ৰতিষ্ঠানৰ সময়ত প্ৰতিনিধিত্ব কৰি যায়। সেয়েহে গুৱাহাটী বিশ্ববিদ্যালয় আৰু কৃষ্ণকান্ত সন্দিকৈৰ মাজত আমি কোনো পাৰ্থক্য বিচাৰি নেপাওঁ। তেনে ছাএ আমি আজিও বিচাৰো যাতে তেনে নেতৃত্ব সেই অনুষ্ঠানক দিব পানে। আমি বিচাৰিছো সেই উদ্যম — অমিয় কুমাৰ দাস ডাঙৰীয়া, ফকৰুদ্দিন আলি আহমেদ ডাঙৰীয়া, গোপীনাথ বৰদলৈকে আৰম্ভ কৰি মাধৱ বেজবৰুৱা সেই সকল বয়োজেষ্ঠ বহু লোকে অসমৰ বিশ্ববিদ্যালয়ৰ পৰিবেশ পূৰণ কৰিছিল। বিষ্ণুৰাম মেধি শতবাৰ্ষিকীত এজন সাধাৰণ গাওঁবাসীয়ে কৈছে যে বিষ্ণুৰাম মেধিয়ে সেই পৰিবেশৰ আয়োজন কৰিছিল। বহুতে যথেষ্ট পছা নোপোৱা মানুহে সেই পৰিবেষত মিলি গৈছিল। গতিকে মানুহৰ আন্তনিকতা আৰু উৎসাহ উদ্যমৰে এই অনুষ্ঠানটো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আমি ব্ৰতী হব লাগিব। বিশ্ববিদ্যালয় খনৰ প্ৰতি আমাৰ দায়িত্ব আছে। সেই দায়িত্ব আমি কোনেও আতৰাই দিব নোৱাৰো। বিশ্ববিদ্যালয়খন সম্পৰ্কে যিবিলাক প্ৰশ্ন উৎথাপন কৰা হৈছে তাৰ উত্তৰ এই দৰণে দিব বিচাৰিছো।

কেইবছৰমান আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে ভোলানাথ শৰ্মা দেৱক লৈ এখন তদন্ত কমিটি গঠন কৰা হৈছিল। এই তদন্ত কমিটিয়ে বিশ্ববিদ্যালয়ৰ ভালেমান আসোৱাহ দেখুৱাই এটা প্ৰতিবেদন দিছিল। এই কমিটিৰ পৰামৰ্শাৱলী কাৰ্য্যকৰী কৰিবলৈ বিশ্ববিদ্যালয়ে কি ব্যবস্থা লৈছিল বা কেনেদৰে কাৰ্য্যকৰী কৰিছে সেই সম্পৰ্কে বুজ লবলৈ উচ্চ শিক্ষা অধিকৰ্ত্তাক কোৱা হৈছে। যিহেতু তদন্ত

কমিটি ভালেদিন আগতে কৰা হৈছিল সেয়ে এতিয়া কত বেমেজালি হৈছে সেই বিষয়বিলাক সদনত উৎথাপন কৰা হৈছে । এই বিশ্ববিদ্যালয়খনক একাদেমিক শিক্ষাত আগবঢ়াই নিবৰ কাৰণে কিমান ধনৰ প্ৰয়োজন প্ৰকৃততে বিশ্ববিদ্যালয়খন এটা কথাৰ কাৰণে সেই ধন য'ৰ পৰাই নহওঁক আমি গোটাব লাগিব । এই ক্ষেত্ৰত পৰিস্কাৰ এখন ছবি পাবৰ কাৰণে এজনীয়া বা দুজনীয়াই হওঁক কমিটি কৰা হৈছে আৰু কমিটিয়ে বিবেচনা কৰি চাই চৰকাৰৰ ওচৰত এটা পৰিস্কাৰ ছবি ডাঙি ধৰিব । সেই কমিটিখনৰ যোগেদি বিতং তথ্যপাতি লৈ বিশ্ববিদ্যালয় খনক আগবঢ়াই নিবৰ কাৰণে আমি প্ৰত্যেকে দায়িত্ব পালন কৰিব লাগিব ।

ৰাজ্যখনৰ সাংস্কৃতিক, বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত মাননীয় সভাপতিৰ যোগেদি এইখিনি জনাইছো আৰু মাননীয় সদস্য সকলে এই অনুষ্ঠানৰ প্ৰতি উদ্বিগ্ন হোবাৰ কাৰণে আৰু তেখেত সকলে এই ক্ষেত্ৰত পৰামৰ্শ দিয়াৰ কাৰণে ধন্যবাদ জনাই মই এই পবিত্ৰ সদনক আকৌ কৈছো — This is our University. We are equally interested in its development.

## PRIVATE MEMBERS MOTION

**Mr. Chaiarman** - Now, item No.5 - Motions. As per list of the Private Members' Motions I would like to request hon. member, Kumar dipak Das to move his motion.

**কুমাৰ দীপক দাস ঃ** "চেয়াৰমেন মহোদয়," যিহেতু অসমৰ টেলিসংযোগ সেবাৰ দুঃখজনক অবস্থাই সৰ্বসাধাৰণ ৰাইজক অতীষ্ঠ কৰি তুলিছে, আৰু যিহেতু এই আও পুৰণি আৰু আসোৱাহযুক্ত ব্যৱস্থাৰ ওপৰত ৰাইজৰ বহুদিনিয়া অভিযোগ আছে, সেয়েহে অসম বিধান সভাৰ এই অধিবেশনে প্ৰস্তাৱ গ্ৰহণ কৰে যে কেন্দ্ৰীয় চৰকাৰে উচ্চ পৰ্য্যায়ৰ নিৰপেক্ষ তদন্তৰ যোগেদি এই বিভাগটো আধুনিকীকৰণ কৰি ৰাইজৰ সেবাত ব্ৰতী কৰাৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়ক ।

সভাপতি মহোদয়, আজি বিজ্ঞানৰ যুগত টেলি সংযোগ সেবা এটা দৰ্কাৰী সেবা আৰু গোটেই ভাৰতবৰ্ষত নহলেও অসমত এই টেলি সংযোগ সেবা অতি দুখ জনক । এই সম্পৰ্কে সদনৰ মজিয়াতেই হওঁক, বা বাতৰি কাকততেই হওঁক বা অন্যান্য ৰাজহুৱা পৰিবেশতেই হওঁক টেলি সংযোগৰ দুৰবস্থাৰ কাৰণে যথেষ্টখিনি আলাপ আলোচনা হৈছে । এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অনিহান মূলক মনোভাব দেখা গৈছে । এই অনিহামুলক মনোভাব পৰিত্যাগ কৰিব লাগে । এই সেবা যি উদ্দেশ্যেৰে দৰ্কাৰী সেবা বুলি ঘোষণা কৰা হৈছিল সেই উদ্দেশ্য সাৰোগত কৰি বিশেষকৈ অসমত টেলি সেবাৰ আমোল পৰিবৰ্ত্তন কৰিব লাগে ।

সভাপতি মহোদয়, আজি সমাজত যি বিশৃঙ্খল পৰিবেশ সৃষ্টি হৈছে এই বিশৃঙ্খলাৰ অন্যতম কাৰণ টেলি সংযোগ বুলি মই কব বিচাৰো । আজি আমাৰ সৰ্বসাধাৰণ ৰাইজে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে আৰু বিভিন্ন সময়ত বিভিন্ন দুৰ্ঘটনাৰ উৎভৱ হৈছে ।

মাননীয় সভাপতি মহোদয়, অসমত আজি যি বিশৃঙ্খল অৱস্থাৰ সৃষ্টি হৈছে ইয়াৰ কাৰণে টেলিসংযোগ ব্যৱস্থাই দায়ী বুলি মই কব বিচাৰো। এই টেলিসংযোগ ব্যৱস্থাৰ কাৰণেই বহুত সময়ত দুখজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। টেলিসংযোগ ব্যৱস্থাই বহুত মানুহক বিপদত পেলাইছে আৰু বহুতো লোকক আনকি মৃত্যুৰ মুখতো পেলাইছে। গতিকে এই প্ৰস্তাবটো ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। এই সম্পৰ্কত মই কেটামান কথা উল্লেখ কৰিব বিচাৰিছো।

মাননীয় সভাপতি মহোদয়, কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে যে ২ হাজাৰ চনৰ ভিতৰত আনকি ভিতৰুৱা গাৱলীয়া অঞ্চললৈকো টেলি সংযোগ ব্যৱস্থা সম্প্ৰসাৰণ কৰা হব। কিন্তু দুখৰ কথা হৈছে যে ভিতৰুৱা গাৱলৈ যাব নে নাযায় নাজানো কিন্তু এতিয়া নগৰত যি বিলাক টেলিসংযোগ ব্যৱস্থা আছে সেই বিলাক ব্যৱস্থাই কোনো ৰাইজৰ উপকাৰ সাধন কৰিব পৰা নাই। যিটো যুগত মানুহ চন্দ্ৰলৈ গৈছে, যিটো যুগত নিউক্লিয়াৰ ডিভাইচ হৈছে সেইটো যুগত আজি আমাৰ মানুহে টেলিসংযোগৰ ভাল সুবিধা পোৱা নাই।

সভাপতি মহোদয়, মই এই প্ৰস্তাবটো উত্থাপন কৰিছো। এই সম্পৰ্কত মই এটা কথা কবলগীয়া আছে। মই অসম বিধান সভাৰ পি ইউ চি কমিটিৰ চেয়াৰমেন। অধ্যক্ষ মহোদয়ে মোক এই দায়িত্ব দিছে। পি ইউ চি কমিটিৰ চেয়াৰমেন হিচাবে মোৰ ঘৰত এটা টেলিফোন দিবৰ কাৰণে বিধান সভা সচিবালয়ে লিখিছিল আৰু সেই মতে টকাও জমা দিয়া হৈছিল। কিন্তু সেই টেলিফোনটো নালাগিল। কিন্তু মই যেতিয়া এই প্ৰস্তাবটো দিলো সেইটো কথা গম পায়েইনেকি নাজানো অলপতে মোৰ ঘৰত টেলিফোন লগোৱা মানুহে এটা টেলিফোন লৈ গৈ কয় যে এইটো টেলিফোন আপোনাৰ ঘৰত লগাব লাগে, কত লগাব লাগে দেখুৱাই দিয়ক। তাতোকৈ আচৰিত কথা যে সভাপতি মহোদয়, এই টেলিফোনটো লগোৱা আজি এক মাহ মান হ'ল কিন্তু মই আজিলৈকে এবাৰো কথা পাতি নাপালো। বাহিৰৰ পৰা ৰিং আহে কিন্তু মই ৰিং কৰিব নোৱাৰো। সেই দৰে আমাৰ বিধায়ক সকলৰ ঘৰতো টেলিফোন দিয়াৰ কথা আছিল। কিন্তু বহুতেই পোৱা নাই আৰু যি সকলে টেলিফোন পাইছে সেই সকলেও কান পাতি পোৱা নাই। এয়ে আমাৰ টেলি সংযোগ ব্যৱস্থা। কেতিয়াবা কাৰোবালৈ ৰিং কৰিলেও কাৰোবাৰহে মাত পোৱা যায়। হয় কোনোবাই কথা পাতি কথা শুনা যায় বা ৰং নম্বৰ বুলি কোৱা শুনা যায়। এনেকুৱা ধৰণেৰে টেলিফোনৰ ব্যৱস্থা অসমত চলি আছে। মাজে মাজে টি ভিত দেখুৱাই যে ভাৰতৰ পৰা আমেৰিকা, ৰাচিয়া জাৰ্মেনিৰ কাৰোবাৰ লগত কথা পাতিছে। কিন্তু আমি ওঁচৰৰ মানুহক কিবা খবৰ এটা দিবলগীয়া হলেওঁ দিব নোৱাৰো। এই বিলাক দেখি টেলি সংযোগ ব্যৱস্থাটো মূল উদ্দেশ্যৰ পৰা আতৰি যোৱা যেন লাগে। মই এই খিনিতে এগৰাকী মন্ত্ৰীৰ টেলিফোনৰ কথা কওঁ। মন্ত্ৰী গৰাকী হ'ল শ্ৰীবাকী প্ৰসাদ টেলেঙা। তেখেতৰ ঘৰত এটা টেলিফোন দিয়া হল। সেইখন গাওঁৰ মানুহে সেইটোকে প্ৰথম টেলিফোন দেখিব। গাৱৰ ৰাইজে বৰ ভাল পালে। তেওঁলোকে কেতিয়াবা কেতিয়াবা টেলিফোনত কথা পাতিবলৈ পাব। কিন্তু দুখৰ কথা যে তেওঁৰ ঘৰত টেলিফোন নালাগিল। টেলিফোনৰ কাৰণে যি খুঁটা পুতিছিল তাৰে এটা বোলে এতিয়া কোনোবাই কিবা কামৰ কাৰণে মনে মনে লৈ গ'ল। এনেকুৱা অৱস্থা আমাৰ ইয়াত চলি আছে। ইয়াত বোলে চাৰকুল অফিচাৰ কোনোবা পাণ্ডে আছে। তেওঁৰ লগত এদিন মই নিজে কথা পাতিছিলো। তেওঁ

কলে যে আপোনালোকৰ কিবা কথা থাকিলে মোক জনাব আৰু আপত্তি দিয়া নম্বৰটো দিলে ১৯১। কিন্তু এইটো নম্বৰ ডায়েল কৰিলে পোৱা নায়ায়। আপত্তি দিব কাক। তাৰোপৰি এচ, টি, ডি, ডিমাণ্ড চাৰিভচ আদি বহু কিবা কিবি আছে বুলি শুনিছো যদিও কথা পাতি পোৱা নাই।

বিধায়ক হোষ্টেলৰ কাৰণে এটা টেলিফোন একচেঞ্জ আছে। কিন্তু যাৰ ধৈৰ্য্য বেছি তেওঁহে এই একচেঞ্জৰ পৰা নম্বৰ লব পাৰে। বিধায়ক হোষ্টেলৰে এনেকুৱা অবস্থা হলে বাহিৰত কি হ'ব ভাবি চাব পাৰে। আমাৰ সচিবালয়টো এটা পি বি এক্স আছে। এইটোটো আজিলৈকে মই কথা পাতি পোৱা নাই। কোনেও টেলিফোন ডাঙি নধৰে বা ধৰিলেও নং দিব নোবাৰো দিলেও ৰং নম্বৰ দিয়ে। এদিন মই ডেৰঘন্টা এনেয়ে ধৰি আছিলো। কিন্তু কোনেও 'হেলো' বুলি নকলে। আজি ভাৰতৰ অন্যান্য ঠাইত ইলেকট্ৰনিক এক্সেঞ্জ হৈছে। আমাৰ ইয়াত কি হৈছে ? অকল চিলচৰত হলেও গোটেই অসমতে হোৱা নুবুজাই। চৰকাৰে এই সম্পৰ্কত ব্যৱস্থা লৈ এই প্ৰস্তাবটো কেন্দ্ৰীয় চৰকাৰলৈ পথাব লাগে। আমাৰ আৰু বহুত মাননীয় সদস্যই বহুত বিলাক পৰামৰ্শ মোলৈ পঠাইছে মই তেখেত সকলক নিজৰ নিজৰ পৰামৰ্শ সমূহ দাঙি ধৰিববলৈ অনুৰোধ কৰিছো আৰু এই প্ৰস্তাবটো ভালভাৱে অনুসন্ধান কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিববলৈ অনুৰোধ কৰি মই সামৰিছো। ধন্যবাদ।

**শ্ৰীহেমেন দাস** ঃ সভাপতি মহোদয়, কুমাৰ দীপক দাসে যিটো প্ৰস্তাব আনিছে সেইটো মই সমৰ্থন কৰিছো। তেখেতে উত্থাপন কৰিছে যে 'অসমৰ টেলিসংযোগ সেবাৰ দুখজনক অবস্থাই সৰ্ব-সাধাৰণ ৰাইজক অতিষ্ঠ কৰি তুলিছে। অতিষ্ঠ বুলি নকৈ অতি দুখজনক অবস্থা বুলি কলে ভাল হয়। ইয়াৰ মূল কাৰণটো ক'ত, কেৰোণটো ক'ত বিচাৰি চাওঁ তেতিয়াহলে দিল্লীলৈ যাব লাগিব, চাব লাগিব। আজি দিশপুৰত যিটো প্ৰশাসন আছে দিল্লীত সেইখিনিও নাই যেন অনুমান হয়। ফলত কি হৈছে কেৱল অসমতেই নহয়, ইয়াৰ ফলত বিভিন্ন ঠাইত অসুবিধাৰ সন্মুখীন হৈছে। টেলিফোন পায় মানে এম্বেচেডৰে এডোখৰ ঠাই ঘুৰি আহিব পাৰে, তথাপিটো টেলিফোনটো সময় মতে পোৱা নেযায়। মই দিশপুৰৰ পৰা বৰপেটালৈ মাত্ৰ এটা টেলিফোন পাইছিলো আজি ১০ বৰতৰ। এম, এল, এ, সকলে টেলিফোন পায়, কিন্তু কিমানে ফোনৰ লাইন পায়। আৰু এটা কথা মোৰ ওচৰলৈ টেলিফোন কৰাৰ নামত ৰ্কেটৰ বিল গৈছে, সেই বিলাক ৰিএম্বাৰচমেণ্ট কৰিব লাগে। মই ঘুৰাই পঠিয়াই দিছো, তেওঁলোকে তেতিয়া কলে যে ফোনৰ লাইন ডিচকানেকট কৰি দিম। তেওঁলোকে ডিচকানেকট কৰি কি কৰিব যত নেকি ফোনৰ লাইনেই নাই। লোকেল ক'লৰ বাবে এবছৰত মাত্ৰ মোৰ ১২ টকা হৈছিল। এয়ে হৈছে ফোনৰ কাৰ্য্য পদ্ধতি। গতিকে আজি বিজ্ঞানৰ যুগতো এনেকুৱা হয় তেতিয়াহলে এই বিভাগটোবে কি কৰি আছে ? কেন্দ্ৰীয় চৰকাৰ এইটো কাৰণত গৰিহনাৰ যোগ্য।

মাননীয় সভাপতি মহোদয়, এম, এল, এ হোষ্টেলৰ পি বি এক্স এডমিনিষ্ট্ৰেচনটো আৰু চেক্ৰেটৰীয়েটৰ পি বি এক্স এডমিনিষ্ট্ৰেচনটোৰ কি সাংঘাটিক অবস্থা। ডাইৰেক্ট ডাইলিং আছে, কিন্তু সময়মতে প্ৰয়োজনীয় অনুসৰি ক'তো এটা ফোন লগাব নোবাৰি, ক'তো এটি লাইন নেপায়। আজি গাৱেঁ-গাৱেঁ ফোন দিয়া কথাটো কোৱা হৈছে, সেইটো গছত গৰু উঠা কথা হব। গাওঁ বিলাকত নহলেও

আজি টাউন বিলাকত ফোনৰ ব্যৱস্থা ভাল কৰাটো বিশেষভাৱে গুৰুত্ব দিব লগীয়া হৈছে। দেশৰ উন্নতি কৰিবলৈ হলে এই সৰু সৰু কাম বিলাকৰ উন্নতি হব লাগিব। এই টেলিফোনৰ দুৰবস্থাটো যাতে ভাল কৰিব পাৰে, কেন্দ্ৰীয় চৰকাৰৰ এই বিভাগটোৰ যাতে গা লৰাব পাৰে যাৰ দ্বাৰা আমাৰ প্ৰকৃত কামত আহে সেইটোত কেনেদৰে সহায় কৰিব পাৰি তাৰ বাবে আলোচনা কৰাটো সময়োচিত হৈছে, সেই আশা পুৰণ কৰিব পাৰিব বুলি আশা ৰাখি মোৰ মন্তব্য সামৰণি মাৰিলো।

**শ্ৰীপ্ৰদীপ হাজৰিকা ঃ** মাননীয় সভাপতি মহোদয়, কুমাৰ দীপক দাসে অনা প্ৰস্তাৱটো সমৰ্থন কৰি মই আৰু এটা কথা ইয়াত যোগ দিব বিচাৰিছো। সেইটো হৈছে ডাক তাঁৰ বিভাগ। মই ইয়াৰ পৰাই কব বিচাৰিছো কাম কেনেকৈ হৈছে, এখন টেলিগ্ৰাম গ'ল মাদ্ৰাজলৈ, টেলিগ্ৰামখন এনে ধৰণৰ আছিল ( 11.5.88 BDG V/1)।

আজি চিঠিয়েই হওঁক বা টেলিগ্ৰামেই হওঁক সদিয়ালৈ গৈ পাওঁতে ২৬ দিন লাগে। আমাৰ মাননীয় বিধান সভাৰ সদস্য গৰাকীৰেই এনেকুৱা হৈছে। এইটো বৰ দুৰ্ভাগ্য কথা।

এজন উচ্ছ পৰ্য্যায়ৰ এই বিভাগৰ বিষয়াক আমাৰ এজন মাননীয় মন্ত্ৰী মহোদয়ে কলে যে, 'আপোনাক এটা কথা সুধিব খোজো'। বিষয়াজনে কব পাৰে বুলি কোবাত মাননীয় মন্ত্ৰী জনে কলে য়ে, 'আমি গাবঁৰ পৰা আহিছো। দুখীয়া জনসাধাৰণৰ প্ৰতিনিধিত্ব কৰিছো। সেই মানুহ বিলাকে আশাৰে আমালৈ বাট চাই আছে। ৰাইজৰ কাম কৰিবলৈ, তেওঁলোকৰ লগত যোগ সুত্ৰ কৰিবলৈ টেলি সংযোগ অত্যন্ত প্ৰয়োজনীয়। টেলিসংযোগ কৰা হ'ল কিন্তু সেই বিলাক ৰাইজৰ লগত যোগাযোগ কৰা বেলেগ কথা, নিজৰ মাৰ লগতে আজি আঢৈ বছৰে একাষাৰ কথাকে পাতিব পৰা নাই। এয়েই হৈছে টেলিফোনৰ অৱস্থা। সংশ্লিষ্ট বিষয়া সকলক এই বিষয়ে অৱগত কৰিলেও কোনো কামত নাহে। হাড়া শাস্তি হব লগীয়া হয়। আজি দিশপুৰৰ পৰাই গোটেই অসমখন চলোৱা হৈছে। প্ৰশাসনীয় সদৰ কাৰ্য্যালয় বিলাক ইয়াতেই আছে। ইয়াতেই মন্ত্ৰী, বিধায়ক সচিব, সঞ্চালক সকলো আছে। ইয়াৰ লগত যদি ৰাজ্যৰ বিভিন্ন অংশৰ লগত কোনো যোগাযোগ নাথাকে তেতিয়াহলে, প্ৰশাসনটো চলাব কেনেকৈ ? সেই কাৰণেই আজি কৈছো য়ে, সদনৰ প্ৰত্যেক মাননীয় সদস্যাই এই প্ৰস্তাৱটো সমৰ্থন কৰিব লাগে। যি উদ্দেশ্যৰে সৈতে এই বিভাগটো খোলা হৈছে, ইয়াত যি বিলাক অফিচ, কৰ্মচাৰী আছে, গাড়ী ঘোৰা আদি আছে, উদ্দেশ্য পুৰণ নহলে এই গেটেই বিলাক ইয়াৰ পৰা অপসাৰিত কৰিবলৈ আমি কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিব লাগিব। মানুহ তিনি ধৰণে মৰে, ভয়, আশা আৰু লোভ। আমি এতিয়া আশাত মৰিব লগীয়া হৈছে। আটাইতকৈ ডাঙৰ কথা হৈছে, পাই হেৰুৱাৰ বেদনা পৃথিবীত আতাইতকৈ ডাঙৰ। নেপালেই ভাল। আমাৰো এতিয়া সেই অৱস্থাই হৈছে। ভগবানে পৃথিবীত সকলো বস্তুকে দিছে। খালি সেই বিলাক আমি ব্যৱহাৰ কৰিব লাগিব বা পাৰিব লাগিব। এতিয়া যি ধৰণৰ টেলিফোন ব্যৱস্থা হৈছে তাৰ পৰিবৰ্ত্তে সৰু ল'ৰা ছোৱালী বিলাকে জুইশলা বাহত সুতা লগাই যি ধৰণে কথা বতৰা পাতে সেইটোৱেই ভাল। টেলিফোন ব্যৱস্থাটো যদি একেবাৰেই বেয়া হয়

তেতিয়াহলে, কি কৰিব ? কোনো 'ৰিমেডি'ও নাই । গতিকে জনসাধাৰণৰ কাম কেনেকৈ কৰিব ? কোনো ৰাস্তা নাই গতিকে এই বিলাকৰ কোনো দৰ্কাৰ নাই । আমি নাইট চুপাৰতেই পঠিয়াই দিম । এখন টেলিগ্ৰাম দিলে মোৰ ঘৰৰ পৰা । মই টেলিগ্ৰাম নেপালো কিন্তু ইতিমধ্যে মোৰ ল'ৰা আহিয়েই পালেহি । দুই এটা খবৰ টি, ভি,, ৰেডিঅ মনোযোগেৰে শুনি থকা সকলে গম পাব । কিন্তু যাৰ এই বিলাক সুবিধা নাই সেই সকলে কি কৰিব ? গতিকে, এই বিলাকৰ কোনো দৰ্কাৰ নাই । এই বিলাক প্ৰহসনত পৰিণত হৈছে । গতিকে সদনৰ সকলো মাননীয় সদস্য একেলগ হৈ যিমান কঠোৰ ভাষাত পাৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰক এই কামত নোহোৱা বিভাগটো উঠাই লৈ যোবাৰ কাৰণে পৰামৰ্শ দিব লাগে ।

**শ্ৰীকুল বাহাদুৰ চেত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, টেলিফোন বিষয়ৰ যিটো প্ৰস্তাব অনা হৈছে সেইটো মই সমৰ্থন কৰিছো । টেলিফোন বিষয়ত আমাৰ সকলোৰে তিক্ত অভিজ্ঞতা হৈছে । এই তিক্ত অভিজ্ঞতাৰ বিষয়ে ভালেকেইজন সদস্যই বহলাই কৈছে । আমাৰ নতুন হোষ্টেলত যিটো টেলিফোন আছে সেইটো নাবাজেই । টেলিফোন এটা ক'ৰবালৈ বুক কৰি ৪ - ৫ দিনলৈ অপেক্ষা কৰি থাকি শেষত নেপাই বাদ দিব লাগে । সেয়ে এই টেলিফোন ব্যৱস্থা উন্নতকৰণৰ কাৰণে দিল্লীলৈ যিটো প্ৰস্তাব প্ৰেৰণ কৰিবলৈ ওলাইছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো । অসমৰ টেলিফোন ব্যৱস্থা কেনেকৈ ভাল কৰিব পাৰি তাৰ বাবে আমি কৰিবলগীয়াখিনি কৰিব লাগে । নতুন হোষ্টেলত থকা টেলিফোন কেইটা কোনো কামতেই নাহে । এচ, টি, ডি ডিমাণ্ড কল, আৰ্জেন্ট কল, ইত্যাদি কৰিও প্ৰয়োজনৰ সময়ত অতি জৰুৰী খবৰো টেলিফোনৰ জৰিয়তে নোৱাৰি । অথচ এই টেলিফোনৰ যোগেদি এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যৰ লোকৰ লগত কথা পাতিব পাৰি । কিন্তু আমাৰ ৰাজ্য খনৰ টেলিফোনৰ ব্যৱস্থা ইমানেই নিম্নখাপৰ যে ১০০ ভাগৰ ভিতৰত এভাগহে কাৰ্য্যকৰী হয় । এই ব্যৱস্থাটো কেনেকৈ ভাল কৰিব পাৰি সেই সম্পৰ্কে মাননীয় সদস্য সকলে পৰামৰ্শ দিয়াৰ দৰে ব্যৱস্থা লব লাগে । এই প্ৰস্তাবটো অনাত ভাল হৈছে, সমৰ্থন জনাইছো । কেতিয়াবা অতি জৰুৰী বিষয়তো কাৰোবাৰ লগত টেলিফোনত কথাপাতিবলৈ বিচাৰিলে পাতিব নোবাৰো । আমাৰ সকলোৰে ঘৰত টেলিফোন আছে কিন্তু কামত নাহে - প্ৰায়ে বেয়া হৈ থাকে বা লাইন নাপাও । সেয়ে এই ব্যৱস্থাটো উন্নতিকল্পে ব্যৱস্থা লব লাগে । ইয়াকে কৈ মই সামৰণি মাৰিলোঁ ।

**ডঃ অৰ্দ্ধেন্দু কুমার দে ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য কুমার দীপক দাস টেলিফোনের ব্যাপারে যে প্রস্তাব সদনে এনেছেন আমি তা সমর্থন করি । আমাদের নতুন বেং পুরানো দুটি হোষ্টেলেই টেলিফোন আছে । কিন্তু সবারই অভিযোগ এগুলো বাজে না । শুনেছি যে আমাদের বিধান সভা সচিবালয় থেকে এগুলির উন্নতির জন্য বেশ কয়েক হাজার টাকা টেলিফোন বিভাগকে দেওয়া হয়েছে । কথাটা খুবই ভাল কিন্তু আজ পর্যন্ত কেন এগুলির উন্নতি হলো না কথাটা আমাদের জানা উচিত ।

মহোদয়, দুরদর্শনের এক সিরিয়েলে এক ভদ্রমহিলা এই টেলিফোন বিভাগের একটা করচুপি দেকিয়েছিলেন . কেব্‌ল-এ অন্যের ফোনের সঙ্গে সংযোগ করে এই দুর্নীতি করা হয় । একে একজন যত কল্‌-ই করক না কেন বিল আসবে অন্যের টেলিফোনে ।

মহোদয়, ফেন্সিবাজারের ব্যবসায়ীরা সারা রাত দিল্লী-বোম্বেয় ট্রাংকল করে কিন্তু সেইমত বিল উঠে না। কারণ হৈ বিভাগের কর্মচারীদের সঙ্গে একটা বোঝাপরা আছে। আমি জানি কারণ আমার নিজের ভাই এই বিভাগের কাজ করে। কিন্তু যেহেতু সব ধনী ব্যক্তি এই দুর্নীতিতে যুক্ত তাই কেউই এই ব্যাপারে মাথা লাগায় না। আমার কি এই ব্যাপারে একটা জনমত গড়ে. তুলতে পারি না ? এই সদনে কেটা প্রস্তাব নিতে পারি না ? মহোদয় আমারা দেখতে পাই যে আমেরিকার কে প্রান্ত থেকে অন্য প্রান্তে কয়েক মুহুর্তের মধ্যে একজন টেলিফোনে কথা বলতে সক,ম হয়। তচ আমারা এখান থেকে যে কোন জেলা সদরে সারা দিননেও লাইন পাই না।

মহোদয়, আমরা জানতে পারি যে কিছুদিন আগে একজন বিখ্যাত বিদেশী প্রযুক্তিবিদ মিঃ সাম টেলিকম্যুকেসন'র উন্নতির ব্যাপারে আমাদের মুখ্যমন্ত্রী মহোদয়ের সঙ্গেও আলাপ আলোচনা করে গিয়েছিলেন। শুনেছি এই ব্যাপারে তিনি কিছু উপদেশও দিয়েছিলেন। কিন্তু ফলাফল কি হলো আমারা জানতে পারি কি ? মিঃ সাম্ পেট্রোডার উপদেশ রাজ্য চরকার কি ভাবে কাজে পরিনত করেছেন আমরা জানতে পারি কি ?

**শ্ৰীগনেশ কুটুম** ঃ চেয়াৰমেন মহোদয়, কোৰাম হবৰ কাৰণে কিমান সদস্য লাগে ? সিমানজন সদস্য আছে নেকি ?

**চেয়াৰমেন** ঃ ২১ জন লাগে, আছে।

Mr. Chairman Hon'ble Minister, Public Grievances will reply on the Resolution at 1-15 P.M. In between the discussion should be concluded. Now, Hon'ble member Shri Debeswar Bora.

The House do now recommend to the Government of Assam to move the Government of India to remove the disadvantages and inconveniences caused to the people of the North Eastern Part of India in the matter of Post and Telegraph service including the service extended by the Telecommunication system at the earliest.

**ডঃ অর্দ্ধেন্দু কুমার দে** ঃ মহোদয়, এই বিভাগের দুর্নীতি আমরা প্রত্যক্ষ করলেও আমরা কিছু করতে পারি না। প্রতিবাদ করতেগেলে বা দুর্নীতিগ্রস্ত কর্মচাৰীকে ধমক দিলে এসোসিশেনের মাধ্যমে প্রতিবাদ করে হরতাল ডাকে। অভিযোগ আনে যে অমুক সদস্য খারাপ ব্যবহার করেছেন ইত্যাদি ইত্যাদি। এই ব্যবস্থা থেকে কি ভাবে পরিত্রাণ পাাওয়া যায় এই ব্যাপারে প্রত্যেক সচেতন নাগৰিকের সহযোগীতা দরকার। সুতারাং এমতাবস্থায় মাননীয় সদস্য কুমার দীপক দাসের প্রস্তাব আমি সমর্থন করে আমার বক্তব্য শেষ করছি।

**শ্ৰীদেবেশ্বৰ বৰা ঃ** মাননীয় চেয়াৰমেন মহোদয়, আজি এই বিষয়টোৰ ওপৰত টেলি সংযোগ আৰু তাৰবাৰ্ত্তাৰ ওপৰত মাননীয় সদস্য কুমাৰ দীপক দাসে যি প্ৰস্তাব আনিছে মই তাক পূৰ্ণ সমৰ্থন জনাইছো। এই বিষয়টোৰ ওপৰত মৰ্য়ো এটা লিখিত প্ৰস্তাব আনিছিলো সেই প্ৰস্তাবটোও টেলিসংযোগ আৰু পোষ্টেলসেবা এই দুয়োটাৰ ওপৰত আছিল। এই প্ৰস্তাবটো ৭ নম্বৰত আছে। এইটোৰ লগত সেইটোও একেলগে লগলগাই দিয়া ভাল আছিল। Mr. Chairman - Hon'ble Minister, Public Grievances will reply on the Resolution at 1-15 P.M. In between the discussion should be concluded. Now, Hon'ble member Shri Debeswar Bora.

The House do now recommend to the Government of Assam to move the Government of India to remove the disadvantages and inconveniences caused to the people of the North Eastern Part of India in the matter of Post and Telegraph service including the service extended by the Telecommunication system at the earliest. - এই বিষয় বিলাকৰ ওপৰতে মাননীয় সদস্য সকলে বক্তৃতা ৰাখিছে। লৰ্ড দেল হাউচীৰ দিনতে টেলিসংযোগ আৰু পোষ্টেল চাৰ্ভিচৰ ব্যবস্থা কৰা হৈছিল। কিন্তু অতি পৰিতাপৰ কথা যে ১৯৮২ চনলৈ এটা শতক পাছতো টেলিসংযোগ আৰু পোষ্টেলৰ যি দুৰবস্থা তাত সকলোৱে হতাশ হৈ পৰিছে। অসমৰ ক্ষেত্ৰত বা পূৰ্বাঞ্চলৰ ক্ষেত্ৰত ভাৰত চৰকাৰে যি মাহী আইৰ চকুৰে চাই আছে সেইটো সকলোৱে বুজিছে। আমি চেন্টিনেল, অসম ট্ৰিবিউন, দৈনিক অসম, দৈনিক জনমভূমি আদি খবৰ কাগজ বিলাকত আমি দেখিবলৈ পাইছো যে পূৰ্বাঞ্চলৰ তাৰবাৰ্ত্তা আৰু ডাক তাৰ সেবা আৰু অধিক উন্নত কৰি তুলিব বুলি বাতৰি পৰিবেশন কৰা হৈছে। গতিকে আজি আমি সদনৰ যোগেদি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা উচিত হব যেন পূৰ্বাঞ্চলত তাৰ বাৰ্ত্তা টেলিফোন আদি সেবাত আৰু বেছি গুৰুত্ব সহকাৰে আগবাঢ়ি আহে। ইতিমধ্যে ভাৰতবৰ্ষৰ বিভিন্ন জিলা বা সদৰত এচ টি ডি লাইনৰ ব্যবস্থা কৰা হব বুলি ঘোষণা কৰিছে। আমাৰ গোটেই অসমত গোটেইবিলাক জিলাক এতিয়াও এচ টি ডি লাইনেৰে সাউৰি লব পৰা নাই। ভাৰত চৰকাৰৰ অসম ৰাজ্যৰ প্ৰতি বিশেষকৈ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ভিতৰত অসমৰ প্ৰতি এটা দায়িত্ব আছে গতিকে তেওঁলোকে যাতে বিশেষ চকু দিয়ে তাৰ কাৰণে আমি জনাব লাগে। ইতিমধ্যে টেলিফোনৰ অবস্থাৰ বিষয়ে মাননীয় সদস্য সকলে নানা কথা উত্থাপন কৰিছে। সেই আলোচনা বিলাক বিবেচনা কৰি তাক এই প্ৰস্তাৰ লগত সংযোজিত কৰি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। এই প্ৰস্তাবটোৰ লগত সংযোগ ৰাখিয়ে মই মোৰ প্ৰস্তাবটো আনিছিলো। ইতিমধ্যে পোষ্ট আৰু টেলিগ্ৰাফ চাৰ্ভিচৰ পূৰ্বাঞ্চলৰ কাৰ্য্যালয়টো গুৱাহাটীত আনিব লাগে বুলি আমাৰ গৃহ মন্ত্ৰীয়ে কেবাখনো চিঠি লিখিছে। কাৰণ এই সেবাৰ বেছিভাগ ৰেভিনিউ অসমতে তেওঁলোকে আৰনিং কৰে। পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত অসমে শতকৰা ৮০ ভাগ ৰেভিনিউ দিয়ে সেই তুলনাত মিজোৰামে শতকৰা ৩ভাগ, নাগালেণ্ডে ২ ভাগ, অৰুণাচলে এভাগ। সেই হিচাবে অসমেই আটাইতকৈ বেছি ৰেভিনিউ দিয়ে। এই বিলাক কথা জনাই ইতিমধ্যে আমাৰ গৃহ মন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰলৈ চিঠি লিখিছে। আমি আশা কৰিছো ভাৰত চৰকাৰে এই বিষয়ে বিশেষ নজৰ দিব।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**শ্ৰীমৌলনা আব্দুল জলিল ৰাগিবী ঃ** মাননীয় চেয়াৰমেন মহোদয়, টেলিফোন টেলিসংযোগ সম্পৰ্কে সদনৰ মাননীয় সদস্য কুমাৰ দীপক দাসে যি প্ৰস্থাৱ উত্থাপন কৰিছে সেই ক্ষেত্ৰত মোৰ কব লগীয়া আছে মোৰ ব্যক্তিগত যন্ত্ৰনাৰ কাহিনী আছে সেইখিনি ৰেকৰ্ড কৰিবৰ কাৰণেই সদনৰ জ্ঞাতাৰ্থে কব বিচাৰিছো টেলিফোন মোক বিধায়ক হোবাৰ পাছতে দিয়া হৈছে কিন্তু টেলিফোন যন্ত্ৰটো ভাঙি আছে। এই বিষয়ে সদনৰ মজিয়াত অৱশ্যে বিস্তৃত আলোচনা হৈছে। মোক টেলিফোন দিয়া হৈছিল বিধায়ক হোবাৰ প্ৰায় এবছৰ পিছতে কিন্তু তেতিয়াৰ পৰা আজিলৈ মই ৰিচিভাৰ দাঙি পোৱা নাই কাৰণ টেলিফোনটো 'ডেড'। মই নিজাববীয়াকৈ যোগাযোগ কৰিছো। ইয়াৰ কাৰ্য্যালয়ৰ যিটো ইনচাৰ্জ তেওঁ হোজাইত থাকে। মই ব্যক্তিগতভাবে যোগাযোগ কৰিছো নিজে তেওঁৰ ঘৰলৈও গৈছো কিন্তু কাৰ্য্যালতো নাপাওঁ ঘৰতো নাপাওঁ। অভিযোগ দি আছো কিন্তু 'ডেড' টেলিফোনটো টেবুলত পৰিয়েই আছে। মই এবাৰ আনকি ৰিচিভাৰটো নিজে লৈ হোজাইলৈ গৈছিলো। কাৰণ সেইটো আগত লৈ চাই থাকি ধৈয্য নাথাকে সেই কাৰণে নিয়ম ভঙ্গ কৰি লৈ গৈছো। তাৰ পিছত দেখিলো বিষয়াজনে অফিচৰ বাৰাণ্ডাতে নিজৰ কৰ্মচাৰীৰ লগত কেৰমবোৰ্ড খেলি আছে। তেওঁৰ নাম শ্ৰীকামাখ্যা দে। অৱশ্যে আমাৰ সদস্য দেৰ ভায়েক নহয় হলেও মই বেয়া নাপাওঁ।

মোৰ লগত কেৰম বোৰ্ড খেলি খেলিয়েই আলোচনা কৰিলে, কৰ্মচাৰীজন কিন্তু ভিতৰলৈ নগ'ল। আৰু মইও অধৈৰ্য্য হৈ ৰিচিভাৰটো তাতেই থৈ গুছি আহিলো। তিনি দিনৰ পিচত মোৰ টেলিফোন ৰিইনষ্টল হ'ল। কিন্তু আকৌ একেই অৱস্থা। যোবা ১৬ এপ্ৰিল তাৰিখে আকৌ ৰিচিভাৰটো উঠাই লৈ গৈ থৈ আহিছো। ডেড টেলিফোন এটা ৰাখি কি কৰিম ? কিন্তু এইবাৰ পুনঃ সংযোগ কৰি দিয়া নাই। মই তিনি চাৰি দিনৰ আগতে আমাৰ মাননীয় অধ্যক্ষ মহোদয়লৈ লিখিছো। তেখেতে নিৰুপায় প্ৰকাশ কৰিছে যে সেই সকল কেন্দ্ৰীয় চৰকাৰৰ চাকৰিয়াল গতিকে তেওঁবিলাকৰ বিৰুদ্ধে আমি কৰিব পৰা একো নাই। তথাপিও পি এণ্ড টিৰ লগত আলোচনা কৰিম বুলি কৈছে। সভাপতি মহোদয়, যিটো প্ৰস্তাৱ দাঙি ধৰিছে সেইটোৰ লগত আৰু এটা কথা যোগ কৰিব বিচাৰিছো আৰু সেইটো গুৰুত্বপূৰ্ণ কথা। কেন্দ্ৰীয় চৰকাৰৰ যিবিলাক বিভাগ আছে আৰু যি সকল কৰ্মচাৰী আছে সেই বিলাক বিভাগ আছে আৰু যি সকল কৰ্মচাৰী আছে সেই বিলাক প্ৰত্যেক ৰাজ্য চৰকাৰৰ প্ৰশাসনিক কতৃত্ব থকা দৰকাৰ। প্ৰশাসনিক ভাবে ব্যৱস্থা লব পৰা ব্যৱস্থা থাকিব লাগে। আৰু আনটো হৈছে যিহেতু প্ৰস্তাবটো গুৰুত্বপূৰ্ণ আৰু সকলো মাননীয় সদস্যই সমৰ্থন কৰিছে এই প্ৰস্তাবটো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰাৰ সময়ত এটা সৰ্বদলীয় সজাতী দল কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যোৱা হব লাগে। যাতে অসমৰ জনসাধাৰণৰ তথা বিধান সভাৰ মাননীয় সদস্য সকলৰ ইমান দিনৰ পৰা ভুগি থকা যন্ত্ৰণাৰ উপশম হোবাৰ ব্যৱস্থা হব পাৰে। ইয়াকে কৈ মোৰ বক্তৃতা সামৰণি মাৰিছো।

**মাননীয় সভাপতি ঃ-** এতিয়া মাননীয় সদস্য শ্ৰীগণেশ কুটুম।

**শ্ৰীগনেশ কুটুম ঃ-** মাননীয় সভাপতি মহোদয়, আজিৰ সদনত এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত মানীয় সদস্য সকলে বক্তৃতা ৰাখিছে। যিহেতু সময় কম মেয়ো

চমুকৈ বক্তব্য ৰাখিম। আমাৰ সকলোৰে ক্ষোভ প্ৰকাশিত হৈছে যে এইটো প্ৰতিষ্ঠান এটা অনিৰ্ভৰযোগ্য আৰু অপদাৰ্থ প্ৰতিষ্ঠান বুলি প্ৰতিভাত হৈছে। এই অপদাৰ্থ বিভাগটোৰ ওপৰত যোৱা বছৰ টেলিভিচনত এটা সৰ্ব ভাৰতীয় ভিত্তিত চাৰ্ভে দেখুৱাইছিল। ব্যবসায়ীৰ পৰা আৰম্ভ কৰি সাধাৰণ বনুৱা পৰ্য্যন্ত সকলোৰে সাক্ষাতকাৰ লোৱা হৈছিল আৰু তাৰ পৰা এইটো স্পষ্ট হৈ পৰিছিল যে এইটো প্ৰতিষ্ঠান এটা অনিৰ্ভৰযোগ্য বিভাগ। কেন্দ্ৰীয় মন্ত্ৰী সভাৰ সদস্যৰ পৰা সাধাৰণ বনুৱা পৰ্য্যন্ত সকলোৰে দ্বাৰা এইটো প্ৰতিখাত হৈছে যে হৈ বিভাগটো এটা অপদাৰ্থ বিভাগ। আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰদীপ হাজৰিকাই কোৱাৰ দৰে এই প্ৰস্তাব লৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা নিদি এইটো এটা ঘৰ শুৱনি কৰা বস্তু হিচাবে ৰখাৰ আৰু তাৰ কাৰণে ৰাজ্যিক চৰকাৰৰ কোষাগাৰৰ পৰা ধন খৰচ কৰি থকাৰ কোনো প্ৰয়োজন নাই। আমি ক্ৰাইম নভেল আদি পঢ়াৰ ক্ষেত্ৰত পাইছো যে আৰু অপৰাধ বিশেষজ্ঞ সকলেও এইটো জানিব যে চোৰ ডকাইটে কোনো ঘৰত চুৰি ডকাইটি কৰিবলৈ যাওঁতে যদি সেই ঘৰত টেলিফোন থাকে তেনেহলে তাৰ তাঁৰ আগতে বিচ্যুত কৰি ৰাখে আৰু তাৰ পিচতহে সেই ঘৰত চুৰি ডকাইটি কৰে। কিন্তু এতিয়া আৰু সেইটো কৰাৰ প্ৰয়োজন নাই, কিয়নো টেলিফোন গৈ এক্সচেঞ্জত ধৰে মানে চোৰ বা ডকাইটে চুৰি ডকাইটি কৰি মানুহক মাৰি সম্পূৰ্ণ আৰাম কৰি নিজৰ ঠাই পাবগৈ। তাৰ মানে এইটো কোনো কামত অহা নাই। ভাৰতবৰ্ষৰ ভিতৰতে আওপুৰণি যন্ত্ৰপাতি বিলাক অসমলৈ সেৱা বৃদ্ধিকৰণৰ নামত আনি সেই বেয়া যন্ত্ৰপাতি বিলাকেৰে চলাই আছে। যাৰ ফলত সদায় বেয়া হৈয়ে থাকে। ইয়াৰ উপৰিও আমি যোৱা কালি এখন টেলিফোনৰ বিল পাইছো ১৯৮৭ চনৰ কাৰণে। তাত চাৰি হাজাৰ তিনিশ চৌত্ৰিশ টকা দেখুৱা হৈছে। মাননীয় সদস্য সকলেও নিশ্চয় এনে ধৰণৰ বিল পাইছে। তেজপুৰৰ শোনিতপুৰৰ ডি, চি তেজপুৰ নং ৫ লৈ এটা কল কৰাৰ কাৰণে ২৮৫ টকা আৰু ডিব্ৰুগড়ৰ কল এটাৰ কাৰণে ৪৩২ টকা লাগে। ইয়াৰ কাৰণ হ'ল বুক কৰাৰ পিচত কলটো পালো নে নাই সেইটো কথা নাই। বিলত উঠাই থবই। অথবা এক মিনিট কথা পাতিলেও লাইনটো লগাই দিয়াৰ পিচত কৰ্মচাৰী সকলে কেৰমবোৰ্ড খেলি থাকেগৈ আৰু পাচ দহ মিনিট পিচত বা যেতিয়াই মনত পৰে আহি ৰঙা লাইট দেখি লাইনটো কাটি দিয়ে যদিও সময়টো আন্দাজতে মিলাই বিলত ধৰি দিয়ে।

(সময়ৰ সংকেত)

এই ধৰণৰ ত্ৰুতিপূৰ্ণ বিলিং পদ্ধতি চলি আছে। আনকি বিধান সভাৰ পৰাও যিহেতু এই বিল আহিছে বিষয়টো তদন্ত কৰিবলৈ ব্যবস্থা লব লাগে। টেলিসংযোগ গঞা ৰাইজৰ কাৰণে এটা গুৰুত্বপূৰ্ণ বিষয় কিন্তু আজি আঢ়ৈ বছৰ ধৰি বিধায়ক হৈ দেখিলো গহপুৰৰ মেলেং আদি অফিচত টেলিগ্ৰাম অফিচ আছে কিন্তু চিগনেলাৰ নাই ফলত চাৰিচকাৰে টেলিগ্ৰাম আহি পায়। তাঁৰৰ মাজেৰে আহিব নোৱাৰে, মটৰ গাড়ীৰে হে আহে। ব্যবস্থা বিলাক এই ধৰনেই চলিছে। আৰু বহু কথা আছে। এদিনাখন গুৰুত্বপূৰ্ণ কথা এটা পাতিবলৈ ডি, চিৰ লগত যোগাযোগ কৰিম বুলি এক্সচেঞ্জলৈ ডায়েল কৰিলো কিন্তু তাৰ পৰা কোমল মিহি মাত ছোৱালী এজনীয়ে কলে যে দেউতা ঘৰত নাই। সৰু ছোৱালীৰ মাত।

একচেঞ্জৰ পৰা কোমল বয়সীয়া ছোৱালীজনীয়ে দেউতা নাই বুলি কলে। তাৰ পাচত বি, ডি, ও গৰাকীক যেতিয়া মই লগ পালো তেতিয়া তেওঁ কলে যে

একচেঞ্জত এইটো এটা নিয়মীয়া ঘটনা হৈ আছে। এওলোকে সৰু ছোৱালীজনীক সেই একচেঞ্জৰ দায়িত্বত বহুৱাই থৈ বজাৰলৈ গুচি যায়। এইটো হৈছে গঞা ৰাইজৰ টেলিফোনৰ অবস্থা সেই কাৰণে মই এই প্ৰস্তাবটোৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছো। কেবল আমাৰ ৰাজ্যখনতেই নহয় গোটেই ৰাষ্ট্ৰতেই এই টেলিকমিউনিকেচনৰ ব্যবস্থাটো এটা বেমাৰত পৰিণত হৈছে। গতিকে এই দুৰাৰোগ্য বেমাৰটো আৰোগ্য লাভ কৰাৰ কাৰণে চিকিৎসাৰ ব্যবস্থা লব লাগে বুলি কৈ মই সামৰণি মাৰিলো।

**শ্ৰীজোনেন্দ্ৰ বসুমতাৰী ঃ-** সভাপতি মহোদয়, বৰ দুখেৰে মই এই টেলিফোনৰ বিষয়ে দুষাৰ কব বিচাৰিছো। মই আজিহে অবৰ সচিবৰ পৰা টেলিফোন ইনষ্টল কৰাৰ সম্পৰ্কত এখন ৰিমাইন্দাৰ পাইছো। মোৰ ঘৰত আঠে. বছৰ হ'ল এতিয়াও টেলিফোন ইনষ্টল কৰা নাই। বিধান সভা সচিবালয়ৰ পৰা ৩০ হাজাৰ ৫ শ ৯৫ টকা ৩১-১২-৮৬ চনত জমা দিয়া হৈছে যদিও আজি পৰ্য্যন্ত মোৰ ঘৰত টেলিফোন ইনষ্টল কৰা হোৱা নাই, এইটো বৰ আচৰিত কথা। এতিয়া আমাৰ অসমৰ প্ৰতি এই টেলিকমিউনিকেশ্যন বিভাগে কেনে ধৰণে অন্যায় কৰি আছে সেই সম্পৰ্কত মই কেইটামান কথা কব বিচাৰিছো। যিহেতু সময় অতি কম মই চমুকৈয়ে দুআষাৰ মান কম। যোৱা বছৰ মই যেতিয়া দিল্লীলৈ গৈছিলো তেতিয়া এই টেলিফোনৰ কাগজ-পত্ৰ লৈ গৈছিলো আৰু তাত কেন্দ্ৰীয় এই বিভাগৰ মন্ত্ৰী সন্তোষ মোহন দেবক লগ ধৰিছিলো আৰু বঙাইগাৱৰ এচ, ডি, অ'ৰ বিৰুদ্ধে কমপ্লেইন দি আহিছো। এই সম্পৰ্কীয় অভিযোগৰ কাগজপত্ৰ বিলাক চেক্ৰেটাৰীক জমা দিছো। আজি এম, এল, এ ৰ ঘৰত প্ৰয়োজন সাপেক্ষেহে সদনৰ পৰা টেলিফোন সংযোগ কৰাৰ কাৰণে বাজেটত পাছ কৰি দিয়া হৈছে আৰু টকাও জমা দিয়া হৈছে। তেনে ক্ষেত্ৰত টেলিকমিউনিকেশ্যন বিভাগৰ ফালৰ পৰা এই ক্ষেত্ৰত কেনে ধৰণে অমনোযোগীতা দেখুৱাই আছে এইটো ভাবিবলগীয়া বিষয়। বঙ্গাই গাৱৰ এচ, ডি, ও'ৰ ঘৰলৈ গৈছিলো আৰু কৈছিলো আপুনি ইমান দিন হ'ল এতিয়ালৈকে মোৰ ঘৰত টেলিফোন সংযোগ কৰা নাই অথচ ড্ৰাফট্‌ৰ যোগে ৩০ হাজাৰ ৫৫৫ টকা জমা দিয়া হৈছে। এই বিষয়ে মই দিল্লীত আপোনাৰ বিষয়ে কমপ্লেইন দি আহিছো। তেখেতে কলে যে আমাৰ পোষ্ট নাই গতিকে আপুনি কাঠৰ পোষ্টেৰেই ব্যবস্থা কৰি দিয়ক। তেতিয়া মই কলো যে মই কাঠ ক'ত পাম, মোৰ তাত বাঁহ আছে, যিমান লাগে লৈ যাওক। বাৰে বাৰে কৈ থকাৰ পাচত মই যেতিয়া ইয়ালৈ আহিলো মোৰ অনুপস্থিতিত পোষ্ট দিয়া হ'ল যদিও তাৰ ৰিচিভাৰটো বেঙ্ক আৰু বঙাইগাওঁৰ পোষ্ট অফিচতহে দিয়া হ'ল। মোৰ তালৈ টেলিফোনৰ সংযোগ নাহিল। মই এটা নম্বৰ দি আহিছিলো, যদি কানেকচন দিয়ে তেতিয়াহলে মোলৈ মিচেচক ফোন কৰিবলৈ কৈছিলো। কিন্তু মই ফোন পোৱা নাই, তাৰ মানে এতিয়ালৈকে মোৰ ফোন ইনষ্টল কৰা হোৱা নাই। ইয়াৰ উপৰিও এম, এল, এ হোষ্টেলত ৰাতিপুৱা ৭ মান বজাত ফোন কৰোঁতে দুবাৰ তিনিবাৰ ৰিং কৰিও কোনো ৰেচপন নাপালো। পিচত যেতিয়া ৮টা মান বজাত আকৌ কৰিলো তেতিয়া ধৰিলে, মই কলো, মই কেইবাবাৰো আপোনাক ৰিং কৰি পোৱা নাই কিয় ? তেতিয়া কলে যে আপুনি এতিয়াহে কৰিছে, মই পুনৰ কলো যে মই আগতে দুবাৰ তিনিবাৰ কৰিছো কিন্তু আপোনাৰ কোনো ৰেচপন নাই। তেতিয়া তেওঁ জনালে তেতিয়াহলে মই বাথৰুমত আছিলো নেকি ? গতিকে এই টেলিকমিউনিকেচনৰ ব্যবস্থাটো যাতে উন্নত হয় তাৰ কাৰণে কেন্দ্ৰৰ লগত

যোগাযোগ কৰি এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লবলৈ জনাই প্ৰস্তাৱটোৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীপ্ৰদীপ হাজৰিকা ঃ-** চাৰ পইণ্ট অব অৰ্ডাৰ। ৩০ হাজাৰ টকাতো যে জমা দিয়া হৈছে। জমা দিয়াৰ পাচতো যে টেলিফোন লাইন সংযোগ হোৱা নাই তাৰ কাৰণে প্ৰতিবাদ জনাইছো। এইটো সদনৰ দাবী, ইয়াৰ এটা সুব্যৱস্থা হব লাগে।

**শ্ৰীকামাখ্যা চৰণ চৌধুৰী (ৰাঃ মঃ) ঃ-** माননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক কুমাৰ দীপক দাস ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটো সময়োপযোগী হৈছে আৰু ইয়াৰ প্ৰতিকাৰ বিচাৰি পৰামৰ্শ আগ বঢ়াইছে তাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মাননীয় সদস্য হেমেন দাস ডাঙৰীয়া, প্ৰদীপ হাজৰিকা ডাঙৰীয়া, কুল বাহাদুৰ ছেত্ৰী, দেব কুমাৰ বৰা, দেবেশ্বৰ বৰা, অৰ্দ্ধেন্দু কুমাৰ দে, গনেশ কুটুম আৰু জোনেন্দ্ৰ বসুমতাৰীকে ধৰি ভালে কেইজন সদস্যই এই ক্ষেত্ৰত ক্ষোভ প্ৰকাশ কৰিছে। তেখেত সকলৰ টেলিকমিুনিকেচনৰ অসুবিধাৰ ক্ষেত্ৰত যি বক্তব্য আছে সেইটো বিশেষ ভাবে চিন্তা কৰিব লগীয়া। এই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভাগীয় মন্ত্ৰী বসন্ত চাথেলৈ আমাৰ ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা চিঠিও দিয়া হৈছে আৰু সেইদৰে উত্তৰও পোৱা হৈছে। এই সম্পৰ্কত টেলিকমিউনিকেচন নিয়ন্ত্ৰণ কৰিবৰ কাৰণে আৰু উন্নতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে উত্তৰপূৰ্বাঞ্চলত আধুনিক টেলিসংযোগ ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব বুলি ধাৰণা কৰা হৈছে। এই টেলিকমিউনিকেচন সম্পৰ্কত উন্নতি সাধন কৰিবৰ কাৰণে অসমত দুটা অনুস্থান আছে। কেন্দ্ৰীয় চৰকাৰে ১০-২-৮৮ তাৰিখে অসমৰ টেলিসংযোগ ব্যৱস্থাৰ উন্নয়ণৰ কাৰণে জাৰি কৰা চিঠিৰ মৰ্মে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ উপসচিবক অসমৰ বাবে টেলিসংযোগ উপদেষ্টা সমিটিৰ সভ্য মনোনীত কৰে। উত্তৰ পূৰ্বাঞ্চল জোনৰ কাৰণে এখন এডভাইজৰী টাইপৰ কমিটি গঠন কৰা হয়। তাত তিনি গৰাকী সদস্য মনোনীত কৰা হয়। তেওঁলোক হ'ল মাননীয় সদস্য দীনবন্ধু চৌধুৰী, ডাক্তৰ কমলা কলিতা আৰু গৌতম ৰয়। এই কমিটিয়ে টেলিকমিউনিকেচনৰ সম্পৰ্কত যিটো এডমিনিষ্ট্ৰেচন সেইটো কাৰ্য্যত পৰিণত কৰিবৰ কাৰণে ব্যৱস্থা হাতত লব। এই টেলিফোন সম্পৰ্কত এটা বিশেষ কথা চিন্তা কৰিবলগীয়া। গোটেই অসমত আৰু উত্তৰ পূৰ্বাঞ্চলত টেলিফোনৰ ক্ষেত্ৰত গোটেই বিষয়টো চিন্তাৰ বিষয় হৈ পৰিছে। ২১ আগষ্ট, ১৯৮৭ তাৰিখৰ মিটিংত এচ, কে, পাণ্ডে ডাঙৰীয়াই কৈছিল - Shri Pande explained, that due to various reasons life difficulties in geographic terrain, lack of sufficient road cum rail links, natural calamities due to floods, the telecom facilities in the State could not match the pace gained at national level and it is not very much up to the local expectations of the reason. But he stressed that inspite of the above impediments many developments have taken place such as electronic exchanges at dibrugarh, Tinsukia and Jorhat, automatisation of Bongaingaon and Haflong Exchanges and extension of national and international subscriber dialing to various places in the State. এই সম্পৰ্কত মই কব বিচাৰিছো হাফলং, শিলচৰ, ধুবুৰী, তিনিচুকীয়া আৰু ডিব্ৰুগড় আদি ঠাইত কিছু উন্নয়ণন কাম কৰা হৈছে। কিন্তু গুৱাহাটীত যেনেধৰণে কৰিব লাগিছিল সেই ধৰণে কৰিব পৰা নাই। কিয়নো গ্ৰেটাৰ গুৱাহাটীত

টেলিকমিউনিকেচনৰ যিটো ব্যৱস্থা আছে সেইটো একেবাৰে আওপুৰণি আৰু গুৱাহাটীৰ ৰাষ্টাৰ উন্নয়নৰ কাৰণে ইয়াৰ তলেদি যি আমাৰ গ্ৰাউণ্ড কেবেল আছে সেইবিলাক ৰাষ্টা-পদূলী মেৰামতি কৰাৰ কাৰণে, কোনো ঠাইত নলা আইন ফালে নিবলগীয়া হোবাৰ কাৰণে তলৰ কেবোল বিলাক সঘনাই অদল-বদল কৰি আন ফালে নিয়া হয় আৰু তাৰ কাৰণে যিটো টকা দিব লগীয়া হয় তেনেধৰণে দিয়া হোবা নাই । তাৰোপৰি দিশপুৰৰ যিটো এইচ চেভেন আৰু এইচ থ্ৰি নম্বৰটো একেবাৰে অভাৰলোডেড হৈ গৈছে । যিখিনি বিয়াৰ কৰিব লাগে সেইখিনি নোবাৰা হৈ গৈছে । সেই কাৰণে টেলিকমিউনিকেচনৰ ব্যৱস্থাটো অসন্তোষজনক হোবাৰ কাৰণে মাননীয় সদস্য সকলে আৰু ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে । এই সম্পৰ্কত আমাৰ চনকাৰৰ ফালৰ পৰা কেনেধৰণে ব্যৱস্থা লব বিচৰা হৈছে বা লৈছে সেই বিষয়ে মই বক্তব্য ডাঙি ধৰিব বিচাৰিছো ।

যিহেতু অসমৰ টেলিসংযোগ সেবাৰ দুখজনক অৱস্থাই সৰ্বসাধাৰণ ৰাইজক অতিষ্ঠ কৰি তুলিছে আৰু যিহেতু এই আওপুৰণি আৰু আসোবাহযুক্ত ব্যৱস্থাৰ ওপৰত ৰাইজৰ বহুদিনীয়া অভিযোগ আছে, সেয়েহে অসম বিধান সভাৰ এই অধিবেষনত প্ৰস্তাৱ গ্ৰহণৰ কাৰণে কেন্দ্ৰীয় চনকাৰে উচ্চপৰ্য্যায়ৰ নিৰপেক্ষ তদন্তৰ যোগেদি এই বিভাগটো আধুনিকীকৰণ কৰি ৰাইজৰ সেবাত ব্ৰতী কৰাৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়ক ।

প্ৰস্তাৱৰ ওপৰত এটি টোকা ঃ-

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কুমাৰ দীপক দাস ডাঙৰীয়াই উৎথাপন কৰা প্ৰস্তাৱিত আলোচনা প্ৰসঙ্গতে জনাওঁ যে, অসমৰ টেলিসংযোগ ব্যৱস্থাৰ উন্নয়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ১০-২-৮৮ তাৰিখে জাৰি কৰা চিঠিৰ মৰ্মে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ উপসচিবক অসমৰ বাবে টেলিসংযোগ উপদেষ্টা সমিতিত সভ্য মনোনীত কৰিছিল । এই সন্দৰ্ভত কব পাৰি যে টেলিসংযোগ উপদেষ্টা সমিতিৰ ২১-৮-৮৭ আৰু ৯-১২-৮৭ তাৰিখৰ দুখন বৈঠকত বৰ্ত্তমান অসমৰ টেলিসংযোগ ব্যৱস্থাৰ কথা আলোচনা কৰা হয় । ২১-৮-৮৭ তাৰিখৰ বৈঠকত যিবোৰ পৰামৰ্শ আগবঢ়োৱা হয় এই বিলাক কাৰ্য্যকৰী কৰাৰ বাবে সদস্য সকলে কয় যে -

১। গাওঁ আৰু ভিতৰুৱা অঞ্চল সমূহত টেলিসংযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে প্ৰচেষ্টা কৰিব লাগে ।

২। গুৱাহাটী আৰু অন্যান্য ঠাইৰ Exchange বোৰত Automannual ব্যৱস্থাৰ সুস্থ আৰু আধুনিকীকৰণ কৰা ।

৩। কাজিৰঙাৰ টেলিসংযোগ ব্যৱস্থাৰ উন্নতি সাধন কৰা ।

৪। পৰ্যটন অঞ্চলত Trunk Call আৰু টেলিগ্ৰাফৰ ব্যৱস্থাৰ উন্নতি সাধন কৰা ।

টেলিসংযোগ উপদেষ্টা সমিতিৰ পৰৱৰ্ত্তী বৈঠক বহে ৯-১২-৮৭ তাৰিখত । এই সমিতিতে সিদ্ধান্ত লয় যে বৰ্ত্তমান অসমৰ টেলিসংযোগৰ বৰ্ত্তমান অৱস্থাৰ খৰতকীয়া উন্নতি কৰিবলৈ কিমান পুঁজিৰ দৰ্কাৰ হ'ব তাৰ এটা অনুমানিক হিচাব উলিয়াবলৈ এখন সমিতি গঠন কৰা হৈছে ।

এই সমিতিৰ সদস্য সকল হ'ল - ১। শ্ৰীদীনবন্ধু চৌধুৰী, বিধায়ক । ২। শ্ৰীগোপাল বৰুৱা, গুৱাহাটী বানিজ্য আৰু শিল্প প্ৰতিষ্ঠান । ৩। মহীতোষ ৰয়, চিলচাৰ, অনুল্লেকিত । ৪। শ্ৰীজগদীশ কলিতা, গুৱাহাটী সমাজকৰ্মী । ৫। এ, কে, সিংহা, আহ্বায়ক ।

এই সমিতিখনে এখনি প্ৰাককলন তৈয়াৰ কৰি উত্তৰপূব পৰিষদৰ সভাপতিৰ ওচৰত দাখিল কৰিব ।

টেলিসংযোগ উপদেষ্টা সমিতিৰ পৰৱৰ্ত্তী বৈঠক ডিব্ৰুগড়ত অহা জুন মাহত বহাৰ সিদ্ধান্ত কৰা হয় ।

অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে ৩-৮-৮৭ তাৰিখে এখন অধিসূচনা যোগে অসমৰ টেলিসংযোগ ব্যৱস্থা উন্নত কৰাৰ কাৰণে ডাক-তাঁৰ বিভাগৰ সদস্যক লৈ এখন সমন্বয় সমিতি গঢ়ি দিছে । বৃহত্তৰ গুৱাহাটীৰ টেলিসংযোগ উন্নতি সাধনৰ কাৰণে তলত দিয়া আসোৱাহবোৰ দূৰিকৰণৰ পৰামৰ্শ আগবঢ়োৱা হৈছে ।

বৰ্ত্তমান অসমত যদি ইলেকট্ৰনিকচ্‌ও কৰিবলৈ যাওঁ তেতিয়াহলে আমাৰ মেটেৰিয়েলচৰ অভাব দেখা যায় । বৰ্ত্তমান অসমৰ টেলিসংযোগৰ বৰ্ত্তমান অৱস্থাৰ খৰটকীয়া উন্নতি কৰিবলৈ কিমান পুজিঁৰ দৰকাৰ হব তাৰ এটা অনুমানিক হিচাব উলিয়াবলৈ এখন সমিতি গঠন কৰি দিয়া হয় । এই সমিতিৰ সদস্য সকল হ'ল ঃ-

১। শ্ৰীদীনবন্ধু চৌধুৰী, বিধায়ক ।
২। শ্ৰীগোপাল বৰুৱা, গুৱাহাটী বানিজ্য আৰু শিল্প প্ৰতিষ্ঠান ।
৩। মহীতোষ ৰয়, চিলচৰ, অনুল্লেখিত ।
৪। শ্ৰীজগদীশ কলিতা, গুৱাহাটী সমাজকৰ্মী ।
৫। এ, কে, সিংহা, আহ্বায়ক, এৰিয়া মেনেজাৰ ডিব্ৰুগড় ।

এই সন্দৰ্ভত জনাব খোজো যে বৃহত্তৰ গুৱাহাটীৰ টেলিসংযোগ পদ্ধতি আওপুৰণি ডিব্ৰুগড়, যোৰহাট শিলচৰ চহৰৰ দৰে নহয় । আৰু বৰ্ত্তমানৰ পদ্ধতিটো ডাক-তাৰঁ বিভাগে পৰিবৰ্ত্তন নকৰাকৈ বৃহত্তৰ গুৱাহাটীত টেলিসংযোগ ব্যৱস্থাৰ উন্নতি সাধন কৰা টান । তাৰোপৰি টেলিফোনৰ সংখ্যা বাঢ়ি গৈছে । যিয়ে নহওক ইতিমধ্যে কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰীৰ লগত যোগাযোগ কৰি উন্নতি সাধনৰ ব্যৱস্থা কৰা হৈছে । ইতিমধ্যে কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰীক অসমৰ বৰ্ত্তমান টেলিসংযোগ সেবাৰ দুজনক অৱস্থাৰ কথা অৰ্দ্ধচৰকাৰী চিঠিৰ যোগে অবগত কৰা হৈছে । আৰু অঞ্চলটোৰ সামগ্ৰিক অৰ্থনৈতিক উন্নয়নৰ গতি তৰান্বিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত আধুনিক টেলিসংযোগ ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব বুলি ধাৰণা কৰা হৈছে ।

আমি আশা কৰো যে এই গুৰুত্বপুৰ্ণ অঞ্চলটোৰ স্থানীয় দক্ষ লোকসকলন উন্নয়ন সাধন কৰি আৰু অঞ্চলটোৰ দ্ৰুত টেলিসংযোগ ব্যৱস্থাৰ নিশ্চিতকৰণৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে উপযুক্ত সময়সীমা ঘোষণা কৰাৰ বাবে ৰাজ্য চৰকাৰে অনুৰোধ কৰিব লাগে আৰু আধুনিকীকৰাৰ বাবে প্ৰস্তাৱ লোৱা ভাল হয় বুলি বিবেচনা কৰে । লগতে আজি যিটো প্ৰস্তাব ইয়াত ডাঙি ধৰা হৈছে এইটো

গ্ৰহণযোগ্য প্ৰস্তাৱ। এই প্ৰস্তাৱটো লৈ আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত গ্ৰেটাৰ গুৱাহাটীকে ধৰি অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ টেলিকমিউনিকেচনৰ সুন্দৰ সংযোগৰ কাৰণে দাবী জনাব পাৰিম আৰু সেই ধৰণেই চিন্তা কৰি থকা হৈছে। লগতে এইখিনিও দৰকাৰী বুলি বিবেচনা কৰি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীৰ লগত যোগাযোগ কৰিছো। মই আগতেই কৈছিলো যে গুৱাহাটীৰ টেলিসংযোগৰ ব্যৱস্থাটো আওপুৰণি, তাৰোপৰি ৰাষ্টা-ঘাট মেৰামতি কৰাৰ কাৰণে তলেদি যোৱা কেবেলৰ ৰিপেয়াৰিং ইত্যাদি আৰু তাৰোপৰি ধুমুহা, চাইক্লোন আদি হোৱাৰ ফলত টেলিফোন সংযোগ তাঁৰ বিলাক চিঙি যায় ইত্যাদি সমস্ত কথা বিলাক সমন্বিতে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হ'ব আৰু আৱশ্যক হলে সদনৰ ফালৰ পৰা এটা ডেপুটেচন দিল্লীলৈ যাব পাৰিলেও ভাল হয়। লগতে আৰু এটা কথা ৩০ হাজাৰতকৈও বেছি টকা জমা দিয়াৰ পাচতো টেলিসংযোগৰ ব্যৱস্থা হোৱা নাই এইটো আমাৰ অবগত নহয়। তথাপি পাবলিক গ্ৰিভেনচেচ ডিপাৰ্টমেণ্টক জনালে এইটো অনুসন্ধান কৰিব লাগিব। মাননীয় সদস্য অৰ্দ্ধেন্দু কুমাৰ দে আৰু জোনেন্দ্ৰ বসুমতাৰীয়ে কোৱা কথাষাৰ মোৰ অবগত নহয়। এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা লোৱা হ'ব। তাৰোপৰি যিবিলাক বিল ইত্যাদি দাখিল কৰাৰ ক্ষেত্ৰত খেলিমেলি হোৱা কথা বিলাক ৰাজহুৱা অভিযোগ বিভাগত জনালে ব্যৱস্থা লোৱা হ'ব। সেয়েহে যিটো প্ৰস্তাৱ মাননীয় সদস্য কুমাৰ দীপক দাস ডাঙৰীয়াই আনিছে সেইটো গ্ৰহণযোগ্য বুলি বিবেচনা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**শ্ৰীদেবেশ্বৰ বৰা** : ইয়াৰ লগতে পোষ্ট এণ্ড টেলিগ্ৰাফ বিভাগটোৰ কথাও সংযোগ কৰিব লাগে।

**শ্ৰীকামাখ্যা চৰণ চৌধুৰী (ৰাঃ মঃ)** : টেলিকমিউনিকেচন মেটাৰটোৰ লগত মাননীয় সদস্য এজনে কোৱাৰ দৰে সংযোগ কৰাৰ ব্যৱস্থা কৰা হ'ব।

**কুমাৰ দীপক দাস** : মই ধন্যবাদ জনাইছো। কিমান দিনৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ লগত কেনেধৰণে ব্যৱস্থা লব সেইটো জনাব লাগে।
শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : প্ৰস্তাৱটো এদপট কৰিছে নে নাই সেইটো জনাব লাগে।

**চেয়াৰমেন** : এতিয়া সদন অহাকালি ৰাতিপুৱা ৯ বজালৈ স্থগিত ৰখা হয়।

## ADJOURNMENT

The House then rose at 1.30 p.m. till 9 a.m. on Thursday, the 12th May, 1988.

Dr. P. N. HAZARIKA,
Secretary,
Assam Legislative Assembly.

Dispur,
the 11th May, 1988.

অনুবন্ধ - 'ক'

| Year | Type of vehicles | No | Alloted to | Regd. No. | Expenditure | Scheme | Remarks |
|---|---|---|---|---|---|---|---|
| 1982-83 | | 1 No | SDAO Goalpara | AMK 8047 | | | |
| 1983-84 | | 1 No | SDAO, Goalpara | AMZ 8272 | | | |
| | Jeep | 1No | SDAE, Guwahati | AMZ 1938 | | | |
| | Jeep | 1 No | SDAE, Dhemaji | AMZ 2079 | | | |
| | Jeep | 1 No | E. E., (Agri.) Tezpur | AMZ 803 | | | |
| | Amb. | 1 No | APC | AMZ 792 | | | |
| | Amb. | 1 No | D/A | AMZ 796 | | | |
| 1985-86 | Jeep Truck (Mahindra) | 27 Nos | 1. SDAO, Jorhat | AME 4379 | | | |
| | | | 2. DAO, Sonitpur | AMD 2860 | | | |
| | | | 3. DAO, Sibsagar | AMS 2345 | | | |
| | | | 4. SDAO, Guwahati | AML 638 | | SRPP. | |
| | | | 5. SDAO, Hojai | ASN 7306 | | | |
| | | | 6. SDAO, Golaghat | AME 6048 | | | |
| | | | 7. SDAO, Golaghat | AME 5939 | | | |
| | | | 8. DAO, Karimganj | Not Available | | | |
| | | | 9. DAO, Goalpara | AMG 29 | | | |
| | | | 10. DAO, Goalpara | AMG 30 | | | |

| Year | Type of vehicles | No | Alloted to | Regd. No. | Expenditure | Scheme | Remarks |
|---|---|---|---|---|---|---|---|
| 1985-86 | Ambesader | 6 Nos | JDA (FP) | AMY 7388 | | Community training | |
| | | | Jt. Secy. | AMU 7370 | | A.F.C. | |
| | Ven | 1 No | JDA (FP) | Not available | | Community training | |
| | Ven | 1 No | DDA (M) | Not available | | Marketing Scheme | |
| | Jeep | 1 No | DDA (Hort) | Not available | | Citrus and Pineple | |
| | Jeep | 4 Nos | Soil Survey and Soil Testting | AMU 7353<br>AMU 7354<br>AMU 7350<br>Not available | | Soil testing and Soil Survey | |
| | Jeep | 1 No | CCDO | AMU 6230 | | Jute | |
| | Standard Disel Ven | 1 No | F. T. O. | Not available | | Community training | |
| | Jeep | 2 Nos | SMS (Soil) H.Q. | AMU 7267 | | Soil Testing and Soil | |
| | | | Asstt. Soil Chemist, Tezpur | AMU 8304 | | Fertilizer index | |
| | Jeep | 1 No | SDAO Pathsala | AMU 6150 | | | |
| | | 1 No | SDAO Pathsala | AMU. | | | |
| 1986-87 | Jeep | 1 No | DDA, T & P | AMY 5589 | | Information | |
| | Jeep | 2 Nos | DAO, Nalbari | Not available | | Subordinate Staff. | |
| | | | SMS, Nalbari | Not available | | | |
| | | 1 No | Soil Survay Officer, Guwahati | AMU 7854 | | | |
| | | 1 No | Soil Survay Officer, Guwahati | AMU 7353 | | | |
| | | 1 No | Soil Survay Officer, Guwahati | AMU 7350 | | | |
| | | 1 No | Engineering for Dry Land Officer | AXA 947 | | Dry land Farming | |

| Year | Type of vehicles | No | Alloted to | Regd. No. | Expenditure | Scheme | Remarks |
|---|---|---|---|---|---|---|---|
| 1986-87 | Mahindra Jeep Truck | 6nos. | 1) D.A.O. Nowgaon | not available | | | |
| | | | 2)D.A.O.Dibrugarh | AMB 6790 | | | |
| | | | 3)S.D.A.O. South Salmara | ASG 5013 | | SRPP | |
| | | | 4) S.D.A.O. Bijni | AML 1397 | | | |
| | | | 5) D.A.O. Nalbari | not available | | | |
| | | | 6)H.Q. | AXA 540 | | | |
| | Amb. | 1no. | JDA (Staf) | AMY 6357 | | Sample Survey & evalution Jute | |
| | Jeep | 4 nos. | SMS Jute Nowgaon | AMY 5631 | | | |
| | | | SMS Jute Barpeta | AMY 8530 | | | |
| | | | SMS Juted Dhubri | AMY 7204 | | | |
| | | | CCDO Gauhati | AMY 7102 | | | |
| | Amb. | 1 no. | JDA Jute | Not available | | Soil Survey | Not yet Recieptfrom omnifacture |
| 1987-88 | Jeep. | 2nos. | Asstt. Soil Chemist (Staf) North Lakhimpur. | Not available | | | |
| | | | Asstt. Soil Chemist (Staff) Kakrajhar | Not available | | | |

# World Bank (I)

| Year | Type of vehicle | No | Allotted to | Regr.No | Expen. |
|---|---|---|---|---|---|
| 1982-83 | Petrol & Diesel Jeep Mahindra & Mahindra | 1. | D.A.O. Dibrugarh | | |
| | | 2. | D.A.O. Jorhat | AMK 6709 | |
| | | 3. | D.A.O. Nagaon | AMK 6707 | |
| | | 4. | D.A.O. Tezpur | AMK 6716 | |
| | | 5. | D.A.O. Dhubri | AMK 6708 | |
| | | 6. | D.A.O. Borpeta | AMK 6715 | |
| | | 7. | D.A.O. Silchar | AMK 6714 | |
| | | 8. | D.A.O. N / Lakhimpur | AMK 6710 | |
| | | 9. | D.A.O. Guwahati | AMK 6717 | |
| | | 10. | S.D.A.O. Udalguri | AMK 6722 | |
| | | 11. | S.D.A.O. Tinsukia | AMK 6713 | |
| | | 12. | S.D.A.O. Rangia | AMK 7576 | |
| | | 13. | i/c D.A.O. (FTS) gerua | AMK 7628 | |
| | | 14. | | AMK 7627 | |
| | | 15. | Under repairing at H.Q. | | |
| | | 16. | Addl. ASDO Golaghat | AMK 8970 | |
| | | 17. | D.A.O. (FTS) Patbaushi | AMK 8059 | |
| | | *18. | A.O. (H.Q.) | AMK 9053 | |
| | | 19. | D.A.O. Sibsagar | AMK 9856 | |
| | | 20. | D.A.O. Mangaldoi | AMK 9812 | |
| | | 21. | S.D.A.O. Majuli | AMK 7610 | |
| 1983-84 | No Vehicle Purchased | | | AMK 9030 | |
| 1984-85 | Petrol & Diesel Jeep & Amb. Car. | 1. | D.A.O.Sibsagar | AMK 8297 | |
| | | 2. | D.A.O.Mangaldoi | AMK 8298 | |
| | | 3. | D.A.O.Karimganj | AMK 8301 | |
| | | 4. | S.D.A.O Gussaigaon | AMK 8290 | |
| | | 5. | S.D.A.O. N/Salmara | AMK 8350 | |
| | | 6. | D.A.O. Kokrajhar | AMK 8342 | |
| | | 7. | H.q. Jt. DA (stat) | AMK 9539 | |
| | | 8. | D.A.OMangaldoi (Dt SMS) | AMK 9541 | |
| | | 9. | D.A.O. N/Lakhimpur | AMK 9522 | |
| | | 10. | Asstt.Hrt. Mangaldoi | AMU 110 | |
| | | 11. | S.D.A.O. Charaidew | AMU 102 | |
| | Petrol & Disel Mahindra Jeep. | 12. | JDA Kokrajhar (SMStean) | AMU 123 | |
| | | 13. | SDAO Mankachar | AMU 1298 | |
| | | 14. | SDAO Udalguri | AMU 907 | |
| | | 15. | JDA Jorhat | AMU 1480 | |
| | Audio visual Van. | 16. | JDA Kokrajhar | AMU 2083 | |
| | | 17. | AIO Guwahati | AMU 1436 | |
| | | 18. | JDA Nagaon | AMU 2142 | |
| | | 19. | JDA Silchar | AMU 2127 | |
| | | 20. | JDA Tezpur | AMU 2136 | |
| | PetrolJeep | 21. | SDAO Sonary,Charaidew | AMU 3033 | (Amb.car) |
| | Amb. Car. | 22. | At. sectt. Secy Agril | AMU 1376 | |
| | Disel Jeep | 23. | AAe (HQ) Cold Storage | AMU 6113 | |
| 1985-86 | Mahindra Petrol Jeep Type MM-440 | 1. | SDAO Tamulpur | AMU 8275 | |
| | | 2. | SDA (PTS) Balijara | AMU 8170 | |
| | | 3. | SDAO Sonai | AMU 7295 | |
| | | 4. | JDA Nagaon (SMS) | AMU 9276 | |
| | | 5. | SDAO Kaliabar | AMU 7386 | |
| | | 6. | SDAO Sarupathar | AMU 8194 | |
| | | 7. | JDA Silchar | AMY 180 | |
| | | 8. | SDAO Bilasipara | AMY 8309 | |
| | | 9. | JDA (NZ) Tezpur | AMY 114 | |
| | | 10. | JDA Jorhat (SMS) | AMY 4724 | |
| | | 11. | JDA Kokrajhar (SMS) | AMY 7245 | |
| | | 12. | Chairman, A.F.C. | AMY 1557 | |

## World Bank (I)

| Year | Type of vehicle | No | Allotted to | Regr.No | Expen. |
|---|---|---|---|---|---|
| 1986-87 | Ambassador Car | 1. | Sr. SMS (i) HQ | AMY 6408 | |
| | | 2. | ADA (Estr) HQ | AMY 7055 | |
| | | 3. | JDA Tezpur | AMY 7102 | |
| | | 4. | JDA Nagaon | AMY 7205 | |
| | | 5. | DDA (M&E) HQ | AMY 6420 | |
| | | 6. | SDAO Roha | AMY 7896 | |
| | | 7. | SDAO JAYPUR | AMY 8532 | |
| | | 8. | SDAO Patharighat | AXA 1018 | |
| | | 9. | SDAO Narayanpur | AXA 990 | |
| | | 10. | SDAO Gohpur | AXA 4628 | |

1997-88 Orderd for One Ambassador Car for JDA (Trg, HQ) and five Petrol Jeep for new subdivision VIZ. SDA Boko, Dhubri, Titabar, Amguri and either R.K. Nagar or Tihu. But not yet received :

N.B. Moreover, Further order for two number of Mini Truck have been placed for Spl. Sub. Project but payment has not yet been work :

Normally @ Rs. 10,000/- for each vehicle for One year required tobe provided for Repairing in case of bright vehicle .

It required additional amount are provided for unforseen expend. viz. accidental case.

# ANNXURE-I

| Reg.No. of Vehicle. | Date of receipt of Vehicle. | From whom received. | Expenditure on Maintenance during. 82-83 | 83-84 | 84-95 | 85-86 | 86-87 | 87-88 | Total expenditure on maintenance from date of receipt of vehicle up to April, 1988. | Remarks, if any. |
|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 |
| 1. ASU 269 (Mobile Van) | 8.1.73 | From DA Assam on 8.1.73 | 18,057.60 | 1994.00 | 3,565.79 | 1575.00 | 3900.00 | 12045.50 | 66919.95 | Alloted Asstt. Soil chemist (Mobile SoilTesting feeling Tezpur. |
| 2. AMK 4161 | Oct.82 | ADA (Extra) | 4590/- | 16,430.39 | 33,831.42 | 30,330.74 | 32,280.62 | 28,546.23 | 1,46,009.40 | DDA (FTS)Chiriduar. |
| 3. ASG 2389 | 1975 | DAO Dhubri | 500/- | 1500/- | 2800/- | 5300/- | 4800/ | 200/- | 16,900.00 | Alloted to SDAO Goalpara. |
| 4. AMA 13 | 1977 | DA Assam | 300/- | 1200/- | 2300/- | 4000/- | 4500/- | 30,000/- | 42,3000/- | -Do- |
| 5. AMA 1052 | 1977 | -Do- | 450/- | 2500/- | 3200/- | 9500/- | 6000/- | 7500/- | 29150.00 | -DO- |
| 6. AMK 8047 | 1983 | -Do- | -- | 2600/- | 4000/- | 9600/- | 8000/- | 10500/- | 34700.00 | -Do- |
| 7. AMZ 8272 | 1884 | -Do- | -- | -- | 600/- | 1000/- | 1500/- | 5500/- | 9600.00 | D0- |
| 8. AMG 29 | 1986 | -Do- | -- | -- | -- | -- | 2000/- | 11,000/- | 13000./- | Do- |
| 9. AMY 3304 (Jeep) | 3.7.86 | -Do- on 3.7.66. | -- | -- | -- | -- | 6881/- | 1846/- | 8727.00 | Asstt. Soil Chemist (stafic) soil Testing Loby, Tezpur. |

## ANNXURE-I

| Reg.No. of Vehicle. | Date of receipt of Vehicle. | From whom received. | Expenditure on Maintenance during. 82-83 | 83-84 | 84-95 | 85-86 | 86-87 | 87-88 | Total expenditure on maintenance from date of receipt of vehicle up to April, 1988. | Remarks, if any. |
|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 |
| 10.AMA 82 Petrol Jeep | 1-478 | ADA (Extn) | - | 5103/- | 11260.60 | 3118/- | 1574/- | 14135.10 | 35,190.70 | SDAO Pathsala |
| 11.AMA 24 Petrol Jeep | 9-378 | -D0- | - | 26,432.54 | 3136.95 | 2455.00 | - | - | 32024.49 | -Do- |
| 12.AMU 6150 | 6-3-86 | JDA(Jute) Khanapara. | - | - | - | - | 9434/- | 11936/- | 21,370.00 | -Do- |
| 13.AMU - | 6-3-86 | -Do- | - | - | - | - | 23174/- | 9500/- | 32674.00 | -Do- |
| 14.AMU 7354 | 25-4-86 | D.A.Assam | - | - | - | - | 533.80 | 1809.95 | 2343.75 | Soil Survey Officer Ghy-7 |
| 15.AMU 7353 | 25-4-86 | -Do- | - | - | - | - | 792.70 | 9300.55 | 10093.25 | -Do- |
| 16.AMU 7350 | 25-4-86 | -Do- | - | - | - | - | 3636.75 | 6226.05 | 9862.80 | -Do- |

## ANNXURE-I

| Reg.No. of Vehicle. | Date of receipt of Vehicle. | From whom received. | Expenditure on Maintenance during. 82-83 | 83-84 | 84-95 | 85-86 | 86-87 | 87-88 | Total expenditure on maintenance from date of receipt of vehicle up to April, 1988. | Remarks, if any. |
|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 |
| 17.AMU 6189 | | | | | | | | | | |
| 18.AMA 3740 | | | | | | | | 1702.00 | | |
| 19.AMA 7107 | | | | | | | 2125.00 | 19,916.00 | | |
| 20.AMZ 9539 | | | | | | | | 146.00 | | |
| 21.AMU 7370 | | | | | | | | 3,617.00 | | |
| 22.AMU 5640 | | | | | | | | 15,328.00 | | |
| 23.AMZ 804 | | | | | | | 14,762.00 | 19,280.00 | | |
| 24.AMZ 800 | | | | | | | | 16,709.00 | | |
| 25.AMA 16 | | | | | | | 8,058.00 | 27,237.00 | | |
| 26.AMA 4088 | | | | | | | | 12,845.00 | | |
| 27.AMK5712 | | | | | | | | 17,666.00 | | |
| | | | | | | | | 18,773.00 | | |

# ANNXURE-I

| Reg.No. of Vehicle. | Date of receipt of Vehicle. | From whom received. | Expenditure on Maintenance during. 82-83 | 83-84 | 84-95 | 85-86 | 86-87 | 87-88 | Total expenditure on maintenance from date of receipt of vehicle up to April, 1988. | Remarks, if any. |
|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 |
| 28.AMA 1376 | | | | | | | | 6,602.00 | | |
| 29.ASN 4544 | | | | | | | | 23,137.00 | | |
| 30. ASU 1945 | | | | | | | | 125.00 | | |
| 31.ASU 3200 | | | | | | | | 15,734.00 | | |
| 32.ASU 1383 | | | | | | | 19,055.00 | 4,228.00 | | |
| 33.ASU 388 | | | | | | | 4,350.00 | 16,130.00 | | |
| 34.ASU 913 | | | | | | | 25,587.00 | 20,507.00 | | |
| 35.ASU 6540 | | | | | | | 19,267.00 | 19,929.00 | | |
| 36.AMK 9812 | | | | | | | | 7,475,00 | | |

# ANNXURE-I

| Reg.No. of Vehicle. | Date of receipt of Vehicle. | From whom received. | Expenditure on Maintenance during. 82-83 | 83-84 | 84-95 | 85-86 | 86-87 | 87-88 | Total expenditure on maintenance from date of receipt of vehicle up to April, 1988. | Remarks, if any. |
|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 |
| ~~37.AMZ 706~~ | | | | | | | | | | |
| 38.ASA 8136 | | | | | | | | 16,371.00 | | |
| 39.AMK 5788 | | | | | | | | 12,310.00 | | |
| 40.ASU 7769 | | | | | | | 12,647.00 | 15,254.00 | | |
| 41.AMA 154 | | | | | | | | 6,153.00 | | |
| 42.ASU 1415 | | | | | | | | 20.489.00 | | |
| 43.AMY 6408 | | | | | | | | 12,273,00 | | |
| 44.ASU 7244 | | | | | | | | 4,609.00 | | |
| 45.AMY 5589 | | | | | | | | 18.539.00 | | |
| 46. ASA 9112 | | | | | | | | 815.00 | | |
| 47.AMY 6477 | 23-5-87 | | | | | | | 9,189.00 | | |
| 48.ASZ 9453 | | | | | | | | 9.903.00 | | |
| 49.AMY 6357 | | | | | | | 7,967.00 | 16,095.00 | | |
| 50.AMY 1320 | | | | | | | | 12,266.00 | | |
| 51.AMY 9557 | | | | | | | | 5,900.00 | | |
| 52. ASU 9204 | | | | | | | 6,216.00 | 14,741.00 | | |
| | | | | | | | 9,375.00 | 8264.00 | | |

## ANNXURE-I

| Reg.No. of Vehicle. | Date of receipt of Vehicle. | From whom received. | Expenditure on Maintenance during. 82-83 | 83-84 | 84-95 | 85-86 | 86-87 | 87-88 | Total expenditure on maintenance from date of receipt of vehicle up to April, 1988. | Remarks, if any. |
|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 |
| 53.ASU 9164 | | | | | | | | 9,138.00 | | |
| 54.AMU5255 | | | | | | | | 9,048 | | |
| 55.AMZ 792 | | | | | | | | 17,005.00 | | |
| 56.ASU 2602 | | | | | | | | 731.00 | | |
| 57.AMA. 152 | | | | | | | 21,099.00 | 5074.00 | | |
| 58.ASU 2630 | | | | | | | | 4,235.00 | | |
| 59.ASU1370 | | | | | | | | 5,178.00 | | |
| 60.AMK 108 | | | | | | | | 26,018.00 | | |
| 61.AMK 8964 | | | | | | | | 426.00 | | |
| 62.ASU 3195 | | | | | | | | 926.00 | | |
| 63.AMY 7055 | | | | | | | | 896.00 | | |
| 64.AMA 2532 | | | | | | | | 7,305.00 | | |
| 65.ASN 1810 | | | | | | | | 1,OO8,00 | | |
| 66.AMA 109 | | | | | | | | 10,797.00 | | |
| 67.AMU 7386 | | | | | | | | 1633.00 | | |
| 68.AMU 5235 | | | | | | | 4,584.00 | 2,494.00 | | |
| 69.AMY 3629 | | | | | | | | 2,695.00 | | |
| 70.AMU 7267 | | | | | | | | 101.00 | | |

AGP(Mini) 51/99LA-1500 - 19-5-99